**Debates of the Assam Legislative Assembly, 1971**

*Budget Session*

Vol. 1. No, 32

The 18th May, 1971

CONTENTS


| | | Pages |
|---|---|---|
| 1. | Further supplementaries to Starred Question No. 285 replied on 17th May 1971 re : Development of Chowdang, Moran etc. Communities | 1 |
| 2. | Starred Questions & And Answers | 3 |
| 3. | Unstarred Questions Answers | 40 |
| 4. | Re : Question regarding rebate on raw materials for industries | 46 |
| 5. | Re : Visit of Moulana Bhasani into Assam | 51 |
| 6. | Voting on Demand for Grants—Demand Nos. 56 & 57 | 57 |
| 7. | Calling Attention To A Matter of Urgent Public Importance—Obstruction to a group of journalists by the Nagaland Armed Police at the borders | 113 |
| 8. | Presentation of the Report of the Select Committee on the Assam ( Temporarily Settled Areas ) Tenancy Bill, 1970 | 115 |
| 9. | Re : Strike by the students of the Assam Engineering Institute, Gauhati | 116 |

Proceedings of the Eleventh Session of the Assam Legislative Assembly Assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India

The Assembly met in the Assembly, Chamber Shillong, at 10 A. M. on Tuesday, the 18th May, 1971.

PRESENT

Shri Mohi Kanta Das M. A. B. L. Speaker, in the Chair, Fifteen Ministers, Seven Ministers of State, Two Deputy Ministers and Fifty-six Members.

Further supplementaries to Starred Question No. 285 replied on 18th May, 1971 Re : Development of Chowdang, Moran etc. Communities

Shri Dulal Chandra Barua—May I know as whose instance the schemes were sent to the Govt. of India ?

Shri Ranendra Basumatari—Sir, once I informed this hon. House that during the last working group discussion at Delhi in 1969 it was suggested by the Central Officers of the Social Welfare Deptt. that the State Govt. should initiate and should indicate some schemes for development of the backward communities. So the State Govt. initiated this matter and indicated 6 sche-

mes and accordingly Sir from the State Govt: we also represented the matter at Delhi aud matter was discussed threadbare with the Central Welfare Minister and Minister of State. At that time it was indicated to us that the amount necessary for these 6 schemes should be adjusted in the Central Sector and the amount already sanctioned is within the 30 lakhs of rupees.

Shri Dulal Chandra Barua—Am I to understand that the schemes approved by the Planning Commission after the recommendation of the working group ?

Shri Ranendra Basumatari—That was not approved. We received one later on and it will be accommodated within the allotment of Rs. 30 lakhs and that is why we are now processing the whole matter and we hope we will be able to accommodate this within those 6 schemes.

Shri Atul Chandra Goswami—অধ্যক্ষ মহোদয়, এই যে ছটা Scheme ৰ কথা কৈছে সেই বিলাক কোন কোন ঠাইত লোৱা হৈছে জনাব পাৰিবনে ?

Shri Ranendra Basumatari—এইটো আগতেও কেইবা বাৰো কোৱা হৈছে । গোৱালপাৰা জিলাত—

(Areas under Agomoni, Golokganj. Boitamari, Manikpur, Srijongram, Chapar and Salkocha for the benefit of Rajbangshi community. Kokopathar, Hapajan and Tengakhat areas for the benefit of Moran and Mattok community. Titabar and Jorhat for the benefit of Chowdang community. Silchar and Hailakandi Sub-

division for the benefit of Scheduled Tribes. Naoboicha and Bihpuria area for the benefit of Scheduled Castes Community. Dhubri Sub-Division :- Areas under Gauripur Bilashipara, Golakganj Chapar, Gossaigaon, Agamani for the benefit of Plains Tribals.)

## STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

Shri Mohidhar Pegu—অধ্যক্ষ মহোদয়, অতিকৈ পিচ পৰা লোক সকলৰ কাৰণে একোটা আঁচনিৰ কথা উল্লেখ কৰিছে। মন্ত্ৰী মহোদয়ৰ পৰা এই প্ৰসঙ্গত জানিব পাৰোনে যে অন্যান্য অঞ্চলত কম জনসংখ্যা হলেও অতিকৈ পিচপৰা উল্লিখিত সম্প্ৰদায় বিলাকৰ বাবে আন নহলেও খোৱা পানীৰ নিচিনা অতিকৈ লাগতিয়াল বস্তু বিলাকৰ ব্যৱস্থা এই Scheme ৰ বাহিৰেও চৰকাৰে কিবা চিন্তা কৰিছেনে ?

Shri Ranendra Basumatari—এই সম্পৰ্কে Schedule Caste, Schduled Tribe আৰু Plains Tribal ৰ Allocation ৰ ফালৰ পৰা চাব লাগিব।

Shri Atul Chandra Goswami—এই Scheme কেইটা লোৱাৰ সম্পৰ্কত হলে নগাঁও জিলাৰ নামটো নুশুনিলো। নগাঁও জিলাত অৱশ্যে চাওদাং, মৰাণ, মটক আৰু ৰাজবংশী সম্প্ৰদায়ৰ লোক নাই যদিও অন্যান্য লালুং মিকিৰ, কছাৰী আদি অসমীয়া পিচপৰা সম্প্ৰদায় বিলাকৰ কাৰণে চৰকাৰে চিন্তা নকৰাৰ কাৰণ কি ?

Shri Ranendra Basumatari—আগতেই এই List খন দিয়া হৈছিল। চৰকাৰী পৰ্য্যায়ত এইটো নজৰ দি প্ৰস্তুত কৰা নাছিল। এই সম্পৰ্কে জিলাৰ Deputy Commissioner, S. D. O. আৰু সংশ্লিষ্ট অঞ্চলৰ Local M. L. A. ক লৈ তেওঁলোকৰ পৰা আঁচনি বিচৰা হৈছে। এই সম্পৰ্কে সদনত উল্লেখ কৰা হৈছে। মাননীয় সদস্যাই যিটো কৈছে সেই বিষয়ে Scheduled Caste, Scheduled Tribe আৰু Plain Tribal

Scheme ত থকা annual Scheme ৰ পৰা চাব লাগিব ।

Shri Mahendra Mohan Choudhury ( Chief Minister )—ইয়াৰ বাহিৰেও ৰাজ্যিক চৰকাৰৰ ফালৰ পৰা ১৯৭১-৭২ চনৰ fourth five year plan ৰ ৪০ লাখ টকা আচুতীয়া কৰি regional imbalance থকা Community বিলাকৰ উন্নয়ণৰ খৰছ কৰিবলৈ Plan লোৱা হৈছে । এই বিষয়ে Planning Commissioner ৰ অনুমোদন বিচৰা হৈছে । Planning Commissioner ৰ অনুমোদন পালেই সেইটোৰ আমি ব্যৱস্থা কৰিম ।

Shri Dulal Chandra Barua—অধ্যক্ষ মহোদয়, আমি জনাত কেন্দ্ৰীয় চৰকাৰে প্ৰায় ৮০ লাখ টকা প্ৰত্যেক বছৰে ৰাজ্য চৰকাৰ বিলাকক দিবলৈ সিদ্ধান্ত কৰিছে আৰু ইতিমধ্যে দিছেই । তামিলনাড়ু, কেৰেলা আদিত ইতিমধ্যে পাইছেই । কিন্তু সেই বিলাক জেগাৰ তুলনাত আমাৰ এইবিলাক অঞ্চল বেছি পিছপৰা । কেন্দ্ৰীয় চৰকাৰে আমাক Plan ৰ লগত এই টকাটো Adjust কৰিবলৈ নিৰ্দ্দেশ দিছে। আমাৰ চৰকাৰে এই টকাটো আচুতীয়া ভাৱে দিবলৈ কেন্দ্ৰীয় চৰকাৰৰ লগত পৰামৰ্শ কৰিবনে ? আৰু যিটো টকা এইবাৰ দিয়া হব সেইটো কেতিয়া দিব ?

Shri Ranendra Basumatari—আচুতীয়া Scheme ৰ টকা দি আছে । বিশেষকৈ Post Matric Scholarship: Co-operative Society আদিৰ কাৰণে Scheduled Caste আৰু Tribal ৰ কাৰণে আছে ।

Shri Dulal Chandra Barua—মই কৈছো যে ৮০ লাখ টকা যে কেন্দ্ৰীয় চৰকাৰে আচুতীয়া ভাৱে দিব লাগে সেইটো আমাক Plan ৰ লগত Adjust কৰিবলৈ কিয় দিলে ? সেই টকাটো দিবনে নিদিয়ে ? দিয়াৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিবনে ? কেতিয়াৰ পৰা Phase Wise Programme ৰ আলোচনা কৰিব ।

Shri Ranendra Basumatari—নিশ্চয় কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিম । এইবাৰ ছটা আঁচনি আৰম্ভ কৰি তাৰ কাৰণে D. C. বা S. D. O ক Chairman কৰি দিব লাগিব আৰু Local M. L. A. বিলাকেকা এই আঁচনি কেনেকৈ কৰা যায় তাৰ পৰামৰ্শ লোৱা হব ।

Shri Dulal Chandra Barua—টকাটো কেনেকৈ দিব ?

Shri Ranendra Basumatari—টকাটো ইয়াৰ পৰাই দিয়া হব।

Re : Percentage of reservation in Government Services for the Scheduled Castes

Shri Lalchunga Chinzah asked :

* 297. Will the Chief Minister be pleased to state—

(a) What is the percentage of reservation in Government services for Scheduled Tribes, Hills Scheduled Tribes, Plains Scheduled Castes and other Backward Classes respectively ?

(b) What is the present position of employment for each group ?

(c) Whether it is a fact that the representation has not been fair for each of the Tribal Communities, communitywise ?

(d) If so, what remedial measure the Government propose to take so as to bring about fair representation for each communal group ?

Shri Mahendra Mohan Choudhury ( Chief Minister ) replied :

297. (a)—The percentage of reservation is—

Scheduled Caste—7 percent.

Scheduled Tribe Hill—12 percent.

Scheduled Tribe Plain—10 percent.

There is no percentage of reservation quota for other Backward Classes.

(b) The total number of employees including these communities as on 31st March, 1967, is 84,839 out of which

38,843 employees belong to these communities, in which the break up is as follows—

| | Total No. | Percentage | Reservation quota |
|---|---|---|---|
| Scheduled Caste | 5,215 | 6·2 | 7 p.c. |
| Scheduled Tribes Plains | 6,341 | 7·5 | 10 ,, |
| Scheduled Tribes Hill | 10,507 | 12·4 | 12 ,, |
| O.B.C | 16,780 | 19·9 | No reservation. |

(c) & (d)—Efforts have been made to fillup the deficiency in the percentage of reservation under a definite programme latest by the end of 1973. Community-wise representation for the tribals in general cannot, however, be ensured.

Shri Lalchunga Chinzah—May I know what is the manner of reservation ? Whether certain percentage is reserved for all categories of posts as a whole or for every categogory of posts ?

Shri Mahendra Mohan Choudhury—There is no tribe-wise representation ; a percentage is reserved on the whole.

Shri Phani Bora—It is not a fact that amongst the hill tribes, certain tribes are not properly represented and are always deprived of their due ?

Shri Mahendra Mohan Choudhury—Sir, it may be so.

শ্রীনকুল চন্দ্র দাস—মাননীয় মুখ্যমন্ত্রী মহোদয়ে যিটো উত্তৰ দিছে তাৰ পৰা বুজা যায় যে Totality ৰ ফালৰ পৰা Percentage বিলাক প্ৰায় পূৰণ হোৱা যেন লাগে। উদাহৰণ স্বৰূপে Scheduled Caste ৰ ক্ষেত্ৰত শতকৰা ৭ ভাগ Reservation ৰ ঠাইত ৬·২% ভাগ পূৰণ হৈছে। কিন্তু

প্ৰকৃততে তথ্যপাতিৰ পৰা আমি যি জানিব পাৰিছো এই ক্ষেত্ৰত বিভিন্ন শ্ৰেণীৰ চাকৰিৰ বেলিকা অনুপাত ব্যৱস্থা কৰা হোৱা নাই। তলৰ খাপৰ চাকৰিত নিৰ্দ্ধাৰিত হাৰতকৈ বেছি আৰু ওপৰৰ শ্ৰেণীৰ চাকৰিৰ ক্ষেত্ৰত নিৰ্দ্ধাৰিত হাৰতকৈ বহুত কম। এনে ধৰণৰ যি বৈষম্য বিভিন্ন শ্ৰেণীৰ চাকৰিৰ ক্ষেত্ৰত আছে সেই সম্পৰ্কে মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি যথাবিহিত অনুধাবন কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—কিছুমান বিভাগত শতকৰা হাৰ যে কম হৈছে সেইটো সঁচা। যি বিলাকত কম হৈছে সেই বিলাকত পূৰণ কৰিবৰ কাৰণে চেষ্টা কৰা হব।

শ্ৰীফণী বৰা—মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে যে কিছুমান Hill Tribles ৰ ভিতৰতে কিছুমান Tribe এ প্ৰাপ্যৰ পৰা বঞ্চিত হৈছে আৰু এই কথা হয়েই। গতিকে Hill Tribes ৰ ভিতৰৰে এই অসামঞ্জস্যতাটো দূৰ কৰিবলৈ চৰকাৰে ব্যৱস্থা কৰিবনে ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—এই অসমাঞ্জস্যতা দূৰ কৰিবলৈ হ'লে আমাৰ কিছুমান অসুবিধা আছে। কাৰণ যেতিয়া চাকৰী বিলাক লোৱা হয় তেতিয়া Advertisement ৰ জৰিয়তে লোৱা হয়। আৰু দৰ্খাষ্টকাৰী বিলাকৰ ভিতৰৰ পৰা বাচি লোৱা হয়। কোনো কোনো ক্ষেত্ৰত কিছুমান Tribes দৰ্খাষ্ট কাৰী কম থাকে সেই কাৰণেই সেই বিলাকৰ সংখ্যা কম আছে। এতিয়া মেঘালয় নতুনকৈ সৃষ্টি হোৱাৰ পিছত এই বিষয়ে বিশেষ বিবেচনা কৰি চোৱা হব।

শ্ৰীমনেশ্বৰ বড়ো—Scheduled Tribes ৰ plains ৰ Reservation ১০% কিন্তু লোৱা ঠাইত শতকৰা হাৰ ৭'৫ দেখুৱাইছে। ইয়াৰ ভিতৰত Labour বিলাককো ধৰা হৈছে নেকি ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—Reservation অনুপাতে বেলেগ বেলেগ সম্প্ৰদায়ৰ লোকক ভৰ্ত্তি কৰা উচিত। কিন্তু বৰো ডাঙৰীয়াই যে কৈছে তাৰ ভিতৰত Labour ৰ সংখ্যাও আছে নেকি, তাৰ উত্তৰত কওঁ যে তাত Labour সংখ্যা নাই আৰু Labour বিলাক Casual Employee হে।

Shri Dulal Chandra Barua—My information is, and the

Chief Minister has also stated, that the percentage ot employment is irrational even in respect of different hill tribes, not only in the lower categories but also in the upper categories of service. The representation from the Khasi and Jaintia Hills especially is much more in comparison with the Mizo Hills or North Cachar Hills. Again, the percentage of representation from the Mizo Hills is more in comparison with the Mikir Hills and North Cachar Hills. The Chief Minister has mentioned about qualifications and said that sufficient numbers from these tribes are not coming forward in response to advertisements. But, Sir, in actual practice, it is not so. Because certain tribes are in an advantageous position in every way, their representation in all categories of services, including the higher categories like the A. C. S. and the A. P. S. or even the I. A. S., is much more. Therefore, do not the Government consider it proper to adopt a rational policy in respect of proper representation of not only the different categories of hill tribes, but also plains tribes as well as scheduled caste persons in different categories of service and, if so, what are the means Government are going to adopt for this purpose ?

Shri Mahendra Mohan Choudhury—In regard to district appointments. we can adopt such a policy, but it may be difficult to give representation tribe-wise in general. We shall, however. always keep this aspect in mind so that all these tribes get their proper representation in the services.

শ্ৰীনকুল চন্দ্ৰ দাস—মেঘালয় ৰাজ্য সৃষ্টি হোৱাৰ পাচত অসমৰ চৰকাৰী চাকৰি আদিৰ ক্ষেত্ৰত Hill Tribes ৰ শতকৰা হাৰটো যে আগতকৈ কমাটো উচিত সেই বিষয়ে চৰকাৰে মনোনিবেশ কৰিছে নে ?

শ্ৰীমহেন্দ্ৰন মোহন চৌধুৰী—সেইটো জনসংখ্যা হিচাপে কমি যাব ।

শ্ৰীৰমেশ মোহন কুলি—Reservation আছে ১০% কিন্তু লোৱা হৈছে ৭.৫% । এই দৰেই যোৱা বছৰলৈকে চলি আছে । মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যেতিয়া ৩/৪ টা পদ খালি থাকে তেতিয়া Scheduled Caste বা Scheduled Tribes ৰ কাৰণে এটা কোটা থাকে । কিন্তু এটা যদি পদ খালি থাকে তেতিয়া হলে তাত Reservation নাথাকে । ধৰক ; D. C. অফিচত যদি এটা কেৰাণীৰ পদ পূৰণ কৰিবলগীয়া হয় তেনেহলে তাত কোনো Reservation নাথাকে । Secretariat ত কিবা High Level ৰ Post থাকিলে তাত Cabinate ৰ সিদ্ধান্ত লৈ Regulation 3. f. ত Appointment দি দিয়ে । এই বিলাকতো Qualified Candidate থাকি যায় । এই বিলাক বিষয়ত বিবেচনা কৰিব নে ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—3. f. ত দিয়া কাম বিলাক অস্থায়ী । গতিকে এই বিলাক কথা 3. f. ত সুমোৱাব নোৱাৰি । সেই কাৰণে ১১/২/৭১ তাৰিখে আমি এটা Order Issue কৰিছো যে "An executive order No. AAP. 207/70/47, dt. 11.2.71 was issued to all Secretaries of the Government, Heads of Departments and Deputy Commissioners to fill up the deficiency in the percentage of reservation of posts under a definite programme latest by the end of 1973 and these posts which are not filled up by competitive test must not be denied to Backward Communities to the extend of reservation under any circumstances."

শ্ৰীৰমেশ চন্দ্ৰ কুলি—সেই Circular খন কিমানে Follow কৰিছে চৰকাৰে জানে নে ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—যদি কোনোবাই Follow কৰা নাই বুলি সদস্য ডাঙৰীয়াই জনাই তেতিয়া হলে তদন্ত কৰা হব।

শ্ৰীপিটসিং কোঁৱৰ—মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিছো যে, আমাৰ Plains Tribal ক 10% আৰু Scheduled caste ক 7% দিছে। কিন্তু এই নিৰীখৰ চাকৰিত ভৈয়ামৰ জনজাতি আৰু অনুসূচীত জাতিৰ লোকক নিয়োগ কৰাৰ কাৰণে চৰকাৰে কি বিশেষ ব্যৱস্থা হাতত লৈছে।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী— মই কৈছোৱেই যে, এই Circular খনৰ মতেই আমাৰ সকলো Procedure Adopt কৰা হৈছে।

Shri Lalchunga Chinzah—Sir, since the Chief Minister has said that in some of the reserved quota, the percentage has been exceeded, will there be any further reservation for those people ?

Shri Mahendra Mohan Choudhury—They cannot claim any reservation when the quota has exceeded,

Shri Lalchunga Chinzah—As has been Stated by the Chief Minister, reservation has not been proportionate to every community. Now, regarding the Scheduled Tribes, Hills reservation means practically reservation for the Mizos and Khasis and the other Tribes will never have a chance for employment. Will is not be possible for the Government of Assam as a Government to look into the cases of other backward classes community-wise, otherwise they will never have any chance.

Shri Mahendra Mohan Chodhury—There will be difficulty of taking a formal decision now. As I have said already, when making demands, these things will be taken into consideration.

Re : Recommendations of the National Commission on Labour regarding Dearness Allowance

Shri Dulal Chandra Barua asked:

* 298. Will the Minister-in-charge of Labour be pleased to state—

(a) What is the reaction of the Government of Assam on the recommendation of the National Commission on Labour regarding Dearness Allowance?

(b) Whether the Government proposes to grant Dearness Allowance by an equal amount to all the employees irrespective of the differences in their emoluments?

(c) If not, why not?

(d) What is the percentage of neutralisation carried out by the Government to compensate the short fall of emoluments?

Shri Kamakhya Prasad Tripathi (Minister, Labour) replied:

298. (a), (b), (c), & (d)—The recommendations of the National Commission on Labour regarding Dearness Allowance are kept in mind by the Government and the different Wage Boards, as and when set up.

Shri Dulal Chandra Barua—Whether the Government on principle has accepted these recommendations?

Shri Kamakhya Prassad Tripathi—These discussions of the National Labour Commission have not been completed in Delhi. There were two conferences held in Delhi on this question and the discussions have not yet been completed and so we are awaiting further discussion after the new Ministry has been formed.

Shri Dulal Chandra Barua—Whether it is a fact that the recommendations made by the Labour Commission has

been forwarded to respective States for their acceptance ? If so, whether the Government has finally decided to accept the recommendations ? If not, why not ?

Shri Kamakhya Prasad Tripathi—We are awaiting a discussion in the Labour Conference.

Shri Dulal Chandra Barua—When it will be held ?

Shri Kamakhya Prasad Tripathi—Very soon.

Shri Dulal Chandra Barua—Whether these will be embodied in the terms of reference of the Pay Commission ?

Shri Kamakhya Prasad Tripathi—As I have already said, all these recommendations will be taken into consideration in the terms of reference of the Pay Commission.

Re - Establishment of a Sub-Treasury at Dergaon

Shri Narendra Nath Sarma asked :

* 299. Will the Minister-in-charge of Finance be pleased to state—

(a) Whether the Government propose to establish a Sub-Treasury at Dergaon ?

(b) Whether it is a fact that Government have already selected and allotted a plot of land for that purpose ?

(c) Whether Government is aware that the State Bank Building can be utilised for the purpose by appointing an Officer and necessary staff ?

Shri Kamakhya Prasad Tripathi (Minister, Finance) replied :

299. (a).—No.

(b)—Does not arise in view of reply to part (a) of the question.

(c)—State Bank at Dergaon is at present functioning in a

hired building which does not fulfil the specifications required for a Sub-Treasury. Hence, it is not possible to utilise the building for the purpose.

Shri Dulal Chandra Barua—Do Government think it proper to establish a Sub Treasury there in view of the existance of a State Bank ?

Shri Kamakhya Prasad Tripathi—It is a difficult question because these demands for Sub Treasury have come from many places already—Rangiya is the first ( the Rangiya Member is hiding and smiling ), then there is Dhing and many other places. In point of fact, whenever there is a branch of the State Bank the demand is that it should be converted into a Sub Treasury. The demand has justification also because it will create convnience for the public but the costs involved are very considerable. So, we enquired into this matter as to what will be the cost. We were told that the recurring cost is about Rs. 20,000/- per annum. The capital costs will be about Rs. 2½ lakhs. Now, naturally unless these costs are available, the department is incapable of expanding. Then, with regard to the buildings, where the Sub Treasuries to be established, we will require Strong Rooms in those buildings and Strong Rooms will have to be of certain specifications. Then a number of constables will be necessary for guarding the buildings and therefore all these coordination of various departments and the facilities required are necessary and all these mean finances.

Uptil now we have not been able to find finances which will enable us to go and set up Sub Treasuries as desired by the Member.

**Shri Dulal Chandra Barua**—Sir, the Finance Minister has given a list of expenditure to be incurred for such schemes but by considering the changed circumstances economics, political, and also by considering the need of the hour, I think, ( though undoubtedly there will be big capital costs etc. ) these steps will give maximum benefits to the people and therefore by considering all these factors will the Government not consider it proper to take necessary sleps for establishing such Sub Treasuries ?

Shri Kamakhya Prasad Tripathi—That is what I have said. I have agreed that there will be conveniences to the public and the Government. Therefore, the Government is constantly reviewing what further conveniences may be extended to the public and one of the conveniences which has been extended is the setting up of a State Bank in various regions. Now the question which is under consideration is whether the State Bank can also be converted to a Sub Treasury and naturally that will depend upon the location of office for the pupose. Uptil now we have not been able to locate office for the purpose and therefore we are in quandary. We have not been able to take any further decision in the matter.

Re : Erosion at Soalkuchi

Shri Sailen Medhi asked :

* 300. Will the Minister-in-charge of Flood Control and and Irrigation be pleased to state—

(a) Whether some portion in the eastern side of village Soalkuchi was eroded by the river Brahmaputra in the year 1969-70 flood ?

(b) If so, how many families were actually eroded during these two years ?

(c) Whether there is any proposal for extension of protection work in that area ?

(d) If so, what is the total estimated cost for the said work ?

Shri Syed Ahmed Ali ( Minister of State for Public Works (Flood Control & Irrigation) Department ] replied :

300. (a)—Some erosion took place on stream side (on western side) of the protection work.

(b)—Two families only.

(c)—Yes, a proposal is under consideration.

(d)—An estimate amounting to Rs. 24,24,500·00 has since been prepared and is under scrutiny now.

Shri Sailen Medhi—Sir, during the last flood the Chief Minister also visited that place and the Chairman of the Brahmaputra Commission had the apportunity of visiting Soalkuchi and expressed great concern to see the devastating erosion taking place in that area and it was promised that the work would be started soon to protect that area from erosion. But we are surpr-

ised to know from the expenditure list supplied to us by the Brahmaputra Flood Control Commission that in the annual expenditure there is no expenditure proposed for Soalkuchi protection during the current financial year. May we know the reason for not making any allotment during the current financial year for Soalkuchi protection ?

Shri Syed Ahmed Ali—Sir, the scheme referred to by the hon'ble member is neither continuing nor is it a completed scheme. It is a new scheme which requires rebetment protection and the proposal has already been placed in the Board's meeting held at Nowgong in October, 1970 and in that meeting the Chairmen, Dr. K. L. Rao suggested modifications and these modifications have been placed in the Board of Consultants. It is under examination and will be taken up subject to the availability of funds.

Shri Sailen Medhi—During this year also we are expecting very heavy erosion. May I know whether there is any proposal to protect that area by putting up some temporary measures ?

Shri Syed Ahmed Ali, Minister of State, P. W. D. ( F. C. & I. )—This is a very big problem and no temporary measures will serve the purpose.

হালধিবাৰী-বেছামাৰি বান্ধ

শ্ৰীমহিধৰ পেগুৱে সুধিছে :

* ৩০১। মাননীয় বান-নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) মাজুলী বান-নিয়ন্ত্ৰণ উপ-সংমণ্ডলৰ অধীনস্থ হালধিবাৰী-বেছামৰা ব্ৰহ্মপুত্ৰ

বান্ধৰ হালধিবাৰীৰ পৰা শালমৰালৈ আৰু খেৰকটীয়া মথাউৰি ( কাটনি-গাওঁৰ পৰা মিলিগাওঁ তিনিআলিলৈ ), এই দুই খণ্ড মথাউৰি জনসাধাৰণৰ যাতায়তৰ সুবিধাৰ বাবে গড়কাপ্তানি ৰাস্তালৈ ৰূপান্তৰিত কৰিবৰ বাবে যোৰহাট গড়কাপ্তানি ( পথ ও গৃহ ) সংমণ্ডলে ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণ পৰিষদৰ ওচৰত সম্মতি বিচাৰি যোৱা কেইমাহমানৰ আগতে কোনো চিঠি-পত্ৰ আদান-প্ৰদান কৰিছিল নে ?

(খ) যদিহে কৰা হৈছিল তেন্তে বিষয়টোৰ প্ৰতি ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণ বিভাগে কেনে সহাৰি জনালে ?

বান-নিয়ন্ত্ৰণ ৰাজ্যিক মন্ত্ৰী শ্ৰীচৈয়দ আহমদ আলিয়ে উত্তৰ দিছে :

৩০১। (ক)—তেনেকুৱা একো প্ৰস্তাৱ বান-নিয়ন্ত্ৰণ আয়োগৰ হাতত পৰাহি নাই।

(খ)—প্ৰশ্ন নুঠে ।

শ্ৰীমহীধৰ পেগু—অধ্যক্ষ মহোদয়, এই সম্পৰ্কত আজি এবছৰ ধৰি যোৰহাট গড়কাপ্তানি বিভাগৰ কাৰ্য্যবাহী অভিযন্তাৰ অফিচৰ পৰা লিখা-লিখি কৰি থকা হৈছে। তেনেস্থলতো এইটো প্ৰকৃত পক্ষে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ পৰিষদৰ ওচৰত পৰাই নাই। তেতিয়াহলে এইটো অসমৰ বান-নিয়ন্ত্ৰণ বিভাগৰ অফিচত নিশ্চয় পৰিব ! এই ক্ষেত্ৰত মথাউৰি যিটো আছে সেইটোক Road cum Bundh কৰাত চৰকাৰৰ কিবা আহুকাল আছে নেকি ? যদি নাই সেই সম্পৰ্কে চৰকাৰে সহানুভূতিৰে বিবেচনা কৰিব নে ?

শ্ৰীচৈয়দ আহমেদ আলি—P. W. D. বা R&B এ যদি এইটো বিচাৰে তেনে-হলে ৰাইজৰ ৰক্ষণা বেক্ষণৰ কাৰণেই এই ব্যৱস্থা কৰিব লাগিব।

Re : Swimming Tank

Shri Narendra Nath Sarma asked :

* 302. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that the authority of Police Training College and Police Battalion decided to excavate a swimming tank in the campus of the Battalion ?

(b) The exact site for the project ?

(c) Whether the Government will examine the possibility

of excavating the swimming tank at the Headquarter of Police at Dergoan ?

Shri Mahendra Mohan Choudhury ( Chief Minister ) replied :

302. (a) Yes, a proposal was initiated but not finally accepted by Government.

(b)—The site is within the Police Training College Compound.

(c)—The Government will consider the proposal when funds are available for this purpose.

শ্ৰীদেৱেশ্বৰ শৰ্মা—এইটো Swimming Tank ৰ কথা কৈছে নে আন কিবা মাটিৰ পুখুৰী খন্দাৰ কথা কৈছে। মাটিৰ পুখুৰীত সাঁতোৰা মোৰ অভিজ্ঞতা আছে। মাটিৰ পুখুৰীত জোৱান সকলে তিনি দিন নমাৰ পিচত আৰু নামিব নোৱাৰিব। আমি আগতে বেলঘেৰিয়াত দুটা পুখুৰী আছিল—তাত দুদিন নমাৰ পিচতে আমি পানীৰ বং বদলি কৰি দিছিলো।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—ইয়াত এটা পুখুৰী আছিল। এতিয়া তাতে এটা Swimming Pool কৰাৰ কথা কোৱা হৈছে। তাত Estimate কৰা হৈছে ১ লাখ ৩২,৪০০ টকা।

শ্ৰীদেৱেশ্বৰ শৰ্মা—Swimming Pool হব নে পুখুৰী হব ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—পুখুৰীৰ পৰা পানী আনি Swimming Pool ত দিয়া হব।

শ্ৰীদেৱেশ্বৰ শৰ্মা—তাৰ কিবা Dimension আছে নেকি ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—নাই।

### ডিব্ৰুগড় শিক্ষক সন্থাৰ ধৰ্মঘট

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*৩০৩ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) ডিব্ৰুগড় সাহায্যপ্ৰাপ্ত শিক্ষক সন্থাই যোৱা ১৫।৩।৭১ তাৰিখে প্ৰতীক ধৰ্মঘট কৰাটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে নে ?

(খ) যদি হৈছে, চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

ৰাজ্যিক শিক্ষামন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ গোস্বামীয়ে উত্তৰ দিছে :

৩০৩। (ক)—হয়, হৈছে ।

(খ)—আৱশ্যকীয় ব্যৱস্থা লোৱা হৈছে ।

গোলাঘাট মহকুমাৰ গাওঁ পঞ্চায়ত

*৩০৪। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) পঞ্চায়তৰ যোৱা সাধাৰণ নিৰ্বাচনৰ পৰা এতিয়ালৈকে গোলাঘাট মহকুমাৰ কিমানখন গাওঁ পঞ্চায়তৰ বা কিমান জন সদস্যৰ নিৰ্বাচনৰ ওপৰত আপীল মোকৰ্দ্দমা হৈছে ?

(খ) এইদৰে হোৱা আপীল অঞ্চল গোলাঘাট পূব আঞ্চলিক পঞ্চায়তৰ অন্তৰ্ভুক্ত কোন গাওঁ পঞ্চায়তৰ নিৰ্বাচনৰ ওপৰত হৈছে আৰু কি কি কাৰণত আপীল হৈছে ?

(গ) উত্তৰ-পশ্চিম ঘিলামাৰী গাওঁ পঞ্চায়তৰ আপীলটো নিস্পত্তি হওঁতে কিমান দিন লাগিব আৰু চকৰধৰা গাওঁ পঞ্চায়তৰ আপীলটো কিমান দিন চলিছে জনাব নে ?

(ঘ) চকৰধৰা গাওঁ পঞ্চায়তৰ আপীলটো নিস্পত্তিৰ আশা কেতিয়ালৈ কৰিব পাৰি ?

পঞ্চায়ত বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীদেবেন্দ্ৰ নাথ হাজৰিকাই উত্তৰ দিছে :

৩০৪। (ক)—যোৱা পঞ্চায়তৰ সাধাৰণ নিৰ্বাচনৰ পৰা গোলাঘাট মহকুমাৰ বৰ্ত্তমানলৈকে ১৩ জন গাওঁ পঞ্চায়তৰ সভ্যৰ নিৰ্বাচনৰ বিপক্ষে আপীল-মোকৰ্দ্দমা হৈছে ।

(খ)—(১) উত্তৰ-পশ্চিম ঘিলামাৰী গাওঁ পঞ্চায়তৰ আপীল হৈছে নিৰ্বাচনৰ প্ৰিসাইডিং অফিচাৰে বে-আইনীভাৱে ভোট নাকচ কৰা প্ৰসঙ্গত ।

(২) দক্ষিণ হেঙেৰা গাওঁ পঞ্চায়তৰ আপীল হৈছে অনিয়মিতভাৱে নিৰ্বাচন চলোৱা আৰু বিধিবহিৰ্ভূতভাৱে মনোনয়ন-পত্ৰ নাকচ কৰা কাৰণত ।

(৩)—দক্ষিণ ঘিলামাৰী গাওঁ পঞ্চায়তৰ আপীল হৈছে নিৰ্বাচনৰ

সময়ত অনিয়ম প্ৰসঙ্গ আৰু অন্য কাৰণ দৰ্শাই।

(গ)—উত্তৰ ঘিলামাৰী পঞ্চায়তৰ আপীল নিষ্পত্তি হওঁতে ২১ দিন লাগিছিল। চকৰধৰা গাওঁ পঞ্চায়তৰ আপীলটো ১৯৬৮ চনৰ ২৫ আগষ্টৰ পৰা চলি আছিল।

(ঘ)—চকৰধৰা গাওঁ পঞ্চায়তৰ আপীলটো ২২।২।৭১ ইং তাৰিখত নিষ্পত্তি হৈ গৈছে।

শ্ৰীসোনেশ্বৰ বৰা—এই কথাটো সঁচা নেকি যে, উত্তৰ-পশ্চিম ঘিলামাৰী গাওঁ পঞ্চায়তৰ আপীল এটা ২১ দিনত চিগিছে। এই নিৰ্বাচনৰ গোচৰটো চিগিবলৈ যাওঁতে Magistrate জনে একে লেঠাৰীয়ে প্ৰায় কেইবা সপ্তাহো ইদিনৰ পাচত সিদিন পিচুৱাই আছিল। কাৰণ যিজন মানুহে কেচ কৰিছিল তেখেত আছিল কংগ্ৰেছী আৰু যি জনৰ ওপৰত কৰিছিল তেখেত আছিল Socialist. চক্ৰধৰা গাওঁ পঞ্চায়তৰ আবেদন কৰা মানুহ-জন Socialist আৰু বিপক্ষ জন আছিল কংগ্ৰেছী। গতিকে আজি ১৯৬৮ চনৰ ২৫ আগষ্টৰ পৰা ইমান দীঘলীয়া কৰাত চৰকাৰৰ মেজি-ষ্ট্ৰেতৰ ওপৰত হেঁচা পৰাতো সঁচা নে?

শ্ৰীদেবেন্দ্ৰ নাথ হাজৰিকা—চাৰ, আমাৰ Judicial ৰ ওপৰত হাত নাথাকে। অকল চক্ৰধৰা গাওঁ পঞ্চায়তবে নহয়—প্ৰায় ৬ খন মানৰ আপীল প্ৰায় ২½ বছৰ (আঢ়ৈ) মান লাগিছিল। কাৰণ Court ৰ Procedure মানি লওঁতে অলপ সময় লয়।

Re : Damage caused by Cyclone in Mizo Hills in 1970

Shri Maneswar Boro asked :

*305. Will the Minister in-charge of Tribal Areas Department be pleased to state—

(a) Whether it is a fact that the Mizo Hills suffered considerable damages in the cyclone which hit East Pakistan in 1970 ?

(b) If so, the total loss incurred by the cyclone ?

(c) The total number of houses which have been either

partially or completely damaged ?

(d) The area in which standing crops were damaged ?

(e) How many persons had died in the cyclone ?

(f) Whether any financial help was given to the cyclone-affected families ?

(g) If so, the total amount thereof ?

Shri Joy Bhadra Hagjer ( Minister, Tribal Areas Department ) replied :

305. (a) -Yes, the District suffered substantial damages due to cyclone on 9th and 13th November 1970.

(b)—The total loss in the District is estimated at Rupees one crore twenty lakhs.

(c)—About 2,000 houses completely damaged and 5,000 houses partially damaged.

(d)—Loss in the P. L. Subdivision was extensive. Villagers of south and west of Aijal also suffered loss to a great extent.

(e)—One person at Marpara died.

(f)—Yes, Gratuitous relief at the rate of Rs. 50 per family was given in P. L. Region. In Aijal Sub-division G. R. were given at the rate of Rs. 30 and Rs. 50 depending on the quantum and nature of the damages suffered.

(g)—Rupees one lakh.

Shri Maneswar Boro—তাত বহুতো Crop damage হোৱা বুলি কৈছে, এইটো কথা সঁচা নেকি যে তাত Cyclone হোৱাৰ পাছত সেই Area ত বিষম খাদ্য সংকটে দেখা দিছিল, যদি এইটো সঁচাই হয় তেতিয়া হলে Cyclone affected হোৱাৰ পাছৰে পৰা আজিলৈকে সেই Area ত

কিমান Quintol চাউল বা খাদ্য তাত দিয়া হৈছে ?

Shri Joy Bhadra Hagjer—প্ৰশ্নটো বুজা নাই।

Shri Maneswar Boro—Cyclone ত affect হোৱাৰ পাচত তাত বহুতো Crop damaged হৈ গ'ল ফলত তাত বিষম খাদ্য সংকটে দেখা দিছে যদি এইটো সঁচা হয় তেতিয়াহলে সেই Area ত আজিলৈকে কিমান খাদ্য বস্তু দিয়া হৈছে আৰু কিমান Rate ত দিয়া হৈছে আৰু কিমান Quintol দিয়া হৈছে ?

Shri Mahendra Mohan Choudhury ( Chief Minister )—এই অঞ্চলত চাউল বা আন খাদ্য বস্তু যি দিয়া হৈছে সেই বিলাকৰ পইচা লোৱা হোৱা নাই বাকী বা ঋণ পদ্ধতিতহে দিয়া হৈছে।

Shri Maneswar Boro—কিমান লাখ দিয়া হৈছে ?

Shri Mahendra Mohan Choudhury—বিচাৰি দিব পাৰিম।

Shri Maneswar Boro—এই যে চাউল পঠিওৱা হয় সেই চাউল এজন ঠিকাদাৰৰ হাতলৈহে পঠিওৱা হয় সেইটো সঁচা নেকি ?

Shri Mahendra Mohan Choudhury—তাত কিমান চাউল যোগান ধৰা হৈছে বা অন্যান্য যি খাদ্য বস্তু যোগান ধৰা হৈছে সেই বিলাক Air-dropping ৰে Supply কৰা হয়, আমাৰ চৰকাৰৰ Supply Deptt. য়ে Military Deptt. ক এই দায়িত্ব দি দিয়ে।

Shri Lalchunga Chinzah—Sir, is it a fact that the D. C. Mizo Hills has asked the Govt. of India to sanction Rs. 1,40,00000 to meet this situation.

Shri Joy Bhadra Hagjer—Yes. it is a fact.

Shri Mahendra Mohan Choudhury, ( Chief Minister )—The cost may go to more than Rs. 1,40,00000.

Shri Lalchunga Chinzah—Sir, the cyclone occured on the 13th of November but why the demand has been made now and how the people had beed looked after during that period ?

Shri Mahendra Mohan Choudhury—Sir, we have got the authority from the Govt. of India to supply ration on credit to the affected people in Mizo Hills and in pursuance of that authority Govt. is going on air dropping food in those areas. Air dropping is done from Silchar. There has been a separate office at Silchar, at Kumbhirgram aerodrome and in that office the supply is stocked and from that every day, I think to the extent of five airplane loads, foodstuff are dropped into those areas.

Shri Lalchunga Chinzah—Sir, is it a fact that supply of foodstuff in the Mizo Hills has been carried on in normal course ever since the disturbance in the district and is it not a fact that after the cyclone the district authorities have not taken any drastic step.

Shri Mahendra Mohan Choudhury—Sir, all steps have been taken to meet the situation and we are trying to build up buffer stock of foodstuff before the rainy season.

Shri Hiralal Patwary—Sir, the Supply Department is giving foodstuff to the military but where the Supply Department is handing over the foodstuff to the military? Whether it is at Tezpur or at Gauhati.

Shri Mahendra Mohan Choudhury—The supply is given at the Silchar aerodrome and from the Silchar aerodrome the supply is air dropped. Recently I myself and the Finance Minister inspected the area and also inspected the steps taken. We have also been shown round by the military authority.

Shri Dulal Chandra Barua – Though the supply has been made in the name of cyclone affected people the military authority at the instance of the Deputy Commissioner there has not supplied these commodity to P. L. region which is badly affected and for which people are facingstarvation. If, so under what circumstances the Govt. can say. ........

Shri Lalchunga Chinzah—Sir, as the honourable Minister, T. A, D. has said the other day that he was not aware of the cyclone is it that the district authority is keeping the Minister-in-charge ignorant of the happenings.

Shri Mahendra Mohan Choudhury—I visited the area after the cyclone and I could understand the gravity of the situation there. The cyclone damaged not only property and foodstuff but standing crops were also badly damaged.

Re : Pushing out of people from P. L. Region by Security Forces

Shri Lalchunga Chinzah asked :

*306. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that some population of Pang, Bawns and Zlan clans of P. L. Region have been pushed out into Pakistan by the security forces ?

(b) If so, whether there is any proposal to bring them back ?

(c) If not, whether there will be any further similar expulsion from the State ?

Shri Mahendra Mohan Choudhury (Chief Minister) replied :

306. (a)—No. But some people of Pang, Bawn and Zlan communities residing in the western belt under P. L. Region in Mizo District left for East Pakistan voluntarily when the security forces started operation against M. N. F. rebels in that area.

(b) & (c)—There is no proposal to bring them back but the permanent residents of Mizo District may come back. There is no question of expelling any Indian citizen.

Shri Lalchunga Chinzah—Sir, may I say that the fact had been brought to the notice of the Govt. by me personally during the time of the late Chief Minister Shri Chaliha and if these families, more than 500 in number had to leave and cross into Burma and Pakistan for the excess Committed by the security forces, will it not be possible for the Govt. of Assam to see that these people, who were permanent residents, can come back ?

Shri Mahendra Mohan Choudhury—There is no difficulty for any Indian citizens who migrated to East Pakistan when the Security Forces started operation against M. N. F. to come back to their permanent residences provided they will have to their permanent residences provided they will have to see that peace and security of the border area is maintained.

### দিচাং নদীৰ মথাউৰী

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*৩০৭। মাননীয় বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) চাচনী মৌজাৰ দিচাং নদীৰ এটা পাৰে মথাউৰী নোহোৱাৰ বাবে এগাল খেতিয়ক জনসাধাৰণৰ যি দুৰ্গতি হৈছে তাক বাৰে বাৰে জনাই অহা স্বত্বেও চৰকাৰে মনোযোগ দিয়া নাই।

(খ) এই মথাউৰী এই বছৰৰ ভিতৰতে নিৰ্ম্মাণ কৰাৰ ব্যৱস্থা কৰিব নে?

বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী শ্ৰীচৈয়দ আহমদ আলিয়ে উত্তৰ দিছে:

৩০৭। (ক)—চৰকাৰে মনোযোগ দিছে। মথাউৰীটোৰ বাবে এটা প্ৰাক্কলন (estimate) তৈয়াৰ কৰা হৈছে।

(খ) এই বছৰত কাম হাতত লব পৰা নহব।

**Re :** Establishment of Dak-Bungalow at Dergaon

Shri Narendra Nath Sarma asked :

*308. Will the Minister-in-charge of Public Works Department (Roads and Buildings) be pleased to state—

(a) Whether the questioner wrote a letter to the Minister regarding the establishment of a new Dak-Bungalow in the Trunk Road side at Dergaon or for extension of Dergaon Dak-Bungalow ?

(b) Whether the Minister was pleased to assure the questioner to consider the above proposal ?

(c) If so, the steps taken by Government in this regard ?

Shri Altaf Hossain Mazumder [Minister, Public Works Department (Roads and Buildings)] replied :

308. (a)—Yes, for improvement of the existing Inspection Bungalow by addition of one more room.

(b)—Yes.

(c)—The existing Inspection Bungalow at Dergaon has three rooms with necessary furniture, utensils and other amenities. The question of construction of another room is not considered necessary at present.

Re : Collection of Prawn

Shri Maneswar Boro asked :

*309. Will the Minister-n-charge of Fisheries be pleased to state—

(a) Whether it is a fact that the Government had collected prawn from Brahmaputra in different centres during 1970 ?

(b) If so, the names of the centres ?

(c) The number of prawn so collected by the Government during 1970 and the number stocked in different places in the State ?

(d) Whether it is a fact that the Government has induced breeding of fishes ( by injecting fishes with pituitary hormone ) ?

(e) If so, what quantity of pure eggs of fishes of different kinds have been procured during 1970 by this method ?

Shri Mahendra Nath Hazarika ( Minister, Fisheries ) replied :

309. (a)—If the Hon'ble Member refers about collection of prawn, Government have no such scheme. If the Hon'ble Member refers about collection of spawn, the reply is 'Yes'.

(b)—Dhubri and Gauhati.

(c)—315·63 lakhs spawns were collected. Out of this quantity, 100 lakhs spawn were stocked in different nurseries of the State.

(d)—Yes.

(e)—318 lakhs fertilised eggs have been procured during

1970. Out of these eggs 259 lakhs eggs are hatching or spawn of Bahu, Rahu, Migral, Mali, Kushi fish.

শ্ৰীমনেশ্বৰ বড়ো—অধ্যক্ষ মহোদয়, মাছৰ কণীৰ হিচাবটো আমাৰ মন্ত্ৰী ডাঙৰীয়াই দিছে। এনে কিবা যন্ত্ৰ আছে নেকি যে, মাছৰ কণী হিচাব কৰা হয় আৰু যদি আছে সেই যন্ত্ৰটোৰ নাম কি আৰু দাম কিমান ?

শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকা—আমাৰ মাছ জোখা বাচন আছে। এই বাচনৰ পৰা সহজে ধৰিব পাৰি যে ইয়াত কিমান কণী আছে। সেই বাচনৰ দ্বাৰা কনী কিমান আছে তাৰ হিচাব কৰা হয়।

শ্ৰীমনেশ্বৰ বড়ো—অধ্যক্ষ মহোদয়, এই মাছৰ পোনা বিলাক বিক্ৰি কৰা হৈছে নেকি ? যদি হৈছে কিমান টকা চৰকাৰে পাইছে ?

শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকা—কিমান পোনা বিক্ৰি কৰা হৈছে তাৰ হিচাব ইয়াত নাই। কিন্তু নাৰ্চাৰী বিলাকত কিমান পোনা দিয়া হৈছে তাৰ হিচাব ৰখা হৈছে। কিমান পোনা বিক্ৰি কৰা হৈছে সেইবিলাক দৰকাৰ হলে পাছত জনাম।

শ্ৰীহীৰালাল পাটোৱাৰী—মন্ত্ৰী মহোদয়ে কৈছে যে, ৩ কোটি ১৮ লাখ মাছৰ পোনা মৰিছে। এতিয়া মই জানিব বিচাৰো যে, কিমান বাচিল ?

শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকা—অধ্যক্ষ মহোদয়, মাছৰ মৃত্যুৰ হাৰ বেচি। প্ৰায় শতকৰা ৯০ ভাগ মাছ মৰে। বৰ্ত্তমানৰ যিটো অৱস্থা তাত মাছৰ মৃত্যুৰ হাৰ কমিছে। পকা নাৰ্চাৰীত প্ৰায় শতকৰা ৬০ ভাগ জীয়াই থাকে। পকা নথকা নাৰ্চাৰীত কেকোৰা, সাপ আদিয়ে মাছ খায় নষ্ট কৰে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—অধ্যক্ষ মহোদয়, এই নাৰ্চাৰী বিলাকৰ পৰা যিবিলাক ৰৌ, মিৰিকা আদি Breed কৰা হয় তাৰ পৰা দেখা যায় যে, ব্যক্তিগত ফিচাৰী বা পঞ্চায়তত ৰৌ, মিৰিকা মাছৰ ঠাইত প্ৰায় চেলেকনা মাছ হয়—এইটো কথা চৰকাৰে জানে নেকি ?

শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকা—যিবিলাক কৃত্ৰিম উপায়ে উৎপন্ন কৰা হয় তাত কোনো চেলেকনা মাছৰ পোৱালী নাথাকে কিন্তু নদীৰ পৰা যিবিলাক ধৰা হয় তাত বিভিন্ন মাছৰ পোনা মিহলি হৈ থাকে। অৱশ্যে তাত চেলেকনা মাছ থাকিব পাৰে।

শ্রীকামিনী মোহন শৰ্ম্মা—মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, মাছৰ কণী আনি মাছৰ পোনা কৰাৰ ব্যৱস্থা কৰিছে—ইয়াৰে প্ৰায় ৯০ ভাগ কণী নষ্ট হৈ যায়। বাকী ১০ ভাগবো চেলেকনা, দনিকদা মাছ হয়। এই ৯০ ভাগৰ পৰা চৰকাৰৰ কিমান লোকচান হয়?

শ্রীমহেন্দ্র নাথ হাজৰিকা—ইয়াত লোকচানৰ কথা নাই। ইয়াত Induced breeding ত ৩ কোটি ১৮ লাখ কণী উৎপন্ন হৈছে তাৰে ২ কোটি ৫৯ লাখ পোৱালী আমি পাইছো। এই বিলাক বিভিন্ন ঠাইত দিয়া হৈছে।

শ্রীশৈলেন মেধি—অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে ২ কোটি ৫৯ লাখ মাছৰ কণী হৈছে। আমাৰ খবৰ মতে ২ কোটি ৬৫ লাখ কণী হৈছে। ইয়াত ৬ লাখ কণী কম হৈছে। এই কণীৰ অনুসন্ধান কৰিবনে?

শ্রীমহেন্দ্র নাথ হাজৰিকা—আমাৰ Record মতে ২ কোটি ৫৯ লাখৰ হিচাব আছে।

শ্রীশৈলেন মেধি—মুঠতে ২ কোটি ৬৫ লাখ কণীৰ ভিতৰত ৬ লাখ কণী কলৈ গ'ল তাৰ অনুসন্ধান কৰিব লাগে।

শ্রীমহেন্দ্র নাথ হাজৰিকা—এইটো অনুসন্ধান কৰি চোৱা হব।

### কপিলী নদীৰ মথাউৰি

শ্রীপিটসিং কোঁৱৰে সুধিছে:

* ৩১০। মাননীয় বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) নগাওঁ জিলাৰ কপিলী নদীৰ দক্ষিণ পাৰে এটি মথাউৰি চৰকাৰৰ দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাৰ ভিতৰতে তৈয়াৰ কৰাটো সঁচা নে?

(খ) এই কপিলী নদীৰ দক্ষিণ পাৰৰ মথাউৰিটোৰ এটি অংশ ডিমালৰ পৰা আমিন্সীঘাটলৈ আৰু কিলিং নদীৰ দক্ষিণ পাৰে মথাউৰি বন্ধাৰ কাম অসম্পূৰ্ণ হৈ থকাটো সঁচা নে?

(গ) এই মথাউৰিটো সম্পূৰ্ণ কৰিবৰ বাবে নগাওঁ জিলাৰ বান-নিয়ন্ত্ৰণ বিভাগৰ ইঞ্জিনিয়াৰে ২৷৩ বছৰৰ আগতে অৰ্থ মঞ্জুৰীৰ কাৰণে আৱশ্যকীয় তথ্য-পাতি দাখিল কৰাৰ কথা চৰকাৰে জানে নে?

(ঘ) যদি জানে তেনেহলে আজিলৈকে এই কামটো কিয় হৈ নুঠিল?

(ঙ) এই মথাউৰিটো বন্ধাৰ কাম অসম্পূৰ্ণ হৈ থকাৰ কাৰণে নগাৱঁৰ উত্তৰ

খোলা মৌজাৰ আৰু অন্যান্য ঠাইত প্ৰায় বানপানী হৈ ৰাইজৰ খেতি-ফচল বিনষ্ট কৰাৰ কথা চৰকাৰে জানে নে ?

(চ) যদি জানে তেনেহলে এই কামখিনি সম্পূৰ্ণ কৰিবৰ বাবে চৰকাৰে আশু ব্যৱস্থা গ্ৰহণ কৰিব নে ?

বান-নিয়ন্ত্ৰণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীচৈয়দ আহমদ আলীয়ে উত্তৰ দিছে :

৩১০। (ক)—হয়।

(খ)—আঁচনি মতে কপিলী নদীৰ মথাউৰিটো কিলিং আৰু কপিলী নদীৰ সংযোগস্থললৈকে আছিল। গতিকে আঁচনিটো অসম্পূৰ্ণ হৈ থকা বুলি কব নোৱাৰি। কিলিং নদীৰ সোঁপাৰেদি যিটো মথাউৰিৰ বাবে জৰিপ কৰা হৈছে সেইটো কপিলী মথাউৰি য'ত শেষ হৈছে তাৰ পৰা আৰম্ভ হৈ গোপালকৃষ্ণ চাহ বাগিচাত শেষ হব।

(গ)—হয়। ওপৰত উল্লেখিত কিলিং নদীৰ সোঁপাৰৰ মথাউৰিটোৰ বাবে এচ্টিমেট কৰা হৈ গৈছে আৰু বৰ্ত্তমান পৰীক্ষাধীন।

(ঘ)—টকাৰ অভাবৰ বাবেই কামটো হাতত লব পৰা হোৱা নাই।

(ঙ)—হয়।

(চ)—বৰ্ত্তমান ব্ৰহ্মপুত্ৰ আয়োগৰ টকাৰ বৰ নাটনি হৈছে। যথেষ্ট টকাৰ মঞ্জুৰী পালে কামটো হাতত লোৱা টান নহব।

Re : Appointment of Field Workers

Shri Lalchunga Chinzah asked :

*311. Will the Minister-in-charge of Soil Conservation be pleased to state—

(a) Whether it is fact that some few applications of local boys recommended by the Minister-in-charge and by the local M. L. A. for appointment as Field Workers ( IV Grade under the Soil Conservation Division at Lungleh ) were forwarded by the Director for consi-

deration against existing vacancies ?

(b) If so, whether the Department is aware that these applications have been ridiculed by the Head Assistant of that Division and also passed abusing remarks against the Minister and the M. L. A. and assailed the Director for forwarding such applications ?

(c) Whether it is a fact that the applications have been refused appointment ?

(d) If so, whether the Department is aware that this Head Assistant is keeping two other candidates in his house and is trying to appoint them in the vacancies ?

(e) Will the Department investigate into this and take appropriate action against the person concerned for defying higher authorities ?

Shri A. Thanglura ( Minister, Soil Conservation ) replied :

311. (a)—Yes. Three applications recommended by the Questioner have been sent to the Divisional Soil Conservation Officer, Lungleh for appointment against existing vacancies, if any.

(b)—It is gathered that neither any applicant was ridiculed nor any abusing remark passed against anyone by any Office Assistant.

(c)—The three applicants have not been appointed as yet as there are no vacancies.

(d) As there are no vacancies the question does not arise.

(e)—In view of the reply to question (b) above the matter of investigation is not required. Appropriate

action will however be taken against any person for defying orders of the superior authority or when nepotism is practised.

তামুলপুৰ সমষ্টিৰ ৰাস্তা আৰু দলং সাজিবৰ বাবে দিয়া মঞ্জুৰী

শ্ৰীমনেশ্বৰ বড়োৱে সুধিছে :

* ৩১২ । মাননীয় জনজাতীয় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) ১৯৭০ ইং চনত তামুলপুৰ সমষ্টিৰ বাবে ৰাস্তা, দলং আদি সাজিবৰ বাবে চৰকাৰে ( Under Art. 275 ) ফাণ্ডৰ পৰা ১.৫০ লাখ টকা মঞ্জুৰী দিয়া হৈছে, এই কথা চৰকাৰৰ মনত পৰে নে ?

(খ) ১৯৭০ ইং চনত প্ৰশ্ন কৰোতাজনে এই ১.৫০ লাখ টকাৰ কিমানটা ৰাস্তাৰ স্কিম চৰকাৰৰ হাতত দিছিল আৰু কোন কোন ৰাস্তাৰ নামত কিমান টকা ধৰি দিয়া হৈছিল ?

(গ) এই আঁচনিৰ ৰাস্তাবোৰ চাৰ্ভে কৰিবলৈ চৰকাৰে নিৰ্দ্দেশ দিছে নে, যদি দিছে কোন কোন ৰাস্তাৰ চাৰ্ভেৰ বাবে নিৰ্দ্দেশ দিছে ?

(ঘ) এইটো কথা চৰকাৰে জানে নে যে প্ৰশ্ন কৰোতাজনে দিয়া আটাইবোৰ ৰাস্তাৰ চাৰ্ভেৰ নিৰ্দ্দেশ চৰকাৰে দিয়া নাই ?

(ঙ) যদি দিয়া নাই, ইয়াৰ কাৰণ কি ?

পিচপৰা সম্প্ৰদায়ৰ কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰীৰণেন্দ্ৰ বসুমতাৰীয়ে উত্তৰ দিছে :

৩১২ । (ক)—হয়, মনত পৰে ।

(খ)—৫টা ৰাস্তাৰ নাম পোৱা হৈছিল । তলত ৰাস্তাৰ নাম আৰু টকাৰ পৰিমাণ উল্লেখ কৰা হ'ল—

১। নাগ্ৰীজুলি খানডোঙা ৰাস্তাৰ কাম সম্পূৰ্ণ কৰা— ২৫,০০০ টকা ।

২। বেলবাৰী, টেবিটলা, মাটিগাওঁ, কাউলি ৰাস্তাৰ কাম সম্পূৰ্ণ কৰা— ২৫,০০০ টকা ।

৩। টেবিটলা, দৈমাৰী ৰাস্তাৰ কাম সম্পূৰ্ণ কৰা—২৫,০০০ টকা ।

৪। জামুগুৰী আমবাৰী ৰাস্তাৰ কাম সম্পূৰ্ণ কৰা—৩০,০০০ টকা ।

৫। মাছদিয়া, চেচাপানী ৰাস্তাৰ কাম সম্পূৰ্ণ কৰা—৩০,০০০ টকা।

(গ)—ওপৰত উল্লেখ কৰা আটাইকেইটা ৰাস্তাৰ বাবে উত্তৰ কামৰূপৰ কাৰ্য্যবাহী অভিযন্তাক ৰাস্তাৰ চাৰ্ভে কৰি আঁচনি দিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। ইতিমধ্যে ৫ নম্বৰত উল্লেখ কৰা ৰাস্তাটোৰ আঁচনি এপ্ৰিল মাহৰ পহিলা সপ্তাহত পোৱা হৈছে আৰু ইয়াক অনুমোদন কৰাৰ যথাবিহিত ব্যৱস্থা হাতত লোৱা হৈছে।

(ঘ)—আৰু (ঙ)—ওপৰৰ (গ)— অংশত দিয়া, উত্তৰটোত বিৱৰণ দিয়া হৈছে।

### ৰাস্তা আৰু দলং সাজিবৰ বাবে টকা মঞ্জুৰী

শ্ৰীমনেশ্বৰ বড়োৱে সুধিছে :

* ৩১৩। মাননীয় জনজাতীয় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) ১৯৬৯ ইং চনত তামুলপুৰ সমষ্টিত ৰাস্তা, দলং আদি সাজিবৰ কাৰণে চৰকাৰে ( Under Art. 275 ) ফাণ্ডৰ পৰা ১·৯০ লাখ টকাৰ মঞ্জুৰী দিয়াৰ কথাটো সঁচা নে ?

(খ) ১৯৬৯ ইং চনত প্ৰশ্নকৰোতাজনে চৰকাৰক দিয়া ১·৯০ লাখ টকাৰ ৰাস্তাৰ আঁচনিবোৰ পাইছে নে ?

(গ) যদি পাইছে, কেইটা ৰাস্তাৰ আঁচনি পাইছিল আৰু কোন ৰাস্তাৰ নামত কিমান টকা ধৰি দিয়া হৈছিল ?

(ঘ) সেই ৰাস্তাৰ আঁচনিবোৰ (Plan and Estimates ) আজিও চৰকাৰে নোপোৱাৰ কথা সঁচা নেকি ?

(ঙ) যদি সঁচা হয়, ইয়াৰ কাৰণ কি ?

(চ) এইটো কথা চৰকাৰে জানে নে যে এই ১·৯০ টকাৰ আঁচনিৰ ৰাস্তা-বোৰৰ মঞ্জুৰী আজিও হোৱা নাই আৰু এই আঁচনিৰ কোনো ৰাস্তাৰ কাম আৰম্ভ হোৱা নাই ?

(ছ ইয়াৰ কাৰণে দায়ী কোন, সদনত জনাব নে ?

পিচপৰা সম্প্ৰদায়ৰ কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰীৰণেন্দ্ৰ বসুমতাৰীয়ে উত্তৰ দিছে :

৩১৩। (ক)—সঁচা।

(খ) পোৱা হৈছে।

(গ)—মুঠ ৬টা ৰাস্তাৰ আঁচনি লোৱা হৈছিল। ৰাস্তাৰ নাম আৰু টকাৰ পৰিমাণ তলত দিয়া হ'ল—

১। বৰিমখা-টেবিটলা গাঁৱৰ পৰা জালাহ বিলাকাট, নাগ্ৰীজুলি গড়কাপ্তানি ৰাস্তালৈ— ২০,০০০ টকা।

২। মাজুগাৰীয়া, টেৰিটলা, কাউলী গড়কাপ্তানি ৰাস্তা—১,১০,০০০ টকা।

৩। তামুলপুৰ, ধমধমা গড়কাপ্তানি ৰাস্তাৰ পৰা কুমাৰীকটা বজাৰলৈ—৩০,০০০ টকা।

৪। কুমাৰীকটা বজাৰৰ পৰা নাগ্ৰীজুলিলৈ আৰু তাৰ পৰা জালাহ গড়কাপ্তানি ৰাস্তালৈ— ১০,০০০ টকা।

৫। টেঙাঝাৰৰ পৰা তামুলপুৰ—গৰেশ্বৰ গড়কাপ্তানি ৰাস্তালৈ— ১০,০০০ টকা।

৬। গোপালপুৰ ঘাটৰ পৰা লটিবাৰী ৰডিয়া গড়কাপ্তানি ৰাস্তালৈ—১০,০০০ টকা।

(ঘ)—ওপৰত ১ নম্বৰত উল্লেখ কৰা ৰাস্তাটোৰ নিৰ্মাণৰ কাম আৰম্ভ হৈ গৈছে। ২নং, ৩নং, ৪নং, আৰু ৬ নম্বৰত উল্লেখ কৰা ৰাস্তা কেইটাৰ আঁচনিবোৰ যোৱা মাৰ্চ্চ মাহৰ শেষৰ সপ্তাহত আৰু এপ্ৰিলৰ পহিলা সপ্তাহত গড়কাপ্তানি বিভাগৰ পৰা পোৱা হৈছে আৰু সেইবোৰ অনুমোদন কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে। ৫ নম্বৰত উল্লেখ কৰা ৰাস্তাটোৰ আঁচনি এতিয়াও পোৱা হোৱা নাই।

(ঙ)—আৰু (চ)—ওপৰৰ (ঘ)—অংশত দিয়া উত্তৰটোতেই সকলোখিনি কোৱা হৈছে।

(ছ)—এই বিষয়ে চৰকাৰে তদন্ত কৰিব।

Re : Dhemaji Block Development Officer

Shri Nameswar Pegu asked :

*314 Will the Minister-in-charge of Panchayat and C. D. be pleased to state—

(a) Whether it is a fact that the President, Dhakuakhana Anchalik Panchayat in Dhemaji submitted a complaint petition, dated 25th March, 1971, against the Block Development Officer, Dhakuakhana for wasting public money under Rural Development ?

(b) If so, Whether the allegation has been enquired into

and if so, the findings there of ?

(c) If not, why not ?

Shr Devendra Nath Hazarika (Minister of State for Panchayat and C. D.) replied :

314. (a)—Yes.

(b) & (c)—Allegations are being enquired into by the Sub-divisional Officer, Dhemaji. The Enquiry report has not yet been submitted to Government.

Re : Science College at Jorhat

Shri Dulal Chandra Barua asked :

*315. Will the Chief Minister be pleased to state

(a) Whether the Government has finalised any scheme for the construction of the buildings, etc., for the Science College at Jorhat ?

(b) If so, whether any scheme has so far been executed ?

(c) If not, why ?

Shri Mahendra Mohan Choudhury (Chief Minister) replied :

315. (a)—Yes. A Master Plan for the construction of the buildings for the Science College has been finalised.

(b)—Yes. Construction works of the Boys' hostel and Diversion roads are progressing well. Administrative approval for construction of some Assam type structures has also been accorded recently for execution by the P. W. D., so that the college can function in the site without much delay.

(c)—Does not arise in view of replies at (a) and (b) above.

কৃষি বান্ধ

শ্ৰীপিটসিং কোঁৱৰে সুধিছে :

*৩১৬। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) নগাওঁ জিলাৰ মায়াং আঞ্চলিক পঞ্চায়তৰ এলেকাত ১৯৬৬ চনত তলত উল্লেখ কৰা কৃষি বান্ধ কেইটা আঞ্চলিক পঞ্চায়তৰ ১।৩।৬৬ তাৰিখৰ প্ৰস্তাৱ মতে নিৰ্মাণ কৰিবলৈ দিয়াটো সঁচা নে ?

বান্ধৰ নাম—(১) আমজাৰী গোপ বান্ধ, (২) কুঠৰী ডাং পথাৰ, (৩) শালমাৰী পাত্ৰবৰী, (৪) খিলভেটা গোভালীগাওঁ, (৫) হাটীহোলা বান্ধ, (৬) বৰবৰী বেলৰে, (৭) ভেকাৰ গাওঁ বান্ধ, (৮) বৰঘাট তেতেলীয়া, (৯) বৰীশাল, (১০) চপনাডং, (১১) মকৰীয়া ডোং, (১২) খাৰবিল বাংঠাই গাওঁ।

(খ) ওপৰত উল্লেখ কৰা কৃষি বান্ধ কেইটা নিৰ্মাণ কৰাৰ বাবদ চৰকাৰে দিব-লগীয়া ধনভাগ কেইটা ৰাইজক দিয়া হ'ল নে নাই ?

(গ) যদি দিয়া নাই তেনেহলে কিয় দিয়া হোৱা নাই ?

(ঘ) ওপৰত উনুকিয়া বিষয়টো অনতিপলমে তদন্ত কৰি ৰাইজক চৰকাৰৰ ধনভাগ ফেৰা দিয়াৰ ব্যৱস্থা কৰিব নে ?

পঞ্চায়ত বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীদেবেন্দ্ৰ নাথ হাজৰিকাই উত্তৰ দিছে :

৩১৬। (ক)—হয়, সঁচা।

(খ)—উল্লেখ কৰা বান্ধ কেইটাৰ ভিতৰত ৬ ( ছয়টা বান্ধ ) বান্ধ সম্পূৰ্ণ হোৱাত প্ৰাপ্য টকা দিয়া হৈছে।

(গ)—উক্ত ছয়টা বান্ধৰ বাহিৰেও ভেকাৰ গাওঁ বান্ধটো সম্পূৰ্ণ হোৱা বুলি খবৰ পোৱা হৈছে আৰু পুঁজিৰ অভাৱত টকা দিয়া হোৱা নাই। বাকী ৫ (পাচ) টা বান্ধৰ কাম সম্পূৰ্ণ নোহোৱাত টকা দিয়া হোৱা নাই।

(ঘ)—অন্তৰ্বৰ্ত্তী হিচাব পৰীক্ষকৰ হতুৱাই গোটেই কথাখিনি তদন্ত কৰা হৈছে আৰু উক্ত তদন্তৰ সাপেক্ষে চৰকাৰে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিব আৰু কাম সম্পূৰ্ণ হলে প্ৰাপ্য টকা দিয়াৰ ব্যৱস্থা কৰা হব।

Re : Bridge over Hakua River

Mrs. Pranita Talukdar asked :

*317. Will the Minister-in-charge of P. W. D. (R. & B.) be pleased to state

(a) Whether the bridge over the Hakua river will be constructed immediately ?

(b) Whether the Government consider the necessity of constructing the said bridge ?

Shri Altaf Hossain Mazumder [ Minister, P.W.D. (R. & B.)] replied :

317. (a)—This bridge was not recommended by the M. L. A. Sub-committee of Barpeta within the limit of allocation. It could not also be included in the list of State Level Major Bridge Schemes during the Fourth Plan due to limitation of funds.

(b)—Unless fund position improves it is not possible to take up even if it is considered necessary.

### বিদেশীৰ সামগ্ৰী আটক

শ্ৰীশৰৎ চন্দ্ৰ বাভাই সুধিছে :

*৩১৮। माननीয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে, যোৱা ১৯৭০ চনৰ ১ জানুৱাৰীৰ পৰা ১৯৭১ চনৰ ২৮ ফেব্ৰুৱাৰীলৈকে অসমত কিমান লাখ টকাৰ বিদেশী সামগ্ৰী চৰকাৰে আটক কৰিছে আৰু কি কি আৰু কিমান লাখ বিদেশী মুদ্ৰা ধৰা পেলাইছে ?

মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে :

৩১৮।—যোৱা ১৯৭০ চনৰ ১ জানুৱাৰীৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈকে অসমত প্ৰায় ৩,৮৭,৭৩০ টকা মূল্যৰ বিদেশী সামগ্ৰী চৰকাৰে আটক কৰিছে আৰু সেইবোৰ হ'ল যেনে—ঘড়ী, সোণ, বস্ত্ৰ আৰু আন আন মালবস্তু। ইয়াৰ বাহিৰেও প্ৰায় ১,২৫, ০৫৩ টকা মূল্যৰ বিদেশী মুদ্ৰা ধৰা পেলোৱা হৈছে।

### Re : Billeswar Temple

Dr. Bhumidhar Barman asked :

*419. Will the Minister-in-charge of Revenue be pleased to state—

(a) Whether it is a fact that the Government directed the

Deputy Commissioner, Kamrup to pay Rs. 3,792·12 to Billeswar Temple Authority as Land Compensation for acquisition of land for pipe line (vide letter No. RRG.53/62/67A, dated 13th March 1964, from Deputy Secretary, Revenue) ?

(b) Whether it is also a fact that Land Acquisition Officer, Kamrup, paid only Rs. 3,472·12 to Temple Authority vide his letter No. RQ. 12711/68, dated 16th December 1968 ?

(c) If so, the reasons thereof ?

Shri Paramananda Gogoi (Minister of State for Revenue) replied :

319. (a) – Yes.

(b) – Yes.

(c) – The short payment was due to mistake.

Re : Free Studentship

Shri Lalchunga Chinzah asked :

*320. Will the Minister-in-charge of Education be pleased to state -

(a) Whether it is a fact that free studentship have been granted to Hill Tribal students in High Schools in the State ?

(b) If so, why scholarship holders of Lungleh Government High School have been required to clear their monthly tuition fees ?

(c) Whether Government propose to re-imburse the tuition and other fees already paid by them in view of the fact that other students of the same school are given

free education ?

Shri Sarat Chandra Goswami ( Minister of State for Education ) replied :

320. (a)—Yes, except scholarship holders who are in receipt of Central or State Scholarship, the value of which include tuition fees.

(b)—Since scholarship holders are not eligible for free tuition, they are required to pay monthly tuition fees.

(c)—Does not arise in view of (a) and (b) above.

Re : Number of de-recognised High Schools

Shri Surendra Nath Das asked :

*321. Will the Minister-in-charge of Education be pleased to state—

(a) The number of the de-recognised High Schools in the State ?

(b) What is the principle adopted for de-recognising of Schools ?

(c) Who is the competent authority to de-recognise the Schools ?

Shri Sarat Chandra Goswami ( Minister of State for Education ) replied :

321. (a)—One hundred and ninety High Schools excluding Meghalaya.

(b)—The Board of Secondary Education, Assam. de-recognises a School, if the percentage of Pass in the H. S. L. C. Examination for three consecutive years ( three years taken together ) is below 30 who on the basis of the number of students appeared in the Test Exa-

minations (not sent up to or appeared in the final Examination).

(c)—The Board of Secondary Education, Assam.

## UNSTARRED QUESTIONS AND ANSWERS

(To which replies were laid on the table)

Md. Matlebuddin asked :

57. Will the Minister, Education be pleased to state—

(a) How many new candidates for teacherships under the erstwhile Elementary Education Board for Mangaldoi have been appointed either in the deputation vacancies or otherwise during the year 1967, 1968 and 1969 ?

(b) Whether it is a fact that most of the teachers so appointed have, in batches, been discharged suqsebuently ?

(c) If so, on what ground or grounds ?

(d) Whether it is a fact that some of those teachers so appointed are still in service ?

(e) If so, who are they and what are their qualifications ?

Shri Sarat Chandra Goswami (Minister of State for Education) replied :

57. (a)—Elementary Education Board, Mangaldoi appointed 277 teachers in 1967, 7 in 1968 and 87 teachers in 1969.

(b)—Out of the 180 non-deputation appointments made in 1967, 119 teachers were subsequently discharged.

(c)—For want of posts.

(d)—Yes, out of the 180 don-deputation appointments made in 1967, 61 teachers were retained apart from the 7

teachers appointed in 1968 and 8 teachers appointed in 1969 against permanent vacancies.

(e)—Names and qualifications of the 76 teachers mentioned in (d) above are furnished in a statement placed on the table of the House.

Re : Construction of Borahi Chonkola Ali

Shri Narendra Nath Sarma asked :

58. Will the Minister, P. W. D. ( R. & D. ) be pleased to state—

(a) Whether it is a fact that the Minister and the Department received a representation from the public of Khumtai of Golaghat for construction of Borahi-Chonkola Ali ?

(b) If so, whether the aforesaid road was included in the original list of road projects for 4th Five Year Plan ?

(c) If so, whether it is also a fact that the said road could not be taken due to non-availability of fund ?

(d) Whether the Plan and Estimate of the roan have already beed prepared and if so, the total estimated cost ?

(c) Whether the Government propose to take steps to construct the road immediately ?

Shri Altaf Hossain Mazumder, Minister, P. W. D. (R. & B.) replied.

58. (a)—Yes.

(b)—Yes. But subsequently this scheme has not been selected by the M.L.A., Sub-Committee for taking up under 4th Five Year Plan.

(c) In view of (b\ above does not arise.

(d)—No. The estimate was not prepared since ultimately the project was not recommended for inclusion in the 4th Five Year Plan by the M. L. A. Sub-Committee.

(e)—Does not arise in view of (d) above.

Re : Savings under the P. W. D. (R.&B.) in Abhayapuri Constituency

Shri Kandarpa Narayan Banikya asked :

59. Will the Minister, P. W. D. ( R. & B. ) be pleased to state—

(a) Whether it is a fact that Government has received proposal to divert the savings under the works of P. W. D., Abhayapuri Constituency ?

(b) If so, what are the proposals ?

(c) Whether works as requested by the Local M. L. A. are in progress ?

(d) If not, why not ?

(e) Whether the works will be completed before the coming rainy season ?

Shri Altaf Hossain Mazumder [ Minister, P.W.D. (R.&B.)] replied :

59. (a)—No such proposal appears to have been received by the Government.

(b)—Does not arise.

(c)—Yes.

(d)—Does not arise in view of reply on (c) above.

(e)—These works are taken up under Five Year Plan and as such it is expected that these works will be completed within the plan period.

Re : পথ আৰু গৃহ নিৰ্মাণৰ অৰ্থ মঞ্জুৰি

শ্ৰীমহীধৰ পেগুৱে সুধিছে :

৬০ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই কথা সঁচানে যে, যোৰহাট গড়কাপ্তানী ( পথ, গৃহ ) সংমণ্ডলৰ অধীনত চতুৰ্থ পঞ্চ-বাৰ্ষিকী পৰিকল্পনাত সন্নিবিষ্ট কৰা আৰু যোৱা বছৰত নিৰ্ম্মাণ কৰা ৰাস্তাৰ বাবত এতিয়ালৈকে কোনো অৰ্থ মঞ্জুৰি দিয়া হোৱা নাই ।

(খ) এই কথাওঁ সঁচানে যে, চৰকাৰৰ পৰা অৰ্থ মঞ্জুৰি নোপোৱাৰ বাবেই যোৰহাট গড়কাপ্তানী ( পথ, গৃহ ) বিভাগৰ কাৰ্য্যবাহী অভিযন্তাই কেতিয়াবায়েই আৰম্ভ কৰিব লগীয়া কামো স্থগিত কৰিব লগীয়াত পৰিছে আৰু ফলত পথ নিৰ্ম্মাণ কাৰ্য্য অযথা দীৰ্ঘসূত্ৰী হৈছে ?

(গ) যদি সেয়ে হয়, তেন্তে পৰিকল্পনাত অন্তৰ্ভূক্ত কথাখিনিৰ বিনিময় অৰ্থ মঞ্জুৰি দিয়াত এনে ধৰণৰ অব্যাহিত স্থাবিৰতাৰ কাৰণ কি ?

শ্ৰীআলতাফ হুছেইন মজুমদাৰ ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে ) উত্তৰ দিছে :

৬০ । (ক)—সঁচা নহয় ।

(খ) নহয়, অৱশ্যে যথেষ্ট অৰ্থ মঞ্জুৰি নোপোৱাৰ কাৰণে কোনো কামৰ অগ্ৰগতিত ব্যাঘাত ঘটিছে ।

(গ)—উপৰোক্ত (ক) আৰু (খ) প্ৰশ্নোত্তৰ মতে প্ৰশ্ন নুঠে ।

Re : ঘৰ সজাৰ বাবে আগধন

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

৬১ । মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—.

(ক) যোৱা পাচ বছৰৰ ভিতৰত অসমৰ বিভিন্ন জিলাৰ মুঠ কিমানজন স্কুল এছ,আই,ৰ ঘৰ সজা আগধন বিচৰা আবেদন চৰকাৰে পাইছিল ?

(খ) এই আবেদনকাৰী সকলৰ কিমানজন স্কুল এছ,আই,ক এনে আগধন দিয়া হ'ল ?

(গ) এই ধৰণেৰে ঘৰ সজা আগধন বিচৰা স্কুল এছ, আই, সকলৰ ভিতৰত গোলাঘাটৰ শ্ৰীমহেশ্বৰ বৰগোঁহাই নামৰ স্কুল এছ, আই, এজনেও এই দৰে যোৱা পাচ বছৰৰ ভিতৰত কেইবাবাৰো আবেদন নিবেদন কৰি আছে সঁচানে ?

(ঘ) এইজন এছ, আইয়ে এনে ঘৰ সজা আগধন নোপোৱাৰ কাৰণ কি আৰু কাৰণবোৰ মযিমুৰ কৰি এখেতৰ আবেদনৰ প্ৰতি বিহিত ব্যৱস্থা কৰা হবনে ?

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী ( ৰাজ্যিক পৰ্য্যায়ৰ শিক্ষামন্ত্ৰীয়ে ) উত্তৰ দিছে :

৬১। (ক)—যোৱা পাঁচ বছৰত বিভিন্ন জিলাৰ স্কুল এছ, আই,ৰ পৰা পোৱা ঘৰ সজা আগধন বিচৰা আবেদনৰ সংখ্যা ২৭ জন।

(খ)—উক্ত আবেদনকাৰী সকলৰ ৯ জনক ঘৰ সজা আগধন দিয়া হৈছে।

(গ)—হয়, গোলাঘাটৰ স্কুল এছ, আই শ্ৰীমহেশ্বৰ বৰগোঁহাইৰ পৰা তেনে আবেদন ১৯৬৬ চনত পোৱা হৈছিল।

(ঘ)—উক্ত স্কুল এছ, আই, জনে ঘৰসজা আগধন নোপোৱাৰ কাৰণ হ'ল—

১। তেখেতৰ দৰ্খাস্তখন আৱশ্যকমতে সম্পূৰ্ণ নহয়।

২। সকলো আবেদনকাৰীকে দিবৰ জোখাৰে পুজিৰ অভাৱ। আৱশ্যকীয় কাগজ পত্ৰ সম্পূৰ্ণ কৰি দিলে তেওঁক ঘৰ সজা আগধন দিয়াৰ প্ৰশ্নটো আন আন আবেদনকাৰীৰ লগতে এই বছৰত বিবেচনা কৰা হব।

## Re : Sanskrit Tols

M. Shamsul Huda asked :

62 Will the Minister, Education be pleased to state—

(a) Whether the Sanskrit Tols and the re-organised Senior Madrassas of the State are treated under the same category and head ?

(b) Whether revised scales of pay have been granted to both the Sanskrit Tols and the re-organised Senior Madrassas of Assam.

(c) If not, why discrimination has been made in case of the re-organised Senior Madrassas ?

(d) Whether the re-organised Senior Madrassas also will be granted revised scales of pay ?

(e) (i) If not, why ?

(ii) If so, when ?

Shri Sarat Chandra Goswami (Minister of State for Education ) replied :

62. (a) – Yes.

(b) – No. The revised scale of 1964 was granted to teachers of re-organised Sanskrit Tols only.

(c) – Teachers and staff of re-organised Senior Madrassas were granted the pre-revised scale of 1964 at the time of re-organisation. No discrimination was intended.

(d), (e), (i) and (ii) – The question of revision of the pay scales of the teachers and staff of re-organised Senior Madrassas is under the active consideration of the Government.

Re : Junior Basic and M. E. Schools in the campus of Police Battalion at Dergaon

Shri Narendra Nath Sarma asked :

63. Will the Minister, Education be pleased to state –

(a) Whether there are two junior Basic Schools and one Middle English School in the campus of the Police Battalion at Dergaon ?

(b) Whether the Government is aware that the condition of the Basic School is not good and the School building is in a dilapidated condition ?

(c) Whether it is a fact that the accommodation in the School cannot coup with the demand ?

(d) Whether Government propose to reconstruct the present building of the School in this financial year ?

Shri Sarat Chandra Goswami ( Minister of State for Edu-

cation ) replied :

63 (a)—There are two L. P. Schools in the campus of the Dergaon Police Battalion.

(b)—The condition of the building of one of the L. P. Schools is bad.

(c)—Yes.

(d)—The matter will be considered subject to availability of fund.

Re : Report on Backwardness of Rajbangshi People

Shri Mathura Mohan Sinha asked :

64. Will the Minister, T. A. D, be pleased to refer to reply to Unstarred question No. 30 of 9th April, 1970 and state—

(a) Whether the report of the survey conducted by the Government to assess the backwardness of the Rajbangshi people of Goalpara District has been published ?

(b) If so, what are the main causes of the backwardness enumerated therein ?

(c) Whether Government have taken any concrete measures to remove the causes of backwardness of those people which formed the bulk of the population of the district ?

Shri Ranendra Basumatari ( Minister, Welfare of Backward Classes ) replied :

64. (a)—No. Report is in compilation stage.

(b) & (c)—Do not arise.

Re : Question regarding rebate on raw materials for industries.

Shri Debeswar Sarmah—অধ্যক্ষ মহোদয়, মই এটা বৰ দৰকাৰী বিষয় উল্লেখ কৰিব খুজিছো যিটো উল্লেখ কৰিবলগীয়া হোৱাটো দুৰ্ভাগ্যজনক

কথা বুলি ভাবিছো, এইটো সদনৰ অধিকাৰৰ কথা আৰু ৰাষ্ট্ৰৰ অতি দৰকাৰী কথা। কথাটো হৈছে মই প্ৰশ্ন দিছিলো আৰু সেই বিলাক স্থানীয় বিষয়ৰ কথা নহয়, গোটেই দেশখনৰ দৰকাৰী কথা। তাত কিছু-মান কথা আছিল আৰ্থিক অৱস্থাৰ বিষয়ে, সেই বিলাকৰ উত্তৰ কিছুমানৰ দিছে আৰু দিয়ো নিচেই সৰু সৰু কথা, গোটেই বিলাকৰ উত্তৰ দিয়া নাই। এতিয়া সুদীৰ্ঘ Season টো শেষৰ ফাললৈ আহিল। এই কেইদিনৰ ভিতৰত পাম বুলি আশা কৰিব নোৱাৰি। এইটো এনেকুৱা কথা যে প্ৰশ্ন বিলাকৰ উত্তৰ যাতে দেৰীকৈ আহে তেনেকুৱা এটা কথা হৈছে। উদাহৰণ স্বৰূপে ২৯ আগষ্ট ১৯৬৯ চনৰ Gazette notification হৈছে যে স্থানীয় ব্যৱসায়ীক Raw Materials ৰ ওপৰত Rebate দিয়া হৰ। মই এই প্ৰশ্নটো কৰিছিলো।

Will the Govt. be pleased to state

1. Referring to "Consideration of the objections and suggestion" in the top para of Notification No. FTX. 62/68/69 dated 29th April, 1969 published in the Assam Gazette dated June 29, 1969.
   (a) What were the objections indicated in the Notifications and who raised these ?
   (b) What were the suggestions and who offered these ? Detailed indication is requested.
2. Referring to the Assam Finance (Sales Tax) (Amendment) Rules, 1968,
   (a) What reasons prompted Government to give retrospective effect to these Rules granting "draw back, set off or refund" from 1.1.68 vide Rule 46A (1), read with Rule 1 (2) ?"

বাকীখিনি নপঢ়ো কাৰণ এইটো Para I Section 1 ৰ মতে—The effect was given from 1st January, 1968.

April 29, 1969,,Gazette notification ৰ দ্বাৰা Retrospective

effect দিছে। এই মতে দেখা যাব, আমি অলপ খবৰ পাইছো
যদিও বাকী প্ৰশ্নৰ উত্তৰ অহা নাই। এই বিষয়ে Department লৈ
চিঠি লিখিছিলো, তেতিয়া তেওঁলোকে এই চিঠি লিখি দিছে—

'Moreover, the Commissioner of Taxes is the concerning authority to take up the case of refund/draw back of sales tax. in respect of purchase of raw materials used within the State for manufacture of goods for sale.'

তাত যি বিলাক Figure আছে—তাত দেখা যায় যে Messrs
Metal and Alloys, তিনিচুকীয়াত ১৪ লাখ ৫০ হাজাৰ, ১৮ লাখ
৫০ হাজাৰ, স্বস্তিকাত ১৩ লাখ ৩৭ হাজাৰ, ৪৩ হাজাৰ Chandries ত
১৯ হাজাৰ ১৪ হাজাৰ দিয়া দেখুৱাইছে। কিহৰ কাৰণে এই বিলাক টকা দিয়া
হৈছে জানিব পৰা নাই। মই এই চিঠি পাই, Sales Tax Commissioner লৈ দিছিলো তাৰ যি উত্তৰ দিলে সেইটো চিঠিৰে মোক
দিব নোৱাৰে। তাৰ কপি মই মাননীয় বিত্তমন্ত্ৰীক দিছিলো সোনকালে
উত্তৰ পাম বুলি, কিন্তু তাৰ উত্তৰ নাপালো। কিন্তু কমিশ্যনাৰ Tax য়ে
কি উত্তৰ দিলে সেইটো মই পোৱা উচিত নহয়। তেখেতে ২টা Rule
Quote কৰি দিছে তাৰে এটা Rule মতে মই Criminal Case
কৰিব পাৰো। এই কাৰণে বৰ দিগদাৰ হৈছে। মই ভাবো যদি
বিত্তমন্ত্ৰী দেৱে এই কথাটো পালেহেঁতেন তেনেহলে এনেকুৱা অৱস্থা হবলৈ
নাপালেহেঁতেন।

From Shri P. N. Rau, I. A. S., Commissioner of Taxes.
To, Shri Debeswar Sarma, Jorhat, Assam.

"I have the honour to state that refund/drawback etc. of Sales Tax in respect of raw materials purchased for use in manufacture of goods is at present admissible only under the Assam Finance (Sales Tax) Act, 1956. I am further to point out that the information asked for by you would be available in statements.

ments made in accordance with the said Act and that the disclosure of such information is permitted only in the following circumstances :-

1. For the purpose of a prosecution under the Indian Penal Code or the Prevention of Corruption Act in respect of such a statement or for the purpose of prosecution under the aforesaid 1956 Act ;

2. To an officer of the Central Government/ any State Government as may be necessary for the purpose of enabling such officer to levy or realise any tax imposed by such Govt.

Since it is apparent that the information asked for by you is not required in connection with (2) above, I would request you to conform if the same is required by you for any of the purposes mentioned in (1) above. Necessary steps for furnishing the required information will be taken, if legally permissible, after hearing from you."

অৰ্থাৎ Criminal Proceeding লব পৰা যায়। কোনোবা Industrialist য়ে কাৰোবাক ধৰিলে যদি তেওঁ ১৫ লাখ টকা দিয়ে তেনেহলে তেওঁ সকলো কৰিব পাৰে।

এতিয়া মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই নাজানিব পাৰে আৰু তেখেতে চহী কৰি দিলে আৰু তাৰ পাছত ইয়াত Table ত দিলে Rule হৈ যায়, সেই কাৰণে চাওক কেনেকৈ চলিছে। মই 3 Feb. দিনা Question দিছিলো আজি May ৰ ১৮ তাৰিখ আজিলৈকে উত্তৰ নাহিল। আমাৰ নিচিনা দুখীয়া State ৰ কাৰণে মোৰ প্ৰশ্ন বিলাক বৰ গুৰুত্বপূৰ্ণ। আমাৰ সদনে যদি এই বিলাক কথা নাজানে তেনেহলে আপুনি কিহৰ ওপৰত Preside কৰিছে? চাওক কেনেকৈ Delay কৰে। এইখন কালি পাইছিলো। এইটো আপোনাৰ Sectt. ৰ পৰা আহিছে

যদিও আপোনাৰ Sectt. ৰ কোনো দায়িত্ব নাই কাৰণ Deptt. য়ে দিয়া প্ৰশ্নৰ উত্তৰহে ইয়াত দিয়ে। কিন্তু ইয়াত এটা শব্দ আছে যিটো মই Silly বুলিহে কব লগিব। মই ইয়াতকৈ আৰু ভাল শব্দ বিচাৰি পোৱা নাই। ইয়াক Silly বুলিয়েই কৈছোঁ।

Shri Kamini Mohan Sarma—এইটো কিমান সময় চলিব ?

Shri Debeswar Sarmah—মই আৰু মাত্ৰ তিনি মিনিট মানহে কম। আপোনালোকে ক'লে আমি মন দি শুনো আৰু এতিয়াও আপুনি ধৈৰ্য্য ধৰি শুনক। Organised Industry কাক বোলে এইটো ১৯৭১ চনত মোক শুধিছে :—

In forwarding herewith a copy of the admitted question on No. 4 (32), I am directed to request you to kindly let this Sectt. know what the hon. Member mean by the words 'ORGANISED INDUSTRIES' and 'HEAD OF UNIT' appearing in the said question as the information has been sought by Government for preparation of reply to the said question. মোৰ প্ৰশ্নটো হৈছে এই :—

Will the Minister, Industries, be pleased to state :

(a) How many of the organised industries/undertakings in Assam have the head of the unit from amongst the local people ?

(b) If so, which are those industries ?

(c) The reasons for non-appointment of local officers or suitalbe persons as the head of the (1) Gauhati Refinery (2) O. N. G. C. and (3) Namrup Fertiliser Corporation ?

এই তিনিটা ইউনিট দেখ্-দেখকৈয়ে ওলাই আছে। এই বিলাকৰ দ্বাৰা আমাক Frustration হে কৰিছে। As opposed to flying

business........When the vision is blurred all the suns of the universe cannot bring the soul into reality.

Shri Biswadev Sarma ( Minister, Industries )—Organised Industry ৰ দ্বাৰা কি mean কৰিছে ? এনেকুৱা মই জনাত কোনো industry নাই ।

Shri Debeswar Sarmah –As opposed to flying business. When the vision is blurred, all the suns of the universe cannot bring the soul into reality !

Shri Biswadev Sarma—মাননীয় সদস্যই আমাক কথাটো জনাই দিব নে ?

Shri Debeswar Sarmah—কালিয়েই দিছো ।

Re : Visit of Moulana Bhasani into Assam

শ্ৰীহীৰালাল পাটোৱাৰী—Item No. ২ লৈ যোৱাৰ আগতে মই আপোনাৰ এটা কথাৰ প্ৰতি দৃষ্টি আৰ্কষণ কৰিব খোজো । আমি শুনিবলৈ পাইছো যে পাকিস্তানী নাগৰিক মৌলানা ভাচানী অলপতে অসমলৈ আহি অসমত এৰাতি থাকি অসমৰ এজন কেন্দ্ৰীয় মন্ত্ৰী আৰু এজন ৰাজ্যিক মন্ত্ৰীৰ লগত আলোচনা কৰি গ'ল । এই সম্পৰ্কে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কিবা জানেনে ? মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথা আমাক জনাব লাগে ।

শ্ৰীকামিনী মোহন শৰ্ম্মা—এইটো এটা ডাঙৰ প্ৰশ্ন । এইটো আমি জনা দৰ্কাৰ ।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—মৌলানা ভাচানী অসমলৈ অহিছিল নে নাই এই সম্পৰ্কে মই একো নাজানো ।

শ্ৰীহীৰালাল পাটোৱাৰী—মুখ্যমন্ত্ৰীয়ে নাজানিলে কেনেকৈ হব ? তেখেত আহি আমাৰ কেন্দ্ৰীয় মন্ত্ৰী হক চাহাব আৰু ৰাজ্যিক মন্ত্ৰী আলিৰ লগত আলোচনা কৰি গৈছে । তেখেত গুৱাহাটীত এৰাতি থাকি গৈছে—যি জন মানুহে কৈছিল যে পাকিস্তানৰ লগত অসমক অন্তৰ্ভুক্ত কৰিব নোৱাৰিলে পাকিস্তানৰ সীমা অসম্পূৰ্ণ হৈ থাকে । তেনে এজন মানুহ আহি অসমতে থাকি গ'ল, অথচ এই কথা মুখ্যমন্ত্ৰীয়ে নাজানে ।

শ্ৰীসোনেশ্বৰ বৰা—এইটো বৰ গুৰুত্বপূৰ্ণ কথা । আমি কাগজত আলি চাহাবো আছিল বুলি জানিব পাৰিছো ।

শ্ৰীচৈয়দ আহমদ আলি (ৰাজ্যিক মন্ত্ৰী)—এই সম্পৰ্কত মোৰ নাম উল্লেখ কৰিছে যেতিয়া মই অলপ Clarification নিদিলে বিষয়টো সম্পূৰ্ণ নহব। শ্ৰীমইনুল হক চৌধুৰী ডাঙৰীয়াক যেতিয়া কেন্দ্ৰীয় মন্ত্ৰী নিযুক্তি কৰা হ'ল ; তেতিয়া আমি তেখেতক এবাৰ তেখেতৰ সমষ্টিলৈ ; অৰ্থাৎ ধুবুৰী সমষ্টিলৈ যাবলৈ অনুৰোধ কৰিছিলো ; আৰু তেখেতে আমাৰ অনুৰোধ ক্ৰমে ধুবুৰী মহকুমালৈ গৈছিল। আমি সেইদিনা (১৫।৪।৭১) ফুলবাৰী বঙলাত ৰাতি আছিলো। সেইদিনা দক্ষিণ পাৰৰ কেইখন মান ঠাইত তেওঁৰ অভ্যৰ্থনা মিটিং কৰি থকা অৱস্থাত মৌলানা ভাচানী চাহাবৰ চেক্ৰেটাৰী জন সীমান্তৰ সিপাৰৰ পৰা আহি ক'লে যে মৌলানা ভাসানী চাহাব আহি সীমান্তৰ সিপাৰত ৰৈ আছে আৰু আমালোকক দেখা কৰিবৰ ইচ্ছা কৰে। আমি দেখা কৰিব পাৰো বুলি কোৱাত তেখেত সেইদিনা ফুলবাৰী বঙলালৈ আহি আমাৰ লগত দেখা কৰে আৰু কান্দি কান্দি পূৱ পাকিস্তানৰ কথা আমাৰ আগত বৰ্ণনা কৰিবলৈ ধৰিলে। তেতিয়া ৰাতি প্ৰায় ১২ টা বাজিছিল। আমাৰ সন্মুখতে তেখেতে এখন Telegram ভাৰতৰ Prime Minister লৈ draft কৰি আমাক Communicate কৰিবলৈ অনুৰোধ কৰি গ'ল। লগতে তেখেতে আৰু অনুৰোধ কৰিছিল যাতে ভাৰত চৰকাৰ আৰু বাইজে বাংলা দেশক অতি সোনকালে Recognition দি য়াহিয়া খানৰ অত্যাচাৰৰ পৰা পূৱ বঙ্গক মুক্ত কৰাত সহায় কৰে। তাৰ পাচত মই জনামতে তেখেত দিল্লীলৈ গুচি গ'ল। এইটো অৱশ্যে কাগজৰ খবৰ মতেহে জানিছো। তেখেত ধুবুৰীত থকা নাছিল ; মোৰ ঘৰতও থকা নাই।

শ্ৰীহীৰালাল পাটোৱাৰী—মাননীয় মন্ত্ৰী মহোদয়ে যি খিনি কৈছে তেখেতে ভালেই কৈছে। দিল্লীৰ পৰা শ্ৰীহক চৌধুৰী আৰু ৰাজ্যিক মন্ত্ৰী আলি চাহাব তালৈ গৈছে বুলি ভাচানী চাহাবে কেনেকৈ জানিব পাৰিলে ? তাৰ পাচত অসমৰ মুখ্যমন্ত্ৰীয়ে নজনাকৈ আমাৰ D. C., S. P. আদিক তেখেতে Telegram কৰিবলৈ কেনেকৈ অনুৰোধ কৰিলে। যি জন মৌলানা ভাচানীয়ে এসময়ত কৈছিল যে অসম পকিস্তানৰ অন্তৰ্ভুক্ত নহলে পাকিস্তানৰ সীমা অসম্পূৰ্ণ হৈ ৰ'ব। সেই মানুহ জনে ৰাতি ১২ টা

বজাত আহি কেন্দ্ৰীয় মন্ত্ৰী আৰু ৰাজ্যিক মন্ত্ৰীক মুখ্যমন্ত্ৰীক নজনোৱাকৈ লগ ধৰি আমাৰ D. C. আৰু S. P. ক তেখেতৰ বাৰ্ত্তা পঠাবলৈ কেনেকৈ সক্ষম হ'ল। তেখেত সকলে মুখ্যমন্ত্ৰী ডাঙৰীয়াক Wireless কৰি এই কথা জনাব পৰিলেহেঁতেন।

সেই কাৰণে, এতিয়া প্ৰশ্ন হৈছে যে, যি মৌলানা ভাচানীৰ লগত বাংলা দেশ সম্পৰ্কে আমাৰো মতৰ প্ৰাৰ্থক্য নাই সেই মৌলানা ভাচানী কেতিয়া কেনেকৈ আৰু ক'লৈ আহিল, ক'ত থাকিল সেই বিলাক কথা আমাৰ Security ৰ কথা। কাক ক'ত তেখেতে লগ ধৰিছিল সেইটোও আমাৰ Security ৰ কথা।

শ্ৰীচৈয়দ আহমেদ আলী—বাংলা দেশৰ প্ৰধান মন্ত্ৰী তাজুদ্দিন আহমদৰ লগতো মোৰ দেখা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—অধ্যক্ষ মহোদয় কথাটো বৰ গুৰুত্বপূৰ্ণ কথা। বৰ্ত্তমান পৰিস্থিতিত পাটোৱাৰী চাহাবৰ কথাটো Security ফালৰ পৰা অত্যন্ত গুৰুত্বপূৰ্ণ কথা কথা। গতিকে Security ৰ ফালৰ পৰা এইবিলাকত বিশেষ নজৰ দিয়াটো দৰকাৰ। মই ভাবো পাটোৱাৰী ডাঙৰীয়াই মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি এটা ব্যৱস্থা কৰিব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—পাটোৱাৰী ডাঙৰীয়াই কোৱা কথাৰ উপৰিও এটা কথা শুনিছোঁ যে ফুলবাৰীত তেখেতে State Minister আৰু Central Minister এজনৰ লগতো আলোচনা কৰিছে। তেনে এজন নেতাৰ লগত মন্ত্ৰীয়ে কেনেকৈ কথা পাতিছে এইটো এটা গুৰুত্বপূৰ্ণ কথা। কিন্তু মুখ্যমন্ত্ৰীয়ে এই বিষয়ে নাজানো বুলি কৈছে। এই কথাৰ প্ৰতিক্ৰিয়া কেনেভাৱে হব পাৰে সেইটোহে দৰকাৰ। গতিকে মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ে অলপ তদ্‌বিৰ কৰাটো দৰকাৰ।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—মৌলানা ভাচানী অহা সম্পৰ্কে যি খিনি কথা কাগজত দিছে তাতকৈ বেছি মই একো নাজানো। শুনা কথা বহুত আছে। কিন্তু শুনা কথা মই সদনত কব বিচৰা নাই। তেখেতক আমাৰ ইয়াত ৰখা নাই আৰু ক'ত আছে ঠিক নাজানো।

শ্ৰীলক্ষ্যধৰ চৌধুৰী—মৌলানা ভাচানী চাহাবে Prime Minister ৰ লগত

দেখা কৰা নাই আৰু Prime Minister য়েও দেখা কৰিব খোজা নাই। ইয়াৰ পৰা চীনলৈ চিঠি লিখি দিয়া কথাও শুনিছোঁ।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী – ৰাজ্যিক মন্ত্ৰীক লগ ধৰা কথা কাগজত ওলাইছে। ইয়াৰ বাহিৰে মই বিশেষ নাজানো।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা—তেখেতৰ লগত আলোচনা কৰাত আপত্তি নাথাকিলেও Security ৰ ফালৰ পৰা আছে। যি খন ৰাজ্যই আমাৰ ৰাজ্য আক্ৰমণ কৰো কৰো কৈ আছে সেইখন ৰাজ্যৰ লগত যোগাযোগ সম্পৰ্কত Security ৰ ফালৰ পৰা সম্পৰ্ক আছে। গতিকে ই বৰ গুৰুত্বপূৰ্ণ কথা। গতিকে এনে ধৰণৰ আলোচনা নকৰি ভিতৰুৱা ধৰণৰ আলোচনা কৰাটোহে ভাল বুলি ভাবো। আকৌ Security ৰ ফালৰ পৰা ব্যৱস্থা ললে ভাল হ'লহেতেন।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী – Security ৰ ফালৰ পৰা ব্যৱস্থা লোৱা হৈছে।

শ্ৰীপ্ৰেমধৰ বৰা – ফুলবাৰীত হোৱা আলোচনা মুখ্যমন্ত্ৰীক জনোৱা হৈছিল নে হোৱা নাই ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—মৌলানা ভাচানী চাহাবৰ লগত হোৱা আলোচনা কাগজত প্ৰকাশ পাইছে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী—মৌলানা ভাচানী চাহাক মুজিবুৰৰ বাংলা-দেশক স্বীকৃতি দিয়া দলৰ নহয়। তেনে ক্ষেত্ৰত ভাচানী চাহাবক এৰি দিয়া কথাটো অযুক্তিকৰ কথা নহয় নে ?

শ্ৰীপ্ৰেমধৰ বৰা— মুখ্যমন্ত্ৰীয়ে এই মাত্ৰ কৈছে Security সম্পৰ্কে সকলো ঠিক আছে ; তেনে ক্ষেত্ৰত পাকিস্তানৰ এজন ডাঙৰ নেতা অহা কথাটো কব নোৱাৰিলে আমাৰ Security সম্পৰ্কে কিমান আশ্বস্ত হব পাৰিম ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী – Security ৰ ওপৰিও যি জিলাত আলোচনা হৈছিল সেই জিলাৰ S. P আৰু D. C ও আছিল।

শ্ৰীপ্ৰেমধৰ বৰা—কেন্দ্ৰীয় মন্ত্ৰীৰ লগতো আলোচনা হ'ল অথচ মুখ্যমন্ত্ৰীয়ে নজনা কথাটো পশ্চাদ্‌ঘাটী হোৱা নাই নে ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী —পশ্চাদঘাটী হয় নে নহয় এইটো বিচাৰ কৰিব খোজা নাই। কথা হৈছে এই ক্ষেত্ৰত Rule ঢিলাই দিয়া হৈছে সকলো ধৰণৰ

মানুহৰ কাৰণে। তথাপিতো মৌলানা ভাচানীয়ে দূত পঠাই জনাইছে আহিছে আলোচনা কৰিবলৈ। সেই মতেই কেন্দ্ৰীয় মন্ত্ৰী এগৰাকী আৰু ৰাজ্যিক মন্ত্ৰী এগৰাকীৰ লগত পুলিচ S. P. আৰু সেই জিলাৰ D. C. ও আছিল। গতিকে বৰ্ত্তমান পৰিস্থিতি উদ্বেগ প্ৰকাশ কৰিব-লগীয়া নহয়। মুখ্যমন্ত্ৰীয়ে যে সকলো বিলাক কথাই জানিব লাগিব সেইটো কথা নহয়। আলোচনাৰ পিচত আকৌ পাকিস্তানলৈ ঘূৰি যোৱা বুলি গম পাইছো। তাৰ পিচত কি হৈছে নহৈছে বিশেষ নাজানো। শুনা কথা মই সদনত কব নোখোজো।

শ্ৰীহীৰালাল পাটোৱাৰী—এইটো এটা ডাঙৰ প্ৰশ্ন ইয়াত মাননীয় মুখ্যমন্ত্ৰীয়ে হস্তক্ষেপ কৰাত ধন্যবাদ দিছো। মোৰ অন্তৰত এটা কথাই উখলমাখল লগাইছে—মন্ত্ৰী হ'ল বুলিয়েই তেওঁলোক সাধু হ'ব নোৱাৰে। এতিয়া চাওঁক ইজিপ্তত ৬ জন মন্ত্ৰীক ৰাষ্ট্ৰপতিয়ে Arrest কৰিলে। গতিকে ভাৰতবৰ্ষৰ মন্ত্ৰী সকল যে সাধু হব তাত বিশ্বাস নাই। মৌলানা ভাচানীয়ে মন্তব্য কৰিছিল যে অসমখন পাকিস্তানৰ অন্তৰ্ভুক্ত নোহোৱা পৰ্যন্ত পাকিস্তানৰ সীমা সম্পূৰ্ণ নহয়।

শ্ৰীশৈলেন মেধি—আমাৰ সদনৰ নিয়ম মতে Important Subject বাচি লৈহে আলোচনা কৰা হয়, ইতিমধ্যে ৩১১ মতে আমাৰ বহুতো জৰুৰী মোচন Pending হৈ আছে। এনেস্থলত "জিৰো আৱাৰত" মাননীয় সদস্য এগৰাকীক ১৫ মিনিট সময় Clarification ৰ কাৰণে দিলে তাৰ-পিচত ভাচানী সম্পৰ্কে পাটোৱাৰীক উত্থাপন কৰিবলৈ সুযোগ দিলে। এই ক্ষেত্ৰত সদনৰ নিয়ম ভঙ্গ কৰি সময় নষ্ট কৰা হৈছে আৰু সেই কাৰণে অধ্যক্ষৰ পৰা Protection বিচাৰিছো।

মিষ্টাৰ স্পীকাৰ—তেখেতে Quest on সম্পৰ্কে সুধিছিল।

শ্ৰীশৈলেন মেধি—ডিমাণ্ড বিলাক আলোচনা কৰিবৰ কাৰণে আমাৰ ৩১১ নিয়মমতে উঠোৱা Adjournment Motion বা তেনে অন্যান্য Important বিষয় বিলাক আজি কালি কৈ সদনত তুলিবলৈ দিয়া নাই। গতিকে আজি এই ক্ষেত্ৰত নিয়ম ভঙ্গ কৰা নাই নে?

মি: স্পীকাৰ—সেই দেখি পাটোৱাৰী ডাঙৰীয়াক কথাটো উঠাবলৈ মানা

কৰিছিলো । পাচত Sense of the House দেখিহে উঠাবলৈ দিলো । ভৱিষ্যতে এনে কৰা নহব ।

শ্ৰীহীৰালাল পাটোৱাৰী—মই আপোনাৰ পৰা Protection বিচাৰিছো । এই কথাটোত গোটেই অসমৰ নিৰাপত্তা লুকাই আছে । গতিকে সময় নিৰ্দ্ধাৰণ কৰি দিলে পিচত আলোচনা কৰিব পাৰিম ।

( Voices : No matter can be raised during the demand hour ).

Mr. Speaker—It will be strictly followed in future. I do not allow anything else now.

Shri Hiralal Patwary—মুখ্যমন্ত্ৰীৰ পৰা এই বিষয়ে এটা বিবৃত্তি বিচাৰিছোঁ ।

Mr. Speaker : No further discussion will be allowed.

Shri Phani Bora—অধ্যক্ষ মহোদয় .... ....

Mr. Speaker—Mr. Bora, just a minute. The discussion held lately about Maulana Bhasani should not be published by the Press. I request the Press not to publish anything about the discussion.

Shri Phani Bora—অধ্যক্ষ মহোদয় .... ....

Shri Hiralal Patwary—Sir, A point of clarification. I do not like to disturb you ( pointing towards Mr. Phani Bora )

Shri Phani Bora—এই বিষয়টো ভিতৰুৱাকৈ আলোচনা কৰিলে ভাল হব যেন লাগে । বৰ্ত্তমান যিটো পৰিস্থিতি চলি আছে এই পৰিস্থিতিত বহুতো কথা abnormal কথা হৈ আছে গতিকে বিধান সভাৰ মজিয়াতে সকলো কথা আলোচনা কৰাটো হয়তো নিজৰে ক্ষতিকৰ হব । সেই কাৰণে বিষয়টো এই ভিতৰুৱাকৈ আলোচনা কৰা ভাল ।

Shri Hiralal Patwary—Sir, a point of clarification. চাৰ, আপুনি যিটো ৰুলিং দিলে Paper ত Publish কৰিব নালাগে বুলি, সেইটো বিধান সভাত Dicision নহ'ল । গতিকে বিধান সভাৰ Decision

নোহোৱাকৈ কেনেকৈ paper ক বাধা দিব ?

Mr. Speaker—I have already decided that it should not be published.

* Shri Phani Bora—অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন কৰি মাত্ৰ কেইষাৰ মান কব খুজিছো। আমাৰ এই F. C. I. বিভাগ আৰু এই বিভাগৰ যিখিনি কাম মোৰ ধাৰণা মতে এই কামৰ মাজত কোনো সামঞ্জস্য নাই। এই বিভাগটোত যিমান টকা খৰছ হৈছে তাৰ সৰহ খিনিয়ে অপব্যয় হোৱা বুলি মই কব খুজিছো। যিখিনি খৰছ হৈছে তাৰো কোনো কাম হোৱা নাই। যি বিলাক বান্ধ বন্ধা হৈছে সেই খিনিয়েও অৰ্থ নৈতিক বা সা-সম্পত্তি ৰক্ষাৰ ক্ষেত্ৰত কোনো লাভজনক হোৱা নাই।

বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ৫০% ভাগ টকাই অপচয় হৈছে। এই বিষয়ে বহলাই কব খোজা নাই। কেনেকৈ একেখিনি শিলকে একে ঠাইতে দিয়া বুলি ইত্যাদি ইত্যাদি ক্ষেত্ৰত অনুসন্ধানও হৈছে আৰু বহুতো অফিচাৰ ধৰা পৰিছে আৰু কিছুমানক Suspend ও কৰা হৈছে।

ডিব্ৰুগড়, যোৰহাট, পাগলাদিয়া, ধুবুৰী আদিৰ Protection work ৰ সম্পৰ্কে বহুখিনি খবৰ শুনা যায়। এইবোৰত যিমানখিনি টকা-পইচা খৰছ কৰা হয়, সেইখিনি কোনো কামত অহা নাই।

এই Protection work ত যিখিনি টকা-পইচা বৰাদ্ধ কৰা হয়, প্ৰকৃততে শতকৰা ৫০ ভাগেই কাম নহয় আৰু এই টকা দেখদেখকৈ বিনা কামত খৰছ কৰি পানীত পেলাই দিয়া হয়। এইটোৱে হৈছে আমাৰ জনসাধাৰণৰ অভিমত আৰু এইটোত চৰকাৰেও আমাৰ লগত একমত হব যে কোনো কোনো ঠাইত একেবাৰে কাম হোৱা নাই। সেইটো মই নকওঁ—কোনো কোনো ঠাইত নদী বান্ধি দিয়াৰ কাৰণে অলপ কাম হৈছে—এইটোও মই অস্বীকাৰ নকৰো ; কিন্তু সামূহিক ভাবে যিটো খৰছ E & D বিভাগত হৈছে আৰু বান নিয়ন্ত্ৰণত খৰছ কৰিছে তাৰে শতকৰা ৭৫ ভাগতেই চৰকাৰ ব্যৰ্থ হৈছে আৰু এইটো এটা বৰ ডাঙৰ কথা। আটাইতকৈ ডাঙৰ কথা হ'ল যে বান নিয়ন্ত্ৰণ আৰু জল-

---

* Speech not corrected

সিঞ্চন এই ছুটা ব্যৱস্থা একেতা বিভাগতে পৰিচালিত হোৱাৰ কাৰণে এই জলসিঞ্চন আৰু বান নিয়ন্ত্ৰণৰ ব্যৱস্থা ছুটাক প্ৰকৃততে Co-ordinate কৰি কাম কৰা হোৱা নাই।

অসমৰ বান নিয়ন্ত্ৰণ—বান নিয়ন্ত্ৰণ হৈয়েই আছে আৰু জলসিঞ্চন—জলসিঞ্চন ভাগেই আছে। এটাৰ লগত আনটোক Co-ordinate কৰি কাম কৰাৰ ব্যৱস্থা ৰখা নাই। অৰ্থাৎ য'ত বান নিয়ন্ত্ৰণ আছে তাৰ লগত জলসিঞ্চনৰ ব্যৱস্থা ৰাখি কোনো পৰিকল্পনা কৰা হোৱা নাই।

উদাহৰণ স্বৰূপে মই কওঁ যে কপিলী নদীত সদায়েই বানপানী হয় আৰু ই প্ৰত্যেক বছৰে বিৰাট বানপানীৰ সৃষ্টি কৰে। এই নদীৰ পাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰা নহ'ল। পৰিকল্পনা কৰিছে কপিলী নদীৰ বান নিয়ন্ত্ৰণৰ কাৰণে Embankment আদিৰে; কিন্তু সেই অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা নকৰি—জলসিঞ্চনৰ কাৰণে কৰিলে যমুনা Irrigation. এই ছুটা কাম কিন্তু একেলগে Combine কৰি পৰিকল্পনা লোৱা নহ'ল। গতিকে এই ছুটা কাম একেলগে লগলগাই কৰা হলে আমি কম খৰছতে সকলো সমস্যা সমাধান কৰিব পৰা গ'লহেঁতেন। তেনেকৈ বিভিন্ন ক্ষেত্ৰত যদি আমি পৰ্য্যালোচনা কৰি চাওঁ—তেন্তে আমাৰ বান নিয়ন্ত্ৰণ আৰু Irrigation ছুয়োটা ব্যৱস্থা আমাৰ এটা বিভাগতে পৰিচালিত হোৱা স্বত্বেও আমি কাৰ্য্যক্ষেত্ৰত ব্যৰ্থ হবলগীয়া হৈছোঁ আৰু সৰ্বসন্মতিক্ৰমে আমি এটা সিদ্ধান্তত উপনিত হব পাৰিছোঁ যে এই ছুটা ব্যৱস্থাক Combine কৰি পৰিকল্পনা নকৰাৰ ফলতেই আজি চৰকাৰ ব্যৰ্থ হবলৈ বাধ্য হৈছে এই বান নিয়ন্ত্ৰণ ব্যৱস্থাত।

তদুপৰি যি বিলাক অঞ্চলত জলসিঞ্চন নাই সেই বিলাকত Agriculture বিভাগক দিয়া হৈছে আৰু তাত বান নিয়ন্ত্ৰণৰ সম্পৰ্ক আছে। অথচ তাত জলসিঞ্চনৰ আঁচনি লগতে নাই।

কিন্তু কোনো কোনো অঞ্চলত আমি খেতি পথাৰলৈ গৈ বানপানীৰ পৰা শস্য ৰক্ষা কৰিব পাৰো—য'ত একেটা সময়তে একে ঠাইতে আৰু একেটা আঁচনিতে এই ছুয়োটা ব্যৱস্থাকে সোমোৱাব পাৰো। আমি যদি এই ব্যৱস্থাকে Combine কৰি পৰিকল্পনা কৰিলোঁহেঁতেন, তেন্তে আমি সেই অঞ্চলত জলসিঞ্চনৰ কামো কৰিব পাৰিলোঁহেঁতেন আৰু বান নিয়ন্ত্ৰণৰ

কামো কৰিব পাৰিলোঁহেঁতেন আৰু তেতিয়াহলে আমাৰ খৰছো কম হলহেঁতেন, তেতিয়া আমি এই দুটা ব্যৱস্থাৰ সামঞ্জস্যত কেতিয়াও ব্যৰ্থ নহ'লোহেঁতেন।

এতিয়া এফালেদি আমাৰ বান নিয়ন্ত্ৰণ আৰু জলসিঞ্চন বিভাগ আছে— আনফালেদি ব্ৰহ্মপুত্ৰ কমিচনৰ এটা বিৰাট পৰিকল্পনা সংগঠিত কৰা হৈছে।

যদি আমি সিদ্ধান্তলৈ আহো যে বান নিয়ন্ত্ৰণৰ মূল কেন্দ্ৰবিন্দু হৈছে ব্ৰহ্মপুত্ৰ, তেতিয়াহলে আমি যদি ব্ৰহ্মপুত্ৰক Control কৰিব পাৰো তেনেহলে অসমত বান নিয়ন্ত্ৰণ হব; তেতিয়াহলে গোটেই বান নিয়ন্ত্ৰণৰ যিটো কাম সেই খিনি ব্ৰহ্মপুত্ৰ কমিচনৰ ওপৰত দিয়ক আৰু জলসিঞ্চনৰ যিটো কাম সেইটো পৃথক কৰি ৰাখক।

এতিয়া ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ যিটো আঁচনি কৰা হৈছে তাত ব্ৰহ্মপুত্ৰৰ উপনদী বিলাক Control কৰাৰ প্ৰশ্নও আছে আৰু ব্ৰহ্মপুত্ৰৰ উপনদী বিলাকৰ নিয়ন্ত্ৰণৰ লগত আমাৰ জলসিঞ্চনৰ প্ৰশ্ন জড়িত আছে। গতিকে মই চৰকাৰক কব বিচাৰিছোঁ যে বান নিয়ন্ত্ৰণৰ লগতে জলসিঞ্চনৰ ব্যৱস্থাও ৰখা উচিত।

আমাৰ অসমত গোটেই খেতি-বাতি নিৰ্ভৰ কৰে বৰষুণৰ ওপৰত। আজি অসমৰ বিৰাট অঞ্চলত—যি অঞ্চলে বৰষুণৰ ওপৰত কৃষি উৎপাদনৰ কাৰণে অপেক্ষা কৰি থাকিব লগীয়া হয়, তেন্তে মই ভাবো সেই ৰাজ্যত কোনেও কৃষি উন্নতি কৰিব নোৱাৰে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আমাক যিমানেই টকা নিদিয়ক আৰু যিমানেই আমি চেষ্টা নকৰো— এই ৰাজ্যৰ Industry ৰ উন্নতি, শিল্প বিকাশ, কৃষি বিকাশ আদি একোৱেই নহব, যদি ৰাজ্যৰ বিৰাট অঞ্চলটোৱে বৰষুণৰ ওপৰত ভৰষা দি থাকে।

আজি গোটেই অসমৰ জলসিঞ্চন আৰু বান নিয়ন্ত্ৰণ দুয়োটা ব্যৱস্থাকে আমি Combine কৰিব নোৱাৰিলে আমি কৃষিৰ উন্নতি কৰিব নোৱাৰো আৰু তেতিয়াহলে আমি যিমানেই টকা-পইচা খৰছ নকৰো কোনো প্ৰতিকাৰ নহব আৰু ব্ৰহ্মপুত্ৰৰ দাইক আদি একো কামতেই নাহিব। ডিব্ৰুগড় টাউনখন কোন মুহূৰ্ত্তত কি হয় কোনেও কব নোৱাৰে। সেই কাৰণে মই কৈছোঁ বান নিয়ন্ত্ৰণ আৰু জলসিঞ্চন এই দুয়োটা ব্যৱস্থাকে Integrated plan কৰি কাম কৰাৰ চেষ্টা কৰিব লাগে। যদি সেইটোক

নকৰে তেন্তে আমাৰ অসমৰ সা-সম্পত্তি ৰক্ষা কৰাত বহুতো বাধা আহিব।

তাৰ পাছত আমাৰ ব্ৰহ্মপুত্ৰ কমিচনত এটা নিৰ্দ্দিষ্ট হিচাব ৰাখিব লাগে যে এই কমিচনৰ কাম কাৰ্য্যকৰী কৰিবলৈ কিমান Engineer লাগিব, কিমান Overseer লাগিব আৰু কিমান Contractor লাগিব আৰু আমাৰ কিমান মাটি ৰক্ষা পৰিব, তাৰ পৰা আমাৰ কিমান লাভ হব এই গোটেই খিনি যাতে Integrate কৰা হয়—এই গোটেই খিনি যদি আমি Integrate কৰিব নোৱাৰো তেন্তে কোনো পক্ষেই আমি কামত আগবাঢ়ি যাব নোৱাৰিম।

এই ক্ষেত্ৰত মই কব খুজিছো যে, ব্ৰহ্মপুত্ৰ Control কমিচন পতা হৈছে এই কমিচনৰ দ্বাৰা বিশেষ কাম হোৱা নাই। আমাৰ বহুতো সদস্যই অসমৰ পৰা কিমান উপাৰ্জ্জন কেন্দ্ৰই নিছে তাৰ হিচাব বিচাৰিছে মই সেই সকলৰ লগত একমত নহয়। কলিকতা, বম্বে, মহাৰাষ্ট্ৰ, মাদ্ৰাজ এই কেইখন ৰাজ্য ৰাজনৈতিক, অৰ্থনৈতিক আৰু ভৌগলিক ক্ষেত্ৰত বহুতো আগবঢ়া। আজি যদি আমি উপাৰ্জ্জনৰ হিচাৰ কৰো তেন্তে দেখিবলৈ পাওঁ যে, তেওঁলোকৰ পৰা কেন্দ্ৰৰ উপাৰ্জ্জন কিমান বেচি হয়। আজি অসমৰ পৰা কেন্দ্ৰই যিমান নিছে তাৰ হিচাব বিচাৰিলে অসম দেউলীয়া হব। এই কথাটো আমি অন্ততঃ ভালকৈ নিৰপেক্ষ ভাৱে আৰু কোনো ৰকমৰ Bias নথকাকৈ চিন্তা কৰা দৰকাৰ। আমাৰ ৰাজ্যৰ উন্নতিৰ দৃষ্টিকোণৰ পৰাই এইটো কথা চাব লাগিব। সেইকাৰণে মই কওঁ যে, কেন্দ্ৰীয় চৰকাৰৰ হাতত বহুতো ক্ষমতা আছে। আৰু আজি আমি ব্ৰহ্মপুত্ৰ কমিচনৰ বাবে কিমান টকা আছে আৰু কিমান টকা পাব লাগে এইটোৰ আদায়ৰ বাবে চেষ্টা কৰিব লাগে। ইয়াৰোপৰি মই কব খোজো যে, অসম চৰকাৰ আৰু অসমৰ জনসাধাৰণ যাতে ব্ৰহ্মপুত্ৰ Control ৰ লগে লগে হাইডেল ইলেকট্ৰিক Project এই বিলাক বিষয়তো আগবাঢ়ি যাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। আজি আঞ্চলিকতাৰ কথা বাদদি ব্ৰহ্মপুত্ৰ কমিচনত আমাৰ থলুৱা লোককো নিয়োগ কৰিব লাগে। এই কমিচনৰ দ্বাৰা আমাৰ চাকৰিৰ সুবিধা হব। আজি জাপান, আমেৰিকা আদি উন্নত দেশবিলাকত ছাত্ৰ-সকলে অধ্যয়ন শেষ কৰাৰ পাছতে Appointment Letter পায়।

আনকি Soviet Union ত টো পাচ কৰাৰ লগে লগে Appointment Letter পায়। Appointment letter goes to his institution and receives it in his College when he is reading in final year. এই পৰিস্থিতি আমাৰ ইয়াত হোৱা নাই। আমাৰ দেশৰ শিক্ষিত ডেকাসকলৰ চাকৰিৰ কোনো বন্দোৱস্ত নাই। এইবাৰ পশ্চিমবঙ্গৰ Assembly ত গভৰ্ণৰৰ ভাষণত কৈছে—Employment must be Compulsory. গতিকে মই কৈছো যে, অসম ৰাজ্যৰ পৰিকল্পনা বিলাক এনেভাৱে কৰিব লাগিব যাতে আমাৰ শিক্ষিত থলুৱা লোক সকলক তাত নিয়োগ কৰিব পৰা হয়। আমাৰ যিখিনি Expert নাই তেওঁলোকক বাহিৰৰ পৰা আনিব লাগে। কিন্তু এতিয়া প্ৰশ্ন উঠিছে যে, আমাৰ স্থানীয় ইঞ্জিনিয়াৰ থকা স্বত্বেও সেইবিলাকে সুবিধা পোৱা নাই। গতিকে এই বিলাক দূৰ কৰিব লাগে।

অধ্যক্ষ মহোদয়, আমালৈ বহুতো কাগজ-পত্ৰ আহে—সেই বিলাক কথা আমি সদনত দাঙি ধৰা নাই। Engineer সকলৰ বিৰুদ্ধে—কেনেকৈ Tender নিদিয়াকৈ Boulder Collection কৰি পইচা ভাগ কৰে ইত্যাদি। আমাৰ P. W. D. বিভাগৰ মন্ত্ৰীয়ে ২।৪ ঠাইত গৈ এইবিলাক ধৰা পেলাইছে। এইবিলাক মিছা কথা নহয় সঁচা কথা। গতিকেই আমাৰ দেশৰ আৰ্থিক অৱস্থা ক্ৰমে বেয়া হৈ গৈছে। কাৰণ ১০ লাখ টকাৰ যদি ৫ লাখ টকা এনেয়ে যায় তেনেহলে দেশৰ উন্নতিয়েই বা হব কেনেকৈ? গতিকে এই ক্ষেত্ৰত এটা কঠোৰ ব্যৱস্থা লোৱা আৱশ্যক হৈ পৰিছে। আজি দেখা গৈছে E & D বিভাগে সময়ত কাম নকৰে বৰষুণৰ আগে আগে কৰে বিল হৈ যায়। এনেধৰণে কাম চলি আছে। আজি যি ঠাইত যিমান শিল পেলাব লাগে তাত সিমান নেপেলাই ½ ভাগ পেলোৱা হয়। গতিকে E & D আৰু P. W. D. বিভাগৰ কাম লক্ষ্য কৰিবৰ বাবে C. I. D. বিভাগো যদি ইয়াৰ লগত দিয়া হয় তেন্তে ২।১ টা ৰিপোৰ্ট হয়তো পোৱা যাব। গতিকে এই বিভাগত যি তুমুল দূৰ্নীতি চলিছে সেই দূৰ্নীতি কিছু পৰিমাণে হলেও আতৰাই আমাৰ ৰাজ্যখনৰ যাতে উন্নতি হয় আৰু কষ্ট উপাৰ্জ্জিত পইচা যাতে ভালভাৱে

ব্যৱহাৰ কৰিব পাৰে তাৰ বাবে আশা কৰিলো।

Shri Sonesvar Bora—মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই তুষাৰ কব খুজিছো। আমাৰ বানপানী সমস্যাটো ১৯৫০ চনৰ ভূমিকম্পৰ পিচৰ পৰা বেছি হৈছে। এই কথাটো সঁচা। কিন্তু এইটো ঠিক যে—১৯৫০ চনৰ ১৫ আগষ্টৰ ৰাতিৰ ভূমিকম্পৰ পিচৰ পৰা অসমত বৰষুণ বঢ়া নাই, বৰষুণ কমিছে ; কিন্তু বানপানী বাঢ়িছে; এই সমস্যাটো উপলব্ধি কৰিব লগীয়া বিষয়। অৱশ্যে এটা কথা ঠিক যে আমাৰ দেশত অনেক মানুহ আছে—যি সকলে বানপানী হবৰ কাৰণে আৰু বিপৰ্য্যয় হবৰ কাৰণে মথাউৰি আদি ভাঙিবৰ কাৰণে ভগৱানৰ ওচৰত পূজা-পাতল দি থাকে। এই সকলৰ ভিতৰত মন্ত্ৰী, কৰ্ম্মচাৰী ঠিকাদাৰ আদি আছে। বানপানীৰ সৃষ্টি নোহোৱা হ'লে বান নিয়ন্ত্ৰণ মন্ত্ৰীৰ পদটো নোলালেহেঁতেন। বানপানী নোহোৱা অঞ্চল লামডিং, হাফলং তিনিচুকীয়া, মালিগাওঁ, গুৱাহাটী আদিৰ ৰেল কৰ্ম্মচাৰী সকল আৰু ৰাজ্যখনৰ ৰাজ্যিক কৰ্ম্মচাৰী সকলক আগতীয়া বেতন পোৱাৰ ব্যৱস্থা চৰকাৰে কৰি দিছে। গতিকে বানপানী হবৰ কাৰণে আৰু ভোগ কৰিবৰ কাৰণে ভগৱানৰ ওচৰত পূজা-পাতল কৰিবলৈ চেষ্টা কৰাটো স্বাভাবিক কথা। বানপানী যেতিয়া হয়, বানপানী ৰোধ কৰাৰ নামত কিছুমান গছ-পাত, বাঁহ, জেং, ঠৈলা-বস্তা, শিল আদি পেলাই দি বানপানী ৰখাৰ নামত কিছুমান দূৰ্নীতি দেশ খনত কৰিবলৈ সুবিধা কৰি দিয়া হৈছে মাত্ৰ। এই পদ্ধতিটো বিপদত এটা নিচুকনি মাত্ৰ। বানপানীৰ সময়ত মানুহে Telegram দিয়ে, চিঠি দিয়ে, খবৰ ৰাতৰি পঠিয়াই মন্ত্ৰী, M. L. A. আৰু ডাঙৰ অফিচাৰ পৰীক্ষা কৰিবৰ কাৰণে, চাবৰ কাৰণে যাব লাগে। দুৰ্ভগীয়া ৰাইজে এটা কথা ভাৱি থাকে যে মন্ত্ৰী বা ডাঙৰ অফিচাৰ বা ইঞ্জিনীয়াৰক বা M. L. A. ক দেখুৱালে এই বছৰ যদিও দুৰ্যোগ ভুগিছে অহা বছৰত নিবাকৰণ হব ; কিন্তু তাৰ ফল বিপৰীতহে হ'ল। কাৰণ জেং আদিৰ ব্যৱস্থাৰে লুইতক ভেটিব নোৱাৰে। গছ-পাত দি বান-নিয়ন্ত্ৰণ কৰিব খুজিলে মানুহক এটা ভুল পদ্ধতিৰে প্ৰলোভন দেখুৱাই কিছুমান অপব্যয় খৰছ কৰা হয়। এটা বস্তাও নেপেলোৱাকৈ এখিলা গছ-পাত নেপেলোৱাকৈয়ে ধেৰ পইচা খোৱা হয়। গতিকে বানপানী ৰোধ কৰি-

বলৈ হলে এই পদ্ধতিটো বন্ধ কৰিব লাগে। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ বিষয়টো মোৰ সূক্ষ্ম মগজোৰে বিবেচনা কৰি দুটা পদ্ধতি দিছো। ব্ৰহ্মপুত্ৰৰ ওপৰ ছোৱা চাংপো তিৰ্ব্বতত পৰিছে। চীনৰ লগত সু-সম্বন্ধ নঘটোৱাকৈ ব্ৰহ্মপুত্ৰৰ মাজখণ্ড নিয়ন্ত্ৰণ কৰাটো অসম্ভৱ। শেষৰ ছোৱা পাকিস্তানত পৰিছে, গতিকে পাকিস্তান চৰকাৰৰ লগত সম্বন্ধ নৰখাকৈ আলোচনা বিলোচনা নকৰাকৈ হাজাৰ কোটি টকা খৰছ কৰিলেও মাজখণ্ডত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিব নোৱাৰে। স্বৰ্গীয় গোপীনাথ বৰ-দলৈৰ মৃত্যুৰ ৯ দিনৰ পিছত ১৯৫০ চনৰ ১৫ আগষ্টত ডাঙৰ ভূমিকম্প হৈছিল। তাৰ পাছত শ্ৰীবিষ্ণুৰাম মেধি, স্বৰ্গীয় বিমলা প্ৰসাদ চলিহা আৰু এতিয়া শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী মুখ্যমন্ত্ৰী হ'ল, কিন্তু ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ নহ'ল। এই কেইজন মুখ্যমন্ত্ৰী হ'ল আৰু গ'ল আৰু বহুত যাব কিন্তু এই পদ্ধতিৰে কোনেও ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিব নোৱৰিব। গতিকে মাজখণ্ডত নিয়ন্ত্ৰণ কৰিবলৈ হ'লে বিপৰ্য্যয় বাঢ়িবহে। আন্তৰ্জাতিক ক্ষেত্ৰত চীনে কি মামলা কৰিব সেইটো উপলব্ধি কৰিছে নে নাই? চীন চৰকাৰৰ লগত সম্বন্ধ ৰক্ষা কৰি চীনৰ ফালে যদি এসুঁতি পানী বোৱাব পাৰো তেন্তে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰাটো সম্ভৱপৰ হব পাৰে। আমি দেখি অহা কালতে যোৱা ২৫/৩০ বছৰৰ ভিতৰত ব্ৰহ্মপুত্ৰ নৈখন দক্ষিণ ফালে কমেও ৭/৮ মাইল আহিছে আৰু এসময়ত ব্ৰহ্মপুত্ৰই নগাপাহাৰ যে নুচুবগৈ তাক কোনে কব? এটা সুঁতি যদি নগাপাহাৰৰ ফালে লৈ যাব পাৰো তেন্তে বাননিয়ন্ত্ৰণ আৰু কৃষিত বহুত সুবিধা হব। 'এই কথা ঠিক যে— জলসিঞ্চনৰ ক্ষেত্ৰত সংস্থাপনৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰক চম্ভালি লব পাৰিব লাগিব। আমাৰ ডেৰ কোটি জনসংখ্যাৰ বেছিভাগ মানুহে খেতিয়ক আৰু ভূমিহীন। যদি ব্ৰহ্মপুত্ৰ নদীক নিয়ন্ত্ৰণ কৰিব পৰা যায় তেন্তে সেই মাটিৰ বুকুত মাটি-হীন লোকক সংস্থান দিব পৰা যাব আৰু মাটিহীন সমস্যাৰ শতকৰা ৫০ ভাগ মান সমাধান কৰিব পৰা হব। গতিকে এই বিষয়টো গুৰুত্ব-পূৰ্ণ বিষয় হিচাবে ধৰি লৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এই বিষয়ে বুজাব পাৰিব লাগিব। আমাৰ যিবিলাক সৰু-সুৰা নদী আছে; সেই বিলাক যদি পাহাৰৰ বুকুতে নিয়ন্ত্ৰণ কৰিব পাৰো তেন্তে জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা হব। এই ব্ৰহ্মপুত্ৰৰ সৰু-সুৰা নদী বিলাকে অনেক মানুহৰ বিপৰ্য্যয়ৰ সৃষ্টি কৰিছে। সৰুপথাৰ মৌজাত ৰেংমাই নদীৰ প্ৰজেক্ট

এটাৰ বান্ধ বন্ধাৰ কাৰণে চৰকাৰে অনেক আঁচনি কৰিলে। কিন্তু নগাৰ ভয়ত প্ৰজেক্ট নহ'ল। সেই ধৰণে কাকদোঙা বান্ধ বন্ধা হ'ল। টকা খৰচ হ'ল, কিন্তু নগাই পাহাৰৰ গুৰিতে নদীখন বান্ধি প্ৰজেক্টটো বিফল কৰিলে। যেতিয়া নগাপাহাৰ আমাৰ পৰা ফাটি যোৱা নাছিল, জিলা হিচাবে আছিল, তেতিয়া সেই দক্ষিণ পাৰৰ সৰু সৰু আটাই খিনি নদী নিয়ন্ত্ৰণ কৰিব পৰা সুযোগ আছিল। এতিয়াও নগালেণ্ড চৰকাৰৰ লগত সম্বন্ধ ৰক্ষা কৰি সেই দক্ষিণৰ সৰু সৰু নদী বিলাক নিয়ন্ত্ৰণ কৰিব পাৰিলে কোনো টেক্টৰ নোহোৱাকৈ বুঢ়া গৰুৰেই খেতি কৰিব পাৰিব। অৰ্থাৎ পানীৰ যোগান হলেই খেতিয়কে খেতি কৰিব। বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰাৰ কথা কেৱল বক্তৃতাত কৈ থকা হয়। মই বুজি নেপাওঁ কৃষি বিপ্লব মানে ধানটো কি ঐ টেঙাৰ সমান কৰিব খুজিছেনে মধুৰিটোৰ সমান কৰিব খুজিছে। পানীৰ ব্যৱস্থা কৰিবৰ কাৰণে সৰু সৰু নদী বিলাক পাহাৰৰ বুকুত নিয়ন্ত্ৰণ কৰিব পৰাকৈ আৰু পানীবোৰ সোমোই যাব পৰাকৈ পাহাৰৰ ৩০/৪০ মাইল ঠাই একোডোখৰ সুবিধা হৈ পৰি আছে। তাত কোনো খেতি নাই আৰু কোনো মানুহ বহা নাই; গতিকে তাত পানী ভৰাই থব পাৰি। চৰকাৰে নীতিগত ভাৱে পাহাৰৰ বুকুত নদী বিলাক নিয়ন্ত্ৰণ কৰি জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰে। এই কথাটো যিকোনো মানুহেই দেখিছে, বুজিছে আৰু শুনিছে। কি নগৰত থকা, কি গাঁৱত থকা সকলোৱেই বুজি পাইছে যে ৫ বছৰ মান P. W. D. বা E. & D. বিভাগত ঠিকা কৰিলেই মানুহে মানুহ কিনিব পৰা অৱস্থা হৈ যায়। ইয়াৰ মূল কাৰণ হৈছে বিভাগৰ যিমান টকা কামৰ কাৰণে দিয়া হয় তাৰ ২৫% কাম হয় বাকী সমুদায় টকা এইদৰে অপচয়-অপব্যয় হয়। সেই কাৰণেই আজি মানুহে কৃষিৰ প্ৰতি আওকণীয়া হৈ চাকৰি মুখী, ঠিকা মুখী আদি হৈছে। আজি আমাৰ মন্ত্ৰী সকলে, Industry বিভাগৰ মন্ত্ৰীয়ে কেৱল বক্তৃতা আৰম্ভ কৰিছে— নতুন যন্ত্ৰ পাতি লৈ কৃষিত নামিবলৈ ডেকা সকলক কৈ ফুৰিছে। কিন্তু কৃষি কৰিব কিয়? কথাৰ বজাৰত এটা কথা আছে যে—আমাৰ পাটোৱাৰী ডাঙৰীয়া থকা হ'লে বেছিকৈ বুজিলেহেঁতেন। এটকাৰ বস্তু কিনি এটকাত বিক্ৰি কৰি লাভ কৰা জন একো বেপাৰী নহয়। টকাটোত বস্তু

কিনি অনাত বিক্ৰি কৰি ৮ অনা লাভ কৰা জনহে আচল বেপাৰী। আজি এই বিভাগটোও তেনেকুৱাই হৈছে। তেনেকুৱা কিছুমান যন্ত্ৰ পাতিৰ নিছিন'ই হৈছে। তাক অলপ ধোৱা-ধুই কৰিবৰ বাবণে দেশত এটা বৈপ্লৱিক চৰকাবৰ প্ৰয়োজন হৈ পৰিছে। এটা বৈপ্লৱিক চৰকাৰৰ আশাই আমি কৰিছো। এইখিনি কৈয়েই মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো।

* Shri Gobinda Chandra Bora—অধ্যক্ষ মহোদয়, মই Cut motion টোৰ বিৰোধীতা কৰি চুআষাৰ মান কওঁ। অসমৰ অৰ্থনৈতিক উন্নতি কৰাৰ ঘাই উপায় হৈছে— কৃষিৰ উন্নয়ণ কৰা। কৃষিৰ উন্নয়ণ, খেতিয়কৰ সা-সুবিধা কৰিব নোৱাৰিলে দেশৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি হব নোৱাৰে। কাৰণ অসমৰ শতকৰা ৮০ জনেই কৃষিজীৱি খেতিয়ক। যেতিয়ালৈকে তেওঁলোকৰ উন্নতি কৰিব পৰা নেযায়, অসমৰো অৰ্থনৈতিক উন্নতিৰ বিকাশ সম্ভৱপৰ নহয়। তাক কোনেও নুই কৰিব নোৱাৰে। স্বাধীনতাৰ পিছত এই দিশত চৰকাৰে যথেষ্ট কাম কৰাটোও কোনেও নুই কৰিব নোৱাৰে। E & D আৰু P. W. D. বিভাগ দুটাই যিমান টকা খৰছ কৰিছে এই টকাটো ভালদৰে খৰছ হোৱা হ'লে সি খুউব ভালেই হ'ল-হেঁতেন। গতিকে এই বিভাগৰ খৰছ বিলাক নিয়ন্ত্ৰণ কৰি খৰছ কৰিব লাগে।

আমাৰ যি বিলাক জেগাত মঠাউৰি ৰবা যায় তাত Expert লৈ কাম কৰিব লাগে। কাৰণ ক'ত কেনেকৈ কি সুবিধা হ'লে মঠাউৰি মাৰিব পৰা যাব সেইটো তেওঁলোকে জানে। কিন্তু আমাৰ সন্দেহ হয় এই বিলাক কৰোতে আমাৰ Executive Engineer আৰু S. D. O. আদি যায় নে নেপায়। মঠাউৰি কৰা জেগাবিলাকৰ বিভিন্ন অভিজ্ঞতা লৈ ক'ত কেনেকৈ মঠাউৰি মাৰিব লাগে Sluice gate আদিৰ ব্যৱস্থা কৰিব লাগে সেই মতে কাম কৰিব লাগে। তেতিয়া হ'লে আৰু মঠা-উৰি বোৰ প্ৰৱল সোঁতত ভগাৰ ভয় নেথাকে।

আমাৰ এতিয়া যিটো Brahmaputra Commission হৈছে সি কেৱল এটা বগাহাতী হৈহে আছিহে। আগৰ E&D আৰু P.W.D.

* Speech not corrected

আদি বিভগেই কাম কৰি আছে। যিখিনি কাম কৰিছে তাৰ পৰা কোনো কাম হোৱা নাই। কোনো কোনো ক্ষেত্ৰত কাম কৰিবলৈ যাওঁতে সেই কাৰণেই বাধা দিছে মানুহে যে—এতিয়া কাম কৰি আৰু ৰাজহুৱা ধনৰ, চৰকাৰী ধনৰ এই দৰে অপব্যয় আৰু অপচয় কৰিব নেলাগে। যোৱা বছৰ যিটো ক্ষতি হ'ল সেইটোৱেই ভয় লগা কথা হৈ আছে। গতিকে আশা কৰো যে চৰকাৰে যেন এই বিভাগৰ জৰিয়তে ৰাইজৰ খেতি বাতি ৰক্ষা কৰাৰ কাৰণে যত্ন কৰিব।

আমাৰ কিছুমান মঠাউৰি কৰিলে একালৰ ৰাইজৰ উপকাৰ হয় যদিও অন্য এটা কালৰ ৰাইজে দুৰ্যোগত ভোগে। গতিকে মঠাউৰি কৰিলে এইটো চাব লাগে যাতে দুয়ো পাৰৰ ৰাইজ সমভাৱে উপকৃত হয়। একা-লৰ ৰাইজ উপকৃত হৈ আন কালৰ ৰাইজে দুৰ্যোগ ভুগিবলগীয়া হোৱাৰ কাৰণেই বাধ্য হৈ বহু জেগাত ৰাইজে মঠাউৰি কাটি দিয়ে। গতিকে মঠাউৰি বন্ধাৰ সময়ত এই কথা বিলাকৰ প্ৰতি দৃষ্টি ৰাখি কাম কৰিব বুলি আশা কৰিলো।

ইয়াৰ পিছত সংশ্লিষ্ট বিভাগৰ Employment ৰ বিষয়ে কওঁ। E&D বিভাগত Employee ৰ সংখ্যাও কম। তেওঁলোকক discharge নকৰি তেওঁলোকৰ প্ৰতি বেচি চকু দিব বুলি আশা ৰাখিছো। তাৰ যি বিলাক মহৰী আদি কৰ্ম্মচাৰী আছে তেওঁলোকক discharge নকৰি-বলৈ চাহাব আহিল কবৰ কাৰণে মোক অনুৰোধ কৰিছে দুই/তিনিবাৰ।

মঠাউৰি কৰাৰ ফলত যি বিলাক মাটিৰ ওপৰেদি গৈছে তাৰ ক্ষতি পূৰণ সোনকালেই দিব লাগে। নিদিলে ভীষণ ক্ষতি হোৱাৰ সম্ভাৱনা। মই বিশেষকৈ উত্তৰ-লক্ষীমপুৰৰ কথাই কৈছো, তেওঁলোকে ক্ষতি পূৰণৰ টকাখিনি পালে অন্য জেগাত মাটি অৰণ লোৱাৰো সুবিধা হয়। সেই কাৰণেই মই আশা কৰো যে গাঁৱলীয়া দুখীয়া খেতিয়ক সকলৰ এই অসুবিধাবোৰ দূৰ কৰি তেওঁলোকৰ অৰ্থনৈতিক উন্নতিত এই বিভাগ সমূহে সহায় কৰিব পাৰে। এই বিষয়ে চৰকাৰে চকু দিবলৈ অনুৰোধ জনাই মই সামৰিলো।

Shri Hiralal Patwary—মোৰ নামটো হ'ল হীৰালাল পাটোৱাৰী। কিন্তু

মোৰ নাম বদলি কৰি ৰাণী মঞ্জুলা দেৱী কৰিছে।

Mr. Speaker—You should know that these things should not be brought before the House.

Shri Maneswar Boro—মাননীয় অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ সম্পৰ্কত আমাৰ মাননীয় সদস্য সকলে যি বিলাক পৰামৰ্শ আগবঢ়াইছে মই ভাবো সেই মতেই কাম কৰিলেই আমাৰ বান নিয়ন্ত্ৰণ সমস্যা সম্পূৰ্ণ ভাবে নহলেও আংশিক ভাবে নিশ্চয় সমাধান হব। আমি খেতিয়কৰ ল'ৰা। আমি দেখিছো যে সৰু সৰু নদী বিলাক পাহাৰৰ পৰা ওলাই ডাঙৰ নৈত লগ লাগি বানপানীৰ সৃষ্টি কৰে। আগতে আমাৰ সৰু সৰু নদী বিলাকত বান্ধ বান্ধি খেতি কৰা হৈছিল। কিন্তু এতিয়া সেই নদী বিলাক ডাঙৰ হৈ পৰিল। আৰু ফলত বান্ধ বান্ধি খেতি কৰিব নোৱাৰা হ'ল। গতিকে এই সৰু সৰু নদী বিলাক পাহাৰৰ পৰা ওলাই আহোতেই তাতে বান্ধ বান্ধি খেতি কৰাৰ ব্যৱস্থা কৰিব লাগে। তেনে কৰিলে আমাৰ দুটা কথাত সুবিধা হব। এটা হ'ব জলসিঞ্চন ব্যৱস্থাৰ উন্নতি কৰা আৰু তাৰ লগতে বানপানী কিছু পৰিমাণে নিয়ন্ত্ৰণ হ'ব। তাৰ কাৰণে মই কেইটামান উপদেশ দিব খুজিছো। আমাৰ গাওঁ সভা বিলাকত ক্ষুদ্ৰ জলসিঞ্চনৰ বাবে বেছি পৰিমাণে টকা মঞ্জুৰি দিব লাগে। কিন্তু বাজেট অধিবেশনত দাভি ধৰা হিচাবত দেখা গৈছে যে, প্ৰতিখন গাওঁ সভাত মাত্ৰ ৪০০ মান টকাহে মঞ্জুৰি দিব। যিখিনি টকাৰে আমাৰ কোনো কামত নাহে। মই উদাহৰণ স্বৰূপে কব খুজিছো যে আগতে আমাৰ দৰঙ্গা নদী খনত বান্ধ বান্ধি খেতি কৰা হৈছিল। কিন্তু এতিয়া এই দৰঙ্গা নদীখন ডাঙৰ হৈ যোৱাৰ ফলত তাত বান্ধ দি খেতি কৰিব নোৱাৰা হৈছে। যোৱা বছৰ এই নদীৰ পানীয়ে তামুলপুৰৰ ওদালগুৰি P. W. D. ৰাষ্টাৰ তিনি ফালং মান খহাই নিলে। কিন্তু চৰকাৰে এই ৰাষ্টাটো কৰিবলৈ কোনো ব্যৱস্থাকে হাতত লোৱা নাই। মই এই খিনিতে এটা পৰামৰ্শ আগবঢ়াও যে যদি দৰঙ্গা নদীৰ গতি পৰিবৰ্ত্তন কৰি বৰনদীত লগ লগাব পাৰে তেনেহলে বাইভৰ বহুত সুবিধা হব। আৰু P. W. D. ৰাস্তাটোও ৰক্ষা পাব।

এতিয়া মই বাল্টি নদীৰ কথালৈ আহো। এই বাল্টি নদীয়ে তামোলপুৰ চাৰ্কোলৰ দেকিলি মৌজাৰ বহু অংশ খহাই লৈ গ'ল। এই বাল্টি নদীক যদি নিয়ন্ত্ৰণ কৰা নাযায় তেনেহলে এই বাল্টি নদীয়ে প্ৰায় ৬শ মান গাওঁ নষ্ট কৰি পেলাব। যদি এই নদীত বান্ধ বান্ধিব নোৱাৰে তেনেহ'লে আমাৰ ৰাইজে খেতি কৰিব নোৱাৰিব। এই বান্ধ-টোৰ কাৰণে বেচি টকা নালাগে মাত্ৰ ১৫/১৬ হাজাৰ মান টকা খৰচ হ'ব। আৰু এই টকা দিবৰ কাৰণে মই এই সদনতে কেবাবাৰো অনু-ৰোধ কৰি আহিছো। গতিকে চৰকাৰে এই নদীখনত বান্ধ দিবৰ কাৰণে এটা বিশেষ ব্যৱস্থা কৰিব লাগে।

মোৰ দ্বিতীয় কথা হৈছে যে পাগলাদিয়া নদীয়ে পশ্চিম পাতকিজুলি গাওঁখন উঠাই লৈ গ'ল। তাৰ একো ব্যৱস্থা চৰকাৰে আজিলৈকে নকৰিলে। এই গাওঁখনৰ মানুহ বিলাকক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু গৰাখহনীয়া ৰোধাৰ ব্যৱস্থা কৰিব লাগে। যোৱা বছৰ পাগলা-দিয়া নদীয়ে হাইঁকটা, পলোকটা, অময়াপুৰি আদি গাওঁৰ খেতি পথাৰ-বোৰ লৈ গ'ল। আমাৰ Revenue Minister শ্ৰীবগেন বসুমতাৰী ডাঙৰীয়াও সেই অঞ্চল পৰিদৰ্শন কৰি আহিছিল যোৱা ১৯৭০ ইং চনৰ ১৮ চেপ্টেম্বৰত। আৰু তেখেত তাৰ খহনীয়া পীড়িত মানুহ খিনিক মাটি দিয়াৰ কথা কৈ আহিছিল। কিন্তু দুখৰ বিষয় আজিলৈকে সেই মানুহ খিনিয়ে এচাহিও মাটি নাপালে। সেই অঞ্চলটোৰ ৰাইজ চৰ-কাৰৰ ঋণ আদিৰ পৰাও বঞ্চিত হৈ আছে। তাৰ ৰাইজে আমাক সুধিলে আমি কওঁ চৰকাৰে টকা দিব আৰু দিলেই আপোনালোকে পাব। কিন্তু এইদৰে আশ্বাস দি আৰু কিমান দিন ৰাখিম ?

বৰনদীৰ পাৰত জকমাৰী অঞ্চলত মঠাউৰি দিয়াৰ কথা কৈ থকা হৈছে। কিন্তু কিমান বছৰৰ মূৰত এইটো হ'ব ক'ব পৰা টান। মাত্ৰ তাৰ কামৰ নামত Survey কৰি থকা হে দেখা গৈছে। কোকৰাঝাৰ মহকুমাৰ সৰল ভাঙা নৈয়ে প্ৰায় ৫০ হাজাৰ বিঘা মাটি খহাই লৈ গৈছে আৰু সৰল ভাঙা নদীৰ দুয়ো পাৰে আধা মঠাউৰিৰ কাম কৰি পেলাই থৈছে। গতিকে বানপানীয়ে বহুত ক্ষতি সাধন কৰিছে। গতিকে সৰল ভাঙা নদীৰ দুয়ো পাৰে ৫ মাইল দীঘল মঠাউৰি দিব লাগে। যদি এই

অঞ্চলত অন্ততঃ ৫ মাইল দীৎল মঠাউৰি দিয়া নহয় তেনেহলে ৰাইজ বানপানী গৰাহৰ পৰা ৰক্ষা পৰা টান হব।

এতিয়া মই জলসিঞ্চন ব্যৱস্থাৰ কথালৈ আহো। দৰঙা জলসিঞ্চনৰ কাৰণে ১০ লাখ ১৯৬৭ ইং চনতে আঁচনিত ধৰা হৈছে। কিন্তু ৰাইজে তাৰ কাম একো দেখা নাই। অৱশ্যে ইয়াৰ কাৰণে Survey কৰি থকা হৈছে। কিন্তু এতিয়া Survey কৰাতেই বহুত টকা খৰচ হৈ যাব—মূল কামৰ কাৰণে টকাৰ নাটনি পৰিব। এই সম্পৰ্কত আবেদন কৰা হৈছে কিন্তু কাম হোৱা নাই।

দঙ্গৰগাওঁ জলসিঞ্চন সম্পৰ্কে মই আৰু শ্ৰীযুত প্ৰভাত নাৰায়ণ চৌধুৰী ডাঙৰীয়াই এই সদনতে বহুবাৰ প্ৰশ্ন কৰি আহিছো! দৰঙা জলসিঞ্চনৰ কাৰণে বোলে Hydrological data collect কৰি আছে। তাত এজন মানুহে কাম কৰি থকা দেখা যায়। কিন্তু কিনো কাম কৰে তাৰ একো ভু নাপাও। আন্ধাৰী ঘাটত বৰনদীত এটা বান্ধ দি আগতে কামৰূপৰ ৰাইজে খেতি কৰিছিল। কিন্তু যোৱা বছৰ চৰকাৰে বৰনদীৰ ওপৰত বান্ধ দি কামৰূপৰ ফালে পানী আহিব নিদিলে। ফলত কামৰূপৰ খেতিয়কে পানীৰ অভাৱত খেতি কৰিব নোৱাৰিলে। এই পানীৰ বান্ধটো বোলে দৰং জিলাৰ বাবেহে। ৰাইজে এইবাৰ আৰু এটা দং খান্দিছে। এই দং খান্দা মাটিৰ পইচা ৰাইজক চৰকাৰে দিব লাগে। আৰু তাত এটা স্লুইচ গেট দিব লাগে।

( Bell rang )

এই মাটিৰ বান্ধটোৰ ঠাইত পকাৰ বান্ধ দিব লাগে।

শ্ৰীআটাউৰ ৰহমান—বৰনদীৰ Right bank ত যিটো আঁচনি লোৱা হৈছে তাত সামৰি লোৱা হৈছে।

শ্ৰীমনেশ্বৰ বড়ো— এই কাম কেতিয়া কৰিব? এই বছৰতেই কৰিবনে কেতিয়া কৰিব?

Adjournment

The House then adjourned for lunch till 2 p. m.

( The Assembly met at 2 P. M. after lunch with

the Hon'ble Speaker in the Chair)

Mr. Speaker—I think we should finish the discussion on this demand before 3 P. M. after which the Minister will reply. Then we can take up another demand.

* Shri Narayan Chandra Bhuyan—মাননীয় অধ্যক্ষ মহোদয়, মই এই E. & D. বিভাগৰ মঞ্জুৰিৰ দাবীতো সমৰ্থন কৰিছো। কিন্তু এই ক্ষেত্ৰত আমাৰ চৰকাৰ সাফল্যমণ্ডিত হব পৰা নাই। এই বানপানীয়ে আমাৰ যি ক্ষতি কৰিছে তাৰ পৰা আমাৰ কৃষি উৎপাদনত যথেষ্ট খিনি বাধাৰ সৃষ্টি হৈছে। তাৰ ফলত আমি খাদ্য শস্যৰ ক্ষেত্ৰত স্বাবলম্বী হব পৰা নাই। চৰকাৰে বান নিয়ন্ত্ৰণৰ কাৰণে যথেষ্ট চেষ্টা চলাইছে যদিও বিশেষভাৱে কাৰ্যকৰী কৰিব পৰা নাই। ইয়াৰ দুটা কাৰণ। এটা কথা হৈছে যে, আমাৰ মঠাউৰি বিলাক যেনেভাৱে শক্তিশালী হব লাগিছিল তেনেভাৱে শক্তিশালী কৰি খৰচ কৰিব পৰা নাই। আনহাতে যি বিলাক টকা খৰচ কৰিছে তাকো ভালমতে খৰচ কৰিব পৰা নাই। দ্বিতীয়তে মঠাউৰি বান্ধি বান নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে বহুত বছৰৰ পৰা চেষ্টা কৰি আছে যদিও অসমত যি বিলাক প্ৰলয়ঙ্কাৰী নদী আছে সেই নদী বিলাকক ভালদৰে নিয়ন্ত্ৰণ কৰিব পৰা নাই। আজি যদি এই নদী বিলাকক নিয়ন্ত্ৰণ কৰিব নোৱাৰে তেনেহলে অসমক বানপানীৰ পৰা ৰক্ষা কৰাটো টান হৈ পৰিব। সেই কাৰণে আমাৰ এই ব্ৰহ্মপুত্ৰ কমিচন গঠন কৰা হৈছে আৰু আমি আশা কৰিছো এই কমিচনে বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰিব আৰু দীৰ্ঘম্যাদী ব্যৱস্থাও গ্ৰহণ কৰিব পাৰিব। কিন্তু দীৰ্ঘম্যাদী ব্যৱস্থা লবলৈ যথেষ্ট সময় লাগিব। গতিকে সদ্যহতে বানপানী নিয়ন্ত্ৰণ কৰিবলৈ যি মঠাউৰি আছে সেইবিলাকক শক্তিশালী কৰাৰ ব্যৱস্থা কৰিব লাগিব।

আজি আন জিলাৰ মঠাউৰিৰ কাম হৈছে নে নাই মই নাজানো। কিন্তু তেজপুৰত বিশেষকৈ মঠাউৰিৰ পৰা যথেষ্ট উপকাৰ হৈছে আৰু বান-

* Speech not corrected

পানীৰ পৰা ৰক্ষাও পৰিছে। মোৰ সমষ্টিত যোৱাবাৰ যি ক্ষতি কৰিলে তাক চাবৰ কাৰণে এই ব্ৰহ্মপুত্ৰ কমিচনৰ চেয়াৰমেন শ্ৰীকুমৰা চাহাবও গৈছিল। তাত খিলাধাৰী পূব পাৰে পানী হৈ বহুত নষ্ট কৰিছে। দুয়োপাৰে দুটা মঠাউৰি বান্ধিব লাগে বুলি কৈছিল কিন্তু তাত মঠাউৰি আজিলৈকে নহ'ল। এই মঠাউৰি বন্ধাৰ বাহিৰেও এখন Sluice Gate দিবৰ কাৰণে আমি বহুত আবেদন নিবেদন কৰি থকা স্বত্বেও চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। এই ৩০ বৰ্গমাইল ঠাইত প্ৰায় ১০ হাজাৰ মানুহ দুৰ্ভিক্ষৰ গ্ৰাসত পৰিছে। আশা ৰাখিছো চৰকাৰে ইয়াৰ কাৰণে কাৰ্য্যকৰী ব্যৱস্থা হাতত লব আৰু লগতে Sluice Gate দিয়াৰ ব্যৱস্থাও কৰিব বুলি আশা ৰাখিলো। এই ব্ৰহ্মপুত্ৰ কমিচন গঠন হোৱাত এই বছৰত মঠাউৰি বন্ধা বা মেৰামতিৰ কাম নোহোৱাৰ ফলত আমি যে, বানপানীৰ সমস্যাত এই বছৰ কেনেভাৱে পৰিম কব পৰা নাই। আমাৰ পানপুৰৰ পৰা বিশ্বনাথলৈকে যিটো মঠাউৰি চিগিল সেইটো মেৰামতি নকৰাটো ৰাইজৰ বহুত ক্ষতি হৈছে। এইটোত চৰকাৰে দৃষ্টি দিব বুলি আশা ৰাখিছো।

এতিয়া আমাৰ বান নিয়ন্ত্ৰণৰ কাম ব্ৰহ্মপুত্ৰ আয়োগৰ হাতত অৰ্পণ কৰাত আমাৰ জলসিঞ্চনৰ কাম একোৱেই হোৱা নাই বাৰিষা ৰৱষুণ হলেহে জলসিঞ্চনৰ কামৰ কিছুমান আঁচনি লোৱাৰ কথা আছিল যদিও কোনো আঁচনিয়েই লোৱা হোৱা নাই। ফলত এই জলসিঞ্চন আঁচনি খেতিৰ কোনো বিশেষ কামত নাহে। আজি যাতে এই জলসিঞ্চন খেতিৰ কামত আহে তাৰ ব্যৱস্থা লব বুলি আশা ৰাখিছো।

আমাৰ জনজাতীয় অঞ্চলত মহজুলি নদীত জলসিঞ্চন আঁচনি কৰাৰ কথা কেইবাবছৰৰ পৰা চলি আছে যদিও আজিলৈকে তাৰ Head Work এই হোৱা নাই। কাৰণ তাত ঠাইৰ কোনো সিদ্ধান্তই হোৱা নাই। ৰাইজৰ অসুবিধা দূৰ কৰিবৰ কাৰণে এই মহজুলি নদীত জল-সিঞ্চনৰ আঁচনি কাৰ্য্যকৰী কৰিব বুলি আশা ৰাখিছো।

ইয়াৰ উপৰিও আমাৰ যি প্ৰলয়ঙ্কাৰী নদী জীয়া ভৰলী, তাৰ পৰা ৰাইজৰ বহুত অপকাৰ হৈছে। ফলত আজি খেতিয়ক ৰাইজ সৰ্বশ্ৰান্ত

হৈছে। আজি জীয়া ভৰলীত যদি জলসিঞ্চনৰ আঁচনি কৰে তেতিয়াহলে তাৰ পৰা ৰাইজৰ বহুত উপকাৰ হব। এইটো সোনকালে কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ মঞ্জুৰি লৈ হলেও এই কামটো সোনকালে কৰিব লাগে বুলি মই চৰকাৰক অনুৰোধ জনাইছো। কাৰণ ইয়াত প্ৰায় ৬০০ কোটি টকা খৰচ হব।

গতিকে মই বিশেষভাৱে চৰকাৰক অনুৰোধ জনাইছো আৰু এই আঁচনি কাৰ্য্যকৰী কৰিবৰ কাৰণে যেন কেন্দ্ৰীয় চৰকাৰৰ পৰা এই মঞ্জুৰি দিয়াৰ কাৰণে জোৰ দিয়ে। এই ভৰলু নদীত বান্ধ দিলে যথেষ্ট খিনি সহায় হব আৰু বহু খিনি মাটি ওলাব। তাৰ উপৰিও প্ৰতি বছৰে হোৱা বিপদ যেনে—গড়া খহনীয়াৰ পৰা ৰক্ষা পৰিব।

এইখিনিকে আশা কৰি মই শেষ কৰিলো।

Mr. Speaker—মই এটা পৰামৰ্শ বিচাৰিছো। কাৰণ আমাৰ বহুতো মেম্বাৰে এতিয়াও কবলৈকে আছে। গতিকে প্ৰত্যেককে ৫।১০ মিনিট মানকৈ Strictly ভগাই দিলে ভাল হব। এই Demand টো শেষ কৰি অইন এটা আৰম্ভ কৰিব পাৰি।

তেতিয়াহলে এই Debate আমি ৩টা বজাত শেষ কৰিব পাৰিম। তাৰ পাছত মিনিষ্টাৰে আৰম্ভ কৰিব পাৰিব। ৫ মিনিটতে মেম্বাৰে শেষ কৰিব লাগিব। এতিয়া Giasuddin Ahmed য়ে কব।

Shri Giasuddin Ahmed—Mr. Speaker, Sir, I would like to be very brief. In support of the cut motion I refer to the Dhubri Protection Work. It was started about a year back with an estimated cost of Rs. 1,55,00,000/-, and I am afraid that more than 50% of the money invested for that project has been wasted or misappropriated. Sir, the total length of the protection work was estimated to be 7,000 ft. consisting of a stone spur at a strategic point with stone revetment on either side of the spur. The revetment is supposed to con-

sist of an apron from the bank running into the river to a distance of 80 ft. with a thickness of 2 ft. ending with stone pitching on the back cut into a slope. This is the specification. Further, the work on the revetment on a stretch of 2500 ft. starting from a point upstream opposite the D. C.'s Court building and extending upto the spur downstream was begun about the 16th or 17th April 1970. This work was entrusted to a number of Sramik Bahinis and a few contractors who were also given contract for supply of boulders.

Now, Sir, by the by I would like to refer to the procedure that was followed for giving contracts. The procedure that is generally followed in matters of contract has not been followed in this particular case. The contractors directly come to the Minister, the Minister just makes a note on the application asking the Chief Engineer to allot some works. The contractor concerned carry this petition to the Chief Engineer and the Chief Engineer issues orders from here in Shillong and the contractor personally carries that order to the Executive Engineer, and that helpless Executive Engineer is obliged to allot work without caring whether that contractor is competent or not. That was the procedure followed in giving contracts to the contractors for the Dhubri Protection Work. Sir, at the beginning the Sramik Bahinis and some contractors worked with great zeal engaging hundreds of local labourers. Each Sramik Bahini or contractor was given

about 5000 cm. to dump for the construction of the apron allowing 30 days' time to complete. Soon after it was observed that the Overseer who was in-charge of that dumping business began to show undue favour to certain contractors by giving them some more boulders for dumping than to others, and many complaints were made to the Executive Engineer, but nothing was done. The Overseer continued his questionable activities. Then. again, Sir, some contractors and the so-called Sramik Bahini—I do not like to call them Sramik Bahinis, they are rather Contractors' Bahinis—incollusion with the Overseer have obtained report of compleion of dumping of 5000 cm., which is equivalent to 1,75,000 cft., whereas those working honestly have not been able to complete that work within such a short time. False bills have been prepared and false payments have been made. These are the allegations. I shall be glad if these allegations are proved to be incorrect. So, this is what is happening. No wonder, Sir, that more than 50% of the money sent there has been wasted. In this connection, Sir, I submitted one starred question about one month before the last Session of the Assembly, by which I wanted to know some details, e. g., what was the total estimated cost, who were the contractors, the amount of work allotted to them, the date of work-order, the date of running payment, the amount of running payment, the works done before running payment, and so on and so forth. I sent that question about one month before the last

Session of the Assembly and that question was sent to the Department in time. I suppose that question was forwarded to the Executive Engineer for answer and I believe that the answer came during the last Session of the Assembly. But I did not receive the answer during the last Session. During this Session also, sufficient time ahead I repeated the same question. Now, the Session is coming to an end but my question has not been replied as yet. This is a matter of great public importance. One crore fiftyfive lakhs of rupees is going to be spent for this big project for protection of the Dhubri town and we are eager to see that the whole amount is spent properly and the work is executed properly. But the Department is evading the reply to this question and the Department is indirectly refusing to go into the allegations and that proves the malafide of the Department.

Then again there is another point. Sir, I am sorry to say that whenever any allegation of such a nature comes, the Department does not care to look into it. It rouses a suspicion that perhaps, if I am permitted to say so, the top is connected with the bottom and that is why no enquiry is made into these allegations. Sir, one of my learned colleagues from this side of the House addressed a letter to the Chief Secretary to the Government of Assam against the activities of one Executive Engineer of Hailakandi E & D Department. I do not know how far these

allegations are correct. I want to read that letter. These allegations have not been enquired into by the Department. How is it that when certain allegations are made, may be these are correct, may be these are false, these are not enquired into by the Department. If they do not enquire into the allegations then that is a lapse on the part of the Department. I now read out the letter of Shri Laskar.

"Sir, I have the honour to draw your kind attention for institution of an impartial enquiry and necessary action for the alleged false payment by Shri Amal Kanti Purkaystha, Executive Engineer, Hailakandi E&D Division during his short period of service. For the alleged false payment a few cases are illustrated below which are not exhaustive.

1. (a) A sum of Rs. 2500/- was paid to Shri Sisir Kumar Dutta of Badarpur for Launching Busy trees at Nimaichandpur (Taslakhal) although even 10% work was not done.

(b) A further sum of Rs. 3200 was paid to Shri Sisir Kumar Dutta of Badarpur for Launching Busy Trees at Katakhal Railway Bridge. 15% work was not done.

(c) Another sum of Rs. 3500/- paid to Dutta & Co., of Badarpur for supply of Barua Bamboo but not a single bamboo was supplied to the E & D.

2. (a) A sum of Rs. 9000/- was paid to Sri Hrishikesh Nandi for Palosiding work at Taslakhal without

any work.

(b) A further sum of Rs. 18,000 was paid to Sri Hrishikesh Nandi for protection work at Nimaichandpur (Taslakhal) where only 10% of the work was done.

(c) Another sum of Rs. 2000/- was paid to Sri Amitabo Sen Gupta for protection at Nimaichandpur without any work.

3. (a) A sum of Rs. 3000/- was paid to Sri Abani Kanta Singha for palosiding work at Bakri Hoar without any work.

(b) A sum of Rs. 4000/- was paid to Sri Mahesbur Rahman for palosiding work at Bakri Hoar without any work.

(c) Another sum of Rs. 5000/- was paid to Sri Safiqur Rahman for palosiding at Bakri Haor without any work.

4. (a) A sum of Rs. 6000/- was paid to Sri Pabitra Kumar Dutta for temporary protection work at Lalmukh when only 10% work was done.

(b) A further sum of Rs. 48,000/- was paid to Sri Pachu Gopal Dutta for earth work at Lalatal sluice without work.

5. (a) A sum of Rs. 40,000/- was paid to Sri Abu Yusuf for silt clearance at Moragong when only 25% of work was done.

6. (a) A sum of Rs. 6500/- was paid to Sri Dhirendra Kumar Choudhury for supply of gunny bags

but no supply was made.

(b) A further sum of Rs. 3,500/- was paid to Sri Dinesh Chandra Singa for supply of bamboos whereas not a single bamboo was supplied.

(c) Another sum of Rs. 5000/- was paid to Sri Nibaran Chandra Tarat for supply of bamboo whereas no supply was made."

These are the allegations Sir. There was another allegation against him. More than 5,000 bags of cement was supplied to the officer concerned and quite a good portion of that 5,000 bags was sold openly in the market. It was done so openly that the public became aware of it and there was a hue and cry. Then the officer sought for permission of the Department for re-bagging but that permission was not given. That allegation also was not enquired into. What does it mean ? Does the Department want that corruption should go on unhampered in this way ? If that is the way the department of the Government functions then I am sure, they will have to face the consequences.

Shri Atul Chandra Goswami—माननीय अध्यक्ष महोदय, এই মাত্ৰ পাঁচ মিনিটতে তুষাৰমান কথা সদনত কব খুজিছো। আমাৰ ব্ৰহ্মপুত্ৰ বা অন্যান্য নদীৰ বানপানীৰ কথা ক'লে এতিয়া চৰকাৰে নিজৰ যি খিনি দায়িত্ব আছে সেই দায়িত্ব খিনি লাহেকৈ ব্ৰহ্মপুত্ৰ কমিচনৰ গালৈ চমজাই দিয়ে। "তাহানি এজন ৰজা আছিল—তেখেতে নদীৰ গড়াখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ আতাহু বুলি এজন মানুহক দিছিল। তেওঁ নৈৰ কেনেকৈ পানীৰ পৰা ৰক্ষা কৰিব তাকে ভাবি ভাবি নদীৰ ঢৌ লিখি থাকে। মানুহে সোধাত—"ৰজাই মোক ঢৌ লিখিবলৈ নিয়োগ কৰিছে বুলি কয় আৰু

এই ঢৌ লিখি নোহোৱালৈকে বানপানীৰ পৰা তোমালোক ৰক্ষা নোপোৱা।” এতিয়া কিছুদিনৰ পৰা আমাৰ বান নিয়ন্ত্ৰণৰ ব্যৱস্থাও আতাহুৰ ঢৌ লিখাৰ নিচিনা হৈছে। ব্ৰহ্মপুত্ৰ কমিচন হৈছে, মিটিং বহিব কুমৰা আৰু ৰাও চাহাব আহিব কিন্তু কুমৰা আৰু ৰাও চাহাবে Data সংগ্ৰহ কৰোতেই সময় যাব। আমাৰ মেল মিটিং আৰু Data সংগ্ৰহৰ কাৰণে যদি ব্ৰহ্মপুত্ৰ বা সোৱনশিৰিয়ে ঠেহ ধৰি থাকিলেহেঁতেন তেতিয়াহ'লে বেলেগ কথা। কিন্তু কুমৰাই আহক বা ভোমৰাই আহক বাৰিষা অহাৰ লগে লগে ধনশিৰী. সোৱনশিৰি বহি নাথাকে। সেই কাৰণে ব্ৰহ্মপুত্ৰ কমিচনলৈ বাট নাচায় অসমে যি খিনি কৰিব পাৰে কৰিব লাগে। বিশেষকৈ মোৰ সমষ্টিত গাখীৰ খাটি, চুলুঙত, শিলঘাট, ধিংৰ যি মঠাউৰি আছিল তাত চুলুঙত এখন Sluice Gate আছে। বাৰিষা এই Sluice Gate খুলি দিয়ে। কিন্তু গাগলমাৰীত এটা চুঙা আছে। এই চুঙাটোৰে পানী ওলাই যাওতে বহুত সময় লাগে। এই চুঙাটোৰে স্লুইচৰ ১ ঘণ্টাৰ পানী ওলাই যাওতে প্ৰায় ২৪ ঘণ্টা লাগে। সেইকাৰণে এই গাগলমাৰিৰ চুঙাটো বহল কৰিলে ভাল হয়।

অসম চৰকাৰৰ পুৰণি Land Acquisition Act মতে যি বিলাক মাটি অধিগ্ৰহণ কৰা হৈছিল সেই মাটিৰ আজি পৰ্য্যন্ত ক্ষতি পূৰণ মানুহে পোৱা নাই। মই আশা কৰিছো সোনকালে সেই মাটিৰ মূল্য দিয়াৰ ব্যৱস্থা কৰিব লাগে।

ইয়াৰ পাছত আমাৰ মথাউৰি বিলাক শক্তিশালী কৰিব লাগে শিলঘাট-টিংঘাটৰ যি মথাউৰি আছে সেইটোত মাছ সোমাবৰ কাৰণে মহলদাৰ সকলে মানুহৰ হতুৱাই কটাই দিলে। ইয়াৰ ফলত সেই অঞ্চলৰ মানুহৰ দুৰ্দশাৰ সীমা নাইকীয়া হৈছে। এই মথাউৰি মানুহে ভাঙিছেনে প্ৰকৃতিৰ দুৰ্যোগত ভাঙিছে এইটো অনুসন্ধান কৰা নহয়, ভঙাৰ পাছতহে বিভাগে গম পায়। মথাউৰি কেনেকৈ ভাঙে তাৰ বাবে দৃষ্টি দিবৰ কাৰণে তাত পুলিচ আদি ৰাখিব লাগে। E & D বিভাগৰ বিষয়ে আমাৰ কেইবাজনো সদস্যই কৈছে। এই মথাউৰি পৰিদৰ্শন কৰিবৰ কাৰণে আমাকো Noitce দিছিল কিন্তু বাৰে বাৰে আহিও আমি চাব পৰা নাই। মোৰ বোধেৰে আমাৰ

সদনৰ কেইজনমান সদস্যই কথাটো চালে ধৰা পৰিলহেঁতেন। যি হওঁক ১৯৫৫ চনৰে পৰা যি বিলাক মাটি মথাউৰিৰ কাৰণে চৰকাৰে অধিগ্ৰহণ কৰিছে তাৰ ক্ষতিপূৰণ দিবলৈ অনুৰোধ কৰি মই এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Shri Nakul Chandra Das—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দেশৰ বানপানীৰ যিটো সমস্যা সেইটো অতি জটিল সমস্যা। গতিকে মই এই বিষয়ে বাহুল্য কৰি কব খোজা নাই। ব্ৰহ্মপুত্ৰ আয়োগ গঠন হোৱাৰ পাছত আমি আশা কৰিছিলোঁ যে, ব্ৰহ্মপুত্ৰৰ লগতে আন আন উপ-নদী সমূহৰো বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এটা সক্ৰিয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কিন্তু টকা পইচাৰ অভাৱতে হওঁক বা কেন্দ্ৰীয় চৰকাৰে অসমক মাহী আইৰ দৃষ্টিৰে চোঁৱাৰ বাবেই হওঁক, আজি পৰ্য্যন্ত ব্ৰহ্মপুত্ৰ কমিছনে আশানুৰূপ ভাবে কোনো কামতে আমি দেখাত আগবাঢ়িব পৰা নাই। এইটো অতি পৰিতাপৰ বিষয়। মই আজি এইবিলাক বিষয়ে বিশদভাৱে আলোচনা কৰিবলৈ বিচৰা নাই। অসমৰ বানপানীৰ ক্ষেত্ৰত মই মাত্ৰ ইয়াকে কবলৈ বিচাৰিছোঁ যে, এতিয়া মে' মাহ শেষ হয়, অহা জুন মাহতেই বানপানী হব। আনহাতে ব্ৰহ্মপুত্ৰ কমিচন হোৱাৰ পাচৰে পৰা আমাৰ মথাউৰি বিলাকৰ সম্পূৰ্ণ দায়িত্ব এই আয়োগক দিয়া হ'ল। আমি জনাতে অসমৰ বহুতো অঞ্চলতে বহুতো মথাউৰি অতি দুৰ্বল হৈ আছে। গতিকে এই ব্ৰহ্মপুত্ৰ কমিচন যদি এতিয়াৰ পৰা সতৰ্ক নহয়, দুৰ্বল মথাউৰি বিলাক শক্তিশালী নকৰে, তেতিয়াহলে অহা বানপানীত আমাৰ ৰাজ্যক বানপানীৰ কবলৰ পৰা ৰক্ষা কৰা টান হৈ পৰিব। উদাহৰণ স্বৰূপে মই কব খোজো যে, মঙ্গলদৈ মহকুমাৰ দক্ষিণ পশ্চিম অঞ্চলটো বানপানীৰ প্ৰকোপত ক্ষতিগ্ৰস্ত হৈ পৰিছে, কিয়নো ভূটানৰ পৰা নদীবিলাক বাৰিষা কালত ফেনে ফোঁটোকাৰে উফন্দি আহি গোটেই অঞ্চলকে প্লাৱিত কৰি তোলে। সেই মথাউৰি বিলাক আমি নিজেও দেখিছো আৰু বিশেষজ্ঞ সকলেও পৰিদৰ্শন কৰিছে। গতিকে এই অঞ্চলটোক ৰক্ষা কৰিবৰ কাৰণে এই দুৰ্বল মথাউৰি বিলাকক সবল আৰু শক্তিশালী কৰি তোলাৰ ব্যৱস্থা অতি সোনকালে কৰিব লাগে। চৰকাৰে

এইবিভাগৰ বিষয়া সকলক এই সম্পৰ্কে যাতে সতৰ্ক কৰি দিয়ে তাৰ বাবে অনুৰোধ কৰিলো। বিশেষকৈ মঙ্গলদৈ মহকুমাৰ শাকতোলা, ননৈৰ মথাউৰি আৰু ৰঙামাটি কুৰুৱা মথাউৰি যাতে অতি সোনকালে শক্তিশালী হয় তাৰ বাবে এতিয়াৰ পৰা চৰকাৰে দৃষ্টি দিব বুলি আশা কৰিলো। দ্বিতীয়তে আমাৰ বান নিয়ন্ত্ৰণ বিভাগ আৰু জলসিঞ্চন বিভাগ এই দুয়োটাৰে মাজত এটা সমন্বয় ৰখা দৰকাৰ। কিয়নো মথাউৰি শক্তিশালী কৰাৰ লগে লগে সেই অঞ্চলৰ পথাৰ বিলাকত জলসিঞ্চনৰ ব্যৱস্থাও কৰিব লগা হ'ব।

আমাৰ মঙ্গলদৈ মহকুমাত মৰাধনশ্ৰী নদীৰ যিটো Small Irrigation Scheme আছে সেইটো এতিয়াও কাৰ্য্যকৰী কৰিবলৈ লোৱা হোৱা নাই। গতিকে এই আঁচনিখন ৰাজহুৱা স্বাৰ্থৰ খাতিৰত সোনকালে কাৰ্য্যকৰী কৰিব লাগে। তাৰ উপৰি ৰাজাগড় আৰু ভৈৰৱকুণ্ড অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা অনতিপলমে কৰিব লাগে। মৰা ধনশিৰীৰ জলসিঞ্চন ব্যৱস্থা কৰিব পাৰিলে প্ৰায় ২০ হাজাৰ একৰ মাটি খেতিৰ উপযোগী হব আৰু অধিক শস্য উৎপাদন হব। ভৈৰৱকুণ্ডত জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰিলে খেতি-বাতিৰ সুবিধা হোৱাৰ লগে লগে ভূমিহীন কৃষক সকলৰ সমস্যা কিছু পৰিমাণে সমাধান কৰি মাটিৰ পট্টন দিব পৰা যাব। লগতে খেতি-বাতিৰো উন্নতি হব।

গতিকে মোৰ বক্তব্য শেষ কৰাৰ আগতে মই চৰকাৰক পুনৰ টানি অনুৰোধ কৰো যাতে চৰকাৰে অতি সোনকালে আমাৰ দুৰ্বল মথাউৰি বিলাক শক্তিশালী কৰি তোলে আৰু বানপানী প্ৰতিৰোধৰ কাৰণে প্ৰয়োজনীয় সকলো ব্যৱস্থা ক্ষিপ্ৰতাৰে আৰু তৎপৰতাৰে গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট সকলো মহলকে আৰু ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ কমিচনক সতৰ্ক কৰি দিয়ে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

* Shri Mohidhar Pegu—মাননীয় অধ্যক্ষ মহোদয়, মথাউৰি সম্পৰ্কত মাননীয় সদস্য সকলে কৈছে। মই বহলাই ক'ব খোজা নাই। ১৯৫০ চনৰ পাচৰে পৰা অসমত প্ৰাকৃতিক পৰিবৰ্ত্তন ঘটিছে। ১৯৫৪ চনতে

* Speech not corrected

ভাৰত চৰকাৰে ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আঁচনিকে জাতীয় সমস্যা হিচাবে ঘোষণা কৰিছিল। ইয়াৰ ৩ টা পৰ্য্যায় আছে। এটা তৎকালীন, এটা হ্ৰস্ব ম্যাদী আৰু আনটো হ'ল দীৰ্ঘ ম্যাদী।

মই আৰু এটা কথা কব খুজিছো যে বিশেষকৈ অসমত মঠাউৰি নিৰ্মাণৰ কাম দীৰ্ঘসূত্ৰী। অৰ্থাৎ এই দেশৰ সেমেকা জলবায়ুৰ কাৰণে সোনকালে বৰ্ষাকাল আহে বৰষুণ আহে। গতিকে নিৰ্মানৰ কাম মাৰ্চ, এপ্ৰিল মাহত হ'লে নানান কাৰণত মঠাউৰিৰ কাম বিলাক সম্পূৰ্ণ আৰু পৰিপক্ক নহয়। তদুপৰি এই মঠাউৰি বিলাকত কিছুমান বিশেষ ধৰণৰ কাৰিকৰী খুঁত ৰৈ যায়। মঠাউৰি নিৰ্মাণ কৰাৰ আগতে মঠাউৰিৰ তলিখন অন্ততঃ ১ ফুটমানকৈ খান্দি লোৱাৰ যিটো চৰকাৰী ব্যৱস্থা আছে সেই মতে নকৰে আৰু ১'১০ কৰি যি হেলন দিয়াৰ নিয়ম আছে সেইটোও মানি চলা নাই। ৰামকিং আৰু ক্ৰালকিঙৰ কামো যেনেকৈ হাতীৰে গচকাই টিপ দিয়াব লাগে তেনেকৈ নিদি মাত্ৰ ১½ kg. মানৰ এটা ধুমুচ দি টিপ দিয়া হয়। গতিকে এই ধৰণৰ মঠাউৰি নিৰ্মাণৰ কাম ক্ষণ ভঙ্গু নহৈ আৰু কি হব পাৰে ?

আৰু এটা কথা মঠাউৰি বিলাক কৰাৰ যি আঁচনি সেই আঁচনিৰ ক্ৰুটীৰ কাৰণে কাম কৰাৰ ২।৩ বছৰৰ পিচত এইটো পৰিলক্ষিত হয় যে সেই বিলাকৰ মেৰামতিৰ কামত ১½/২ গুণ টকা খৰচ হৈ যায়।

( সময়ৰ সংকেত )

আৰু এটা কথা যে বান প্ৰতিৰোধৰ বাবে যি বিলাক আহিলা পাতি মজুত থাকিব লাগে সেই বিলাক মজুত নথকাৰ ফলত বানপানীৰ সময়ত খৰ ধৰকৈ মেৰামতি কৰোতে বহুতো টকা অথলে যায়। তাৰ পাচত মাটি তোলা ক্ষেত্ৰত আগৰ Rit Measurment ৰ ঠাইত আজি কালি Cross Section Measurment হোৱাৰ ফলত প্ৰয়োজনীয় পৰিমাণৰ মাটিতকৈ কম মাটি উঠে। কিন্তু এই Measurment ৰ ফলত অধিক ব্যয় হয়, আৰু এক শ্ৰেণীৰ মানুহে টকা ঘটাৰ সুযোগ পায়।

ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ ৰিপৰ্টৰ ৬ পৃষ্ঠাৰ পৰা ৮ পৃষ্ঠাৰ ভিতৰত উল্লেখ থকা মতে ৯ লাখ ২০ হাজাৰ টকাৰ ভিতৰত ১ নং আৰু ২ নং অনুচ্ছেদত

৪ লাখ ৫ হাজাৰ ৯ শ টকা ধৰা হৈছে। তাৰ মাত্ৰ ৩ লাখ ১৭ হাজাৰ ২ শ টকা কম হৈছে। বাকী ৩ নংৰ পৰা ২৪ নং ত কেৱল ঘৰ তৈয়াৰৰ কাৰণে ৰখা হৈছে। ১৭ পৃষ্ঠাত দেখা যায় বান নিয়ন্ত্ৰণৰ কাৰণে ১ কোটি ৪৩ লাখ টকা ধাৰ্য্য কৰা হৈছে। এই পৰিমাণটো কম হৈছে, এই টকা আগৰ বছৰত কম আছিল। এইটো ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ কাৰণে লোৱা হৈছে। আৰু ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ কাৰণে ব্যয় সংকোচ হৈছে। আকৌ ১৮ পৃষ্ঠাত চাকৰীয়াল সকলৰ দৰ্মহা ১ কোটি ৮ লাখ ৮১ হাজাৰ ৯৬৫ টকা ৰখা হৈছে। ইমান বিলাক খৰচৰ তুলনাত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কাৰণে টকা কম হৈছে।

( সময়ৰ সংকেত )

শেষত মই কব খুজিছো যে পূৰ্বতে যি বিলাক প্ৰস্তাব আছিল সেই বিলাক ৰাজ্য চৰকাৰে আওকাণ কৰি একেবাৰে মই-মতালি ভাৱে কাম কৰিবলৈ লৈছে। এই বিষয়ে আশাকৰো চৰকাৰে মনোযোগ দিলে বান নিয়ন্ত্ৰণৰ কাম হয়তো হব পাৰে।

Mr. Speaker—এতিয়া তিনিটা বাজি ৯ মিনিট গ'ল। হুচেইন আপোনাৰ সময় ৫ মিনিট।

Shri A. N. Akram Hussain—ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আয়োগ গঠন হোৱাৰ পাচত ৰাইজৰ মনত যি সকাহৰ আৰু আশাৰ সঞ্চাৰ হৈছিল তাৰ পৰাই ৰাইজে ভাবিছিল যে অসমত শস্যৰে নদন-বদন হৈ উঠিব। কিন্তু চৰকাৰৰ কাৰ্য্য পদ্ধতিত ৰাইজ এতিয়া হতাশ হবলগীয়া হৈছে, আৰু ব্ৰহ্মপুত্ৰ আয়োগৰ কোনো কাম বিশেষ ভাবে হাতত লব পৰা নাই। ইয়াৰ কাৰণেই যে অসম চৰকাৰক ৰৱ সাধু হেন ভাবি কেন্দ্ৰীয় চৰকাৰে মাহী আইৰ চকুৰে চাইছে। এই আয়োগৰ কাৰণে যি অৰ্থৰ প্ৰয়োজন সেই অৰ্থ কেন্দ্ৰীয় চৰকাৰে দিয়া নাই আৰু অসম চৰকাৰেও কেন্দ্ৰীয় চৰকাৰৰ পৰা আদায় কৰিব পৰা নাই। এই আয়োগৰ কাৰ্য্য পালনৰ অৰ্থে অসম চৰকাৰে লাখ লাখ অসমবাসীক ৰক্ষা কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে দামোদৰ ভেলি প্ৰজেক্টত যেনেকৈ উদাৰ ভাবে অৰ্থ ব্যয় কৰিছে তেনেকৈ ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আয়োগক প্ৰাধান্য দিবলৈ জোৰ

কৰিব লাগে। কবলৈ দুখ লাগে মঠাউৰিত এচপৰা মাটিও নপৰাকৈয়ে এই আয়োগৰ কামৰ নামত কেইবা কোটি টকা ব্যয় হৈ গৈছে। এই টকা কলৈ গৈছে ? ইয়াত এটা ৰহস্য আছে। এই আয়োগৰ যি জন চেয়াৰমেন—তেখেতৰ নাম কোমৰা। মই হাট-বজাৰৰ কোমৰাৰ কথা কোৱা নাই। তেখেতে অফিচৰে এটা কোঠা দখল কৰি আছে। তেখেতৰ এই কোঠাটো সজাবৰ কাৰণে যিমান টকা খৰচ হৈছে আৰু তাত যিমান বিলাক আচবাব ৰখা হৈছে বোধহয় আমাৰ মুখ্যমন্ত্ৰীৰ ঘৰতো ইমান আচবাব নাই। আশাকৰো মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ে মিতব্যয়ী হবলৈ নিৰ্দ্দেশ দিব।

মোৰ সমষ্টিৰ ছয়গাওঁৰ আলিকাষত ব্ৰহ্মপুত্ৰ গৰাখহনীয়াই ভাঙিছে। এই ঠাই মুখ্যমন্ত্ৰীয়েও পৰিদৰ্শন কৰি আহিছে। আৰু তাৰ প্ৰতিৰোধৰ কাম চলিব ধৰিছে। বৰ্ত্তমান এই মঠাউৰিটো ভাঙি গ'লে ১৯ খন গাঁৱৰ হাজাৰ হাজাৰ বিঘা মাটি বালিময় হব আৰু সেই অঞ্চলৰ দুখীয়া খেতিয়ক সকল ভিক্ষাৰী হৈ পৰিব। গতিকে এই ১৯ খন গাঁৱৰ ৰাইজক চৰকাৰে ৰক্ষণা-বেক্ষণ দিব লাগে।

ইয়াৰ লগতে মই কব খুজিছো যে সমগ্ৰ অসমৰ খেতিপথাৰ বিলাক ব্ৰহ্মপুত্ৰ আয়োগে Insure কৰিব লাগে। আৰু ইয়াৰ Premium দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু যেতিয়া খেতি নষ্ট হব তেতিয়া তৎক্ষণাত তাৰ ক্ষতিপূৰণ দিয়াৰ নিয়ম থাকিব লাগে।

এতিয়া মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাও যেন পূব চমৰীয়া মৌজাত কলহী নদীৰ পাৰেদি গুমিৰ পৰা কৰাইবিল গাঁৱলৈকে মঠাউৰি সাজি এই দুখন মৌজা বানপানীৰ পৰা ৰক্ষা কৰিব লাগে। সামৰণিত এইটো কথা কওঁ যে বান নিয়ন্ত্ৰণৰ কৰ্মচাৰী সকলে সকলোৱে বেয়া কাম কৰে সেইটো নহয় কিন্তু Gauhati ৰ S. E. আৰু Executive ইঞ্জিনীয়াৰ আৰু আন কেইজনে বেচ Sincerely কাম কৰে। এই বিষয়ত মই Gauhati ৰ Supdt. Engineer (E&D)ৰ কথা উল্লেখ কৰিব খোজো। কিন্তু আমাৰ কিছুমান কংগ্ৰেছী স্বাৰ্থপৰ মানুহে এই সকল লোকক Transfer কৰিবৰ কাৰণে মুখ্যমন্ত্ৰীক বিভ্ৰান্ত কৰিব বিচাৰিছে ইয়াত যেন তেখেত বিভ্ৰান্ত নহয়। ইয়াকে

অনুৰোধ কৰি মই সামৰণি মাৰিলো।

* Shri Surendra Nath Das—অধ্যক্ষ মহোদয়, আমাৰ ৰাইজ বছৰে বছৰে এই ভয়াবহ বানপানীৰ কবলত পৰি জুৰুলা হৈ পৰিছে, সেইটো ভাবিলেই ভয় লাগে। প্ৰতি বছৰে এইদৰে বা আৰু এমাহ মান পিছতেই ভয়াবহ অৱস্থাৰ সৃষ্টি হব। কিন্তু এই ক্ষেত্ৰত গুৰুত্ব চৰকাৰে দিছে যদিও মানুহক ৰক্ষা কৰাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা বা কাৰ্য্যকৰী পন্থা দেখিবলৈ পোৱা নাই। সেই কাৰণে এতিয়া বানপানী আহিলে ৰাইজৰ যথেষ্ট ক্ষতি হব। সেই কাৰণেই ইয়াৰ পৰা কেনেকৈ ৰক্ষা কৰিব পৰা যায় তাৰ বিশেষ ব্যৱস্থা চৰকাৰে লব লাগে।

এই ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ কমিচন গঠন হোৱাত আমি সুখী হৈছো কিন্তু এতিয়াও আমাৰ লাখ লাখ কোটি টকাৰ খাদ্য বস্তু নষ্ট হৈ যায় কিন্তু আমাৰ ৰাজ্যৰ ক্ষতিগ্ৰস্ত লোক সকলক ৰক্ষা কৰিব পৰা নাই। আমাৰ বহুত মঠাউৰি বন্ধা হৈছে কিন্তু থিক সময়ত মেৰামতি ইত্যাদি নকৰাৰ কাৰণে ভয়াবহ অৱস্থাৰ সৃষ্টি হয়। May মাহত হে কাম আৰম্ভ কৰিছে কিন্তু ১৫ দিনৰ ভিতৰতে বানপানী আহি পাবই। নতুনকৈ দিয়া মাটি ভালদৰে নবহিলে বান্ধ বিলাক উটি যাব। গতিকে এইদৰে দেৰিকৈ কাম কৰিলে ৰাইজক ৰক্ষা কৰিব নোৱাৰিব।

উদাহৰণ স্বৰূপে কওঁ যে পাগলদিয়া নদীৰ মঠাউৰিত Breach হৈছে। আৰু এখন নতুন নদীত পৰিণত হৈছে। তাৰ পৰা বহুত মানুহৰ খেতিৰ মাটি নষ্ট হৈছে। কিন্তু কাম আৰম্ভ হৈছে যদিও যি ধৰণেৰে কাম বিলাক কৰিব লাগিছিল বা যি ধৰণে Officer সকলে থাকি নিৰ্দ্দেশ দি কাম কৰিব লাগিছিল সেই মতে হোৱা নাই। মই নিজে এই এলেকা চাবলৈ গৈছিলো আৰু সুধিছিলো S. D. O. বা Oversseer কোনোবা আহিছিল নে নাই কিন্তু জানিব পৰিলো তেওঁলোক অহা নাই আৰু মোহৰাৰে জোখ মাপ লৈ আছে। মোহৰাৰে জোখ ল'লে দুৰ্নীতিৰ সন্দেহ থাকে। সেই কাৰণে বিশেষ ভাবে এইটোলৈ নজৰ দিব লাগে কিয়নো এই Project ত ২ লাখ টকা খৰচ হৈছে। তাৰ বান্ধ ভাঙি নদীত পৰিণত

* Speech not corrected

হোৱাৰ ফলত ১৫ দিনৰ ভিতৰতে আমাৰ ২ লাখ টকা নষ্ট হৈ যাব বিশেষকৈ ব্ৰহ্মপুত্ৰ কমিশ্যনৰ চেয়াৰমেনে নিজেই চাই আহিছে, কিয়নো যি ঠাইত কাম কৰিব লাগিছিল তাত কাম হোৱা নাই, গতিকে এই বিষয়ে প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। লগতে জলসিঞ্চনৰ অৱস্থা সম্পৰ্কে মই অলপ কব খোজো। নদী বিলাকৰ ২/৩ ফালংৰ দূৰে দূৰে জলসিঞ্চনৰ ব্যৱস্থা আছে কিন্তু আচৰিত কথা যে মোৰ সমষ্টিত আজি ১১ বছৰে ৰাইজে পানী পোৱা নাই। তাৰ ৰাইজে আহু ধান কৰে কিন্তু পানী নোপোৱাৰ কাৰণে তেওঁলোকৰ খেতি মৰি গৈছে।

গতিকে জলসিঞ্চণৰ কাম অতি সোনকালে হাতত লব লাগে বুলি অনুৰোধ কৰি মই সামৰণি মাৰিলো।

* Dr. Surendra Nath Das—মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুষাব ক'ব খোজো। আমাৰ মাননীয় সদস্য সকলে কৈছে—বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত যি ধন খৰচ হয় তাৰ শতকৰা ৫০ ভাগ অপচয় হয়। এইটো কেৱল সদস্য সকলৰ কথাই নহয় গোটেই অসম বাসী ৰাইজৰ কথা। এইটো অপ্ৰিয় সত্য হ'লেও যদি এইদৰে চলি থাকে তেনেহলে আমি বান নিয়ন্ত্ৰণৰ কামত আগুৱাই যাব নোৱাৰিম।

কিন্তু বান নিয়ন্ত্ৰণৰ নামত কি হৈছে তাৰ এটা উদাহৰণ দিও। বৰপেটা মহকুমাৰ মৰাচাউল খোৱা নদীত এটা মঠাউৰি দিয়া হৈছে, তাৰ মাজৰ ১½ মাইল ঠাইত মঠাউৰি নাই, ফলত প্ৰত্যেক বছৰে বানপানীয়ে শস্য নষ্ট কৰি আছে।

মই বিধান সভালৈ অহাৰ পৰাই এই কথা কৈ আছো। কিন্তু সুফল একো নাপালো। আৰু সেই কাৰণেই ঘিলাজৰি অঞ্চলৰ ৰাইজে ভুগি থাকিব লাগিব আৰু আমি সহায়েই কৰি থাকিব লাগিব।

কুকুৰজানত ১২ লাখ টকা লোৱা হৈছিল বান্ধ বান্ধিবৰ কাৰণে কিন্তু আজিলৈ মাথো দেড় লাখ টকাৰহে কাম হৈছে। আমাৰ মাননীয় সদস্য দাস ডাঙৰীয়া আৰু গিয়াচুদ্দিন আহমেদ চাহাবেও কৈছে যে সম্পূৰ্ণ টকা নাথাকিলে আঁচনি লবই নালাগে কিন্তু তথাপিও আধা কাম কামৰ কাৰণে কম টকা লৈ কাম আৰম্ভ কৰিব নালাগে। তেনে কৰাৰ ফল ৰাইজেও নাপায়। মই সেই কাৰণে বিভাগীয় মন্ত্ৰী মহোদয়ক অনু-

* Speech not corrected

ৰোধ কৰো যাতে আঁচনিৰ কাম হাতত লোৱাৰ আগতে সম্পূৰ্ণ হয় নে নহয় সেইটো লক্ষ্য কৰে। ইয়াকে কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

Shri Pitsing Konwar—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বাননিয়ন্ত্ৰণ সম্পৰ্কত অনা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই কব বিচাৰিছোঁ যে আজি সঁচাকৈ আনন্দিত হৈছো যে চৰকাৰে মথাউৰি ৰক্ষাৰ বাবে এটা কাম কৰিছে অৰ্থাৎ বালিৰ বস্তা ঠিক কৰি ৰাখিবলৈ টেণ্ডাৰ কল কৰিছে। কিয়নো এইবাৰ বানপানী সঁচাকৈ আহিব বুলি চৰকাৰে ভাবিছে যেন পাওঁ।

মই এটা অঞ্চলৰ কথা কওঁ সেইটো হৈছে মায়ং অঞ্চলৰ কথা। মই অহাৰ আজি ৫ বছৰেই হ'বৰ হ'ল, মই প্ৰশ্ন আৰু বক্তৃতাৰ যোগেদি সেই একেটা কথাকেই কৈ আহিছো কিন্তু কামটো কৰা নাই। সেইটো শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকাৰ সমষ্টি। সেই অঞ্চলত ব্ৰহ্মপুত্ৰৰ মথাউৰি আজিলৈকে হোৱা নাই। অন্ততঃ মন্ত্ৰীজনাৰ সন্মান ৰক্ষা কৰিবলৈ হ'লেও সেই মথাউৰিৰ কামখিনি কৰা উচিত। ব্ৰহ্মপুত্ৰ মথাউৰটো ধনশিমলুৰ পৰা হিটোখুন্দা পাহাৰলৈ নোহোৱাৰ ফলত সেই ঠাইৰ মানুহবোৰ এতিয়া উঠি আহি ফৰেষ্ট আৰু জঙ্গল আদিত বহিবলগীয়া হৈছে। আকৌ শিল-ঘাটৰ পৰা ভুৰাগাওঁ লৈ মথাউৰি কৰিছে যদিও মথাউৰিৰ মেৰামতি কাম বছৰি ভাল-দৰে হৈ নুঠে। এই ধৰণে খাম-খেয়ালী যাতে নচলে সেইটো আশা কৰিছোঁ। Flood Control Commission ৰ চেয়াৰম্যানে আমিলিঘাটৰ ওচৰৰ ডিমাল অঞ্চল আৰু ভুৰাগাওঁ অঞ্চলটো চাই আহিছে। ডিমালৰ পৰা আমিলিঘাটলৈ চাই আহিছে। সেই অলপমান কামত ৩০ হাজাৰ টকাও খৰচ নহয় অথচ কামখিনি এতিয়াও হোৱা নাই। আকৌ নামগাওঁৰ পৰা এলাহি লৈ এই কেইমাইলৰ কাম হোৱা নাই। ইয়াৰ কাৰণ কি? ইয়াতো দুয়োপাৰে মথাউৰি হব লাগে। আকৌ মথাউৰিৰ বাবে টেণ্ডাৰ কল কৰিছে কিন্তু পুৰণি খন্দা মাটিকে পুনৰাই খান্দি মথাউৰিত মাটি দিছে কিন্তু আচলতে মথাউৰিত মাটি বেছি উঠা নাই। নতুন খাল খান্দিলেহে বেছি মাটি উঠিব। তাতো আকৌ Sluice Gate নাই। ফলত পানী জমা হৈ ধান আৰু অন্যান্য শস্য আদি নষ্ট হৈছে।

ইয়াত Sluice Gate ৰ ব্যৱস্থা অতি সোনকালে কৰিব লাগে। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

* Shri Pushpadhar Chaliha—অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণৰ বিষয়ে যথেষ্ট আলোচনা হৈছে। মই মাত্ৰ কেইটামান পৰামৰ্শ আগবঢ়াবলৈ থিয় হৈছো। আমাৰ অসমত প্ৰাকৃতিক দূৰ্যোগে এটা অন্যতম পৰিস্থিতিৰ সৃষ্টি কৰে। এই মহাবাহু ব্ৰহ্মপুত্ৰকে ধৰি নানা নদ-নদীয়ে আমাৰ অসমত বাননিয়ন্ত্ৰণত এটা সমস্যাৰ সৃষ্টি কৰিছে। আৰু এই সমস্যা সমাধানত আমাৰ চৰকাৰ যথেষ্ট পৰিমাণে কৃতকাৰ্য্যও হৈছে। কাৰণ আজি ২০ বছৰৰ আগৰ যিটো ছবি অসমত দেখা পাইছিলোঁ আজি সেই ছবি নাই। অন্ততঃ মোৰ নিজৰ জিলা শিৱসাগৰতে ৪টা অঞ্চল যেনে জকাইচুক, কোঁৱৰপুৰ পানিদিহিং আৰু ঠাওৰা, এই ৪ টা অঞ্চলত ১৯৫০ চনত ভূমিকম্প হোৱাৰ পিচৰে পৰা বানপানী হৈ আছিল, কিন্তু সৌভাগ্যবশতঃ চৰকাৰৰ আঁচনিৰ জৰিয়তে এই ঠাই বিলাকত এতিয়া বাননিয়ন্ত্ৰণ কৰা হৈছে। ফলত ৰাইজেও ৰক্ষা পাইছে আৰু শস্য আদিও বৃদ্ধি হৈছে। যদিও যোৱা বছৰ কোঁৱৰ পুৰত এটা অপ্ৰত্যাশিত ঘটনা ঘটিছিল। মই চৰকাৰক পৰামৰ্শ আগবঢ়াওঁ যে যাতে E & D আৰু P. W. D. তে সন্তুষ্ট নাথাকি ব্ৰহ্মপুত্ৰ কমিচনৰ সীমাবদ্ধতা গুচাই দি ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰাৰ লগে লগে ইয়াৰ উপনৈ সমূহো নিয়ন্ত্ৰণ কৰিবলৈ ব্যৱস্থা হাতত লব লাগে। তাৰ বাহিৰে সৰু-সুৰা নদী বিলাক E & D বিভাগৰ হাতত থাকিব। কিয়নো ব্ৰহ্মপুত্ৰ কমিশ্যনে ব্ৰহ্মপুত্ৰলৈ চকু দিওঁতে সৰু-সুৰা নদী বিলাকলৈ পিঠি দিয়াটো এটা ডাঙৰ সমস্যা হৈ পৰিছে। মোৰ সমষ্টিৰ নামতি নদীৰ ২/২½ মাইল ঠাইলৈকে আজি ১০ বছৰে পিঠি দি আহিছে। ফলত ২।৩ খন মৌজাৰ লোকে কষ্ট ভোগ কৰিছে। আকৌ দিবাং, দিখৌ নদীতো কোনো মনোযোগ দিয়া নাছিল। ফলত যোৱা বছৰো এই অঞ্চলৰ লোক ক্ষতিগ্ৰস্থ হৈছে। মথাউৰি মেৰামতি কৰোতে অলপ টকাৰো অভাৱ হয় অথচ ক্ষতিগ্ৰস্থ মৌজাৰ লোকক সাহায্য আদি দিয়া কামত প্ৰায় তিনিগুণ টকা খৰচ হয়। এই বিলাক কথা ভাবি চাব লাগে। বৰ সুখৰ বিষয় যে এই বিষয়ে ৰাজ্যিক মন্ত্ৰীয়ে বিহুৰ আগ-পিচে কৰি দিম বুলি কথা দিছে। গতিকে তেখেতৰ শলাগ লৈছোঁ

---

* Speech not corrected

আৰু এটা গুৰুত্বপূৰ্ণ কথা হ'ল যে জলসিঞ্চন বিভাগটোৰ লগত কৃষি বিভাগৰ অলপ Co-ordination থাকিব লাগে। নহ'লে ঠিক দায়িত্ব পালনত অসুবিধা আহি পৰে। গতিকে নিয়ন্ত্ৰণৰ যিবিলাক সুবিধা সেই বিলাক উপভোগত আমি মনোনিবেশ কৰিব পৰা নাই। এই নদী বিলাকত মঠাউৰি বন্ধা বা আন ব্যৱস্থা লোৱাৰ লগে লগে তাৰ পৰা যাতে বৰ্দ্ধিত পানী যোগানৰ ব্যৱস্থা হয় তাৰ এটি সুক্ষ্ম দৃষ্টি আগত ৰখিহে এই আঁচনি বিলাক কৰিলেহে সমস্যা বিলাকৰ সমাধান হব।

তাৰপিচত আৰু কিছুমান আছে যিবিলাক কথা আমি সকলো সদস্যাই বিধান সভাত সদায়ে মনোনিবেশ কৰি আহিছো। মই আশাবাদ, নিৰাশবাদী নহয়। আমাৰ চৰকাৰে যিবিলাক আঁচনি লয় তাক কাৰ্য্যকৰী কৰা ক্ষেত্ৰত যাতে সুবিধাবাদী সকলে সুবিধা নলয় তাৰ বাবে সদায়ে চৰকাৰক অনিৰ্বন্ধ ভাৱে অনুৰোধ কৰি আহিছো।

(সময়ৰ সংকেত)

মই এটা উদাহৰণ দিছো—শিৱসাগৰৰ পৰা ঠিকাদাৰ সকল আহি ইয়াত নিবেদন জনাইছে। তেওঁলোকে হয়তো ১/২ হাজাৰ টকাৰ কাম পোৱাত ব্যাঘাট জন্মিছে। গতিকে কিছু স্বাৰ্থ জড়িত লোকৰ কাৰণে যাতে আমাৰ দুখীয়া ৰাইজ এই কাম বিলাকৰ বঞ্চিত নহয় এই বিষয়ে চৰকাৰৰ চোকা দৃষ্টি আকৰ্ষণ কৰিলো। মই বহুতো তথ্য পাতি লৈ আহিছিলো। সময়ৰ নাটনিত কব নোৱাৰিলো। মই মাত্ৰ শেষত কওঁ যে বান বিধ্বস্ত সকলৰ কাৰণে মুৰামুৰী সময়ত যি সাহায্য আগবঢ়াই তাৰ যাতে ভালদৰে প্ৰয়োগ হয় তাৰ বাবে চৰকাৰৰ তীক্ষ্ণ দৃষ্টি আকৰ্ষণ কৰিলো। শেষত ব্ৰহ্মপুত্ৰ কমিচন, E & D বিভাগৰ যাতে এটা স্থায়ী ব্যৱস্থা হয় আৰু ডাঙৰ ডাঙৰ আঁচনিৰ ফালে চকু ৰখাৰ উপৰিও সৰু সৰু আঁচনিৰ লগত যাতে ইয়াৰ Co-ordination সদায় থাকে তাৰ বাবে দৃষ্টি আকৰ্ষণ কৰি সামৰণি মাৰিলো।

অধ্যক্ষ—৩-১৫ মিনিটত Debate Close কৰা কথা। আৰু ১০ মিনিট বঢ়াব লাগিলে বেছি হয়। সনাতণৰটো লিষ্টত নাম নাই।

শ্ৰীকবীৰ ৰায় প্ৰধানী—মোৰ নাম দিয়া আছে।

শ্ৰীধৰণীধৰ চৌধুৰী—মই যোৱা কালিয়ে নাম দিছো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী—৩-১৫ মিনিট হলেই আৰু বেছি সময় accept কৰিব নোৱাৰি।

শ্ৰীভুবনেশ্বৰ বৰ্ম্মণ—বিতৰ্কৰ সামৰণি মৰাত আমি ভাল পাইছো। এতিয়া উত্তৰ লাগে।

অধ্যক্ষ—প্ৰত্যেক দিনেই লিষ্ট দিব লাগে।

শ্ৰীহুলাল চন্দ্ৰ বৰুৱা—ইমান খিনি সময় দিলে যেতিয়া আৰু ১০ মিনিট সময় বঢ়াই দিয়ক।

অধ্যক্ষ—তেনেহলে ৩-৩০ মিনিট লৈ বঢ়াই দিয়া হওক।

(সদনে সন্মতি দিছে)

Shri Dharanidhar Choudhury—অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ সমস্যাটো অতি জটিল আৰু বৃহৎ। অসমৰ বান নিয়ন্ত্ৰণ কৰিবলৈ হলে Expert সকলৰ মতে অতি কমেও ৫০০ কোটি টকাৰ প্ৰয়োজন। আমাৰ মুখ্য-মন্ত্ৰী ডাঙৰীয়াৰ এটা Statement ত ও দেখিলো তেখেতৰ মতেও ৫০০ কোটি টকা হলেহে বুজন পৰিমাণৰ কাম হব পাৰে। প্ৰশ্ন হৈছে ৫০০ কোটি টকা অসম চৰকাৰে কেতিয়া বা ক'ৰ পৰা যোগাৰ কৰিব? কেন্দ্ৰীয় চৰকাৰেও ১'১ বছৰত ইমান টকা দিয়া সম্ভৱপৰ নহয়য়েই ২০।২৫ বছৰৰ ভিতৰতও ইমান টকা অসমৰ বান নিয়ন্ত্ৰণ ক্ষেত্ৰত খৰছ কৰাটো বোধহয় সম্ভৱপৰ নহয়। কেন্দ্ৰীয় চৰকাৰৰ সৌজন্যত ব্ৰহ্মপুত্ৰ কমিশ্যন যদিও প্ৰতিষ্ঠা হ'ল—কমিশ্যনে কামত আগবাঢ়িব পৰা নাই। এই বছৰত আৱশ্যকীয় টকাখিনি এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে দিয়া নাই। কথিত আছে—"যি মূলা বাঢ়ে তাৰ দুপাততে চিন"। সেই দেখি কমিশ্যনৰ ওপৰতে আমি নিৰ্ভৰ কৰি থাকিলে নহব। অসম চৰকাৰৰ অসমৰ জনসাধাৰণৰ দুখ-কষ্ট লাঘব কৰাৰ দায়িত্ব আছে। গতিকে ডাঙৰ ডাঙৰ আঁচনি বিলাক কমিশ্যনৰ ওপৰত এৰি দি সৰু সৰু আঁচনি বিলাক কাৰ্য্যকৰী কৰিবলৈ অসম চৰকাৰে সকলো ধৰণৰ ব্যৱস্থা লোৱা উচিত হব।

বৰপেটা মহকুমাৰ পহুমাৰা নদীটোৰ মাজভাগত মঠাউৰি নিৰ্মাণ কৰা হৈছে। ওপৰৰ ফালে সোঁ পাৰত কঠলমুৰী ঘাটৰ ওপৰ অঞ্চলত

ৰূপহী নদী আৰু পহুমাৰা নদী লগ হৈছে আৰু সেই অঞ্চলত কোনো মঠাউৰি নথকাৰ ফলত পানীবোৰ কঠলমুৰী ঘাটৰ পৰা যি মঠাউৰি আছে তাৰ ওপৰৰ ফালেৰে সুমাই প্ৰতি বছৰে খেতিপথাৰ নষ্ট কৰে। তাক ৰোধ কৰিবলৈ ৰূপহী নদীৰ পাৰত মঠাউৰি বান্ধিবলৈ হাতত ললে। একেবাৰে সৰু ধৰণৰ মঠাউৰি তথাপি যোৱা বছৰত মঠাউৰিটোৰ কাম সম্পূৰ্ণ নহ'ল ফলত পহুমাৰা নদীৰ সোঁ ফালৰ সকলোবোৰ খেতি-বাতি নষ্ট হ'ল। এই বছৰো এতিয়ালৈকে মঠাউৰিটো সম্পূৰ্ণ কৰিবলৈকে কাম হাতত লোৱা হোৱা নাই। এই অঞ্চলত এটা ডাঙৰ সমস্যা হৈছে পহুমাৰাৰ সোঁ ফালত ময়নাজান আৰু টেকলাৰ জান নামেৰে দুটা জান আছে। কেইবছৰমান আগতে ময়নাজানত এখন পানীদুৱাৰ সাজিছিলে কিন্তু সেই বছৰতে বানপানীয়ে পানীদুৱাৰখন ভাঙি দিলে। যোৱা বছৰত আকৌ টেকেলা জানত এখন পানীদুৱাৰ সাজিলে কিন্তু বানপানী অহাৰ লগে লগে সেইখন পানীদুৱাৰো ভাঙি থাকিল। কিন্তু সাধাৰণ জ্ঞানৰ দ্বাৰাই উপলব্ধি কৰিব পাৰি পানী স্ৰোতৰ অনুপাতে ময়না জান টেকলা জান দুয়োটা জানতে দুখন পানীদুৱাৰ একেলগে সাজিব লাগে, কিন্তু Department ৰ Engineer সকলে সেইটো কৰিবলৈকে কিয় অনিচ্ছুক আমি বুজিব পৰা নাই। মই অলপতে ব্ৰহ্মপুত্ৰ কমিচনৰ Chief Executive Officer জনক লগ ধৰি তেওঁক অনুৰোধ কৰিলো এই জান দুটাত অতি সোনকালে দুটা পানীদুৱাৰ সজাৰ ব্যৱস্থা লবলৈ। তেখেতে মোক জনালে তাকে কৰিবলৈ হলে কিছুদিন পানীৰ গতি Observe কৰিব লাগিব। মই আচৰিত হলো কাৰণ ১৯৫৪/৫৫ চনত এই ঠাইত মঠাউৰি সজা হয় আৰু প্ৰতি বছৰে বানপানীৰ উপদ্ৰৱ সেই অঞ্চলত হয়—তেনে অৱস্থাত বিভাগীয় কৰ্মচাৰী সকলে যদি এই সমস্যা Observe কৰা নাই তেন্তে তেওঁবিলাকে ইমান দিনে তাত কি কৰি আছে? মই জনাত সেই অঞ্চলত নানা ধৰণৰ Investigation, Survey আদি কেইবছৰমান আগতে কৰিছিল। সেইবোৰ ৰেকৰ্ড ক'ত গ'ল। মোৰ এই কথাত এটা সন্দেহ হৈছে দৰাচলতে জৰীপৰ অভাব নে কৰ্মচাৰী সকলৰ কাম কৰাৰ আগ্ৰহৰ অভাব।

জৰীপৰ কথাত মোৰ এটা কথা মনত পৰিছে। ১৯৪৭ চনতে

মানাহ নদীৰ জৰীপৰ কাম আৰম্ভ হৈছিল। এতিয়া শুনিব ধৰিছো যে মানাহ নদীৰ জৰীপ আদিৰ নথি-পত্ৰকে বিচাৰি নোপোৱা হৈছে। যদি এইটো সঁচা হয় তেন্তে মানাহ নদীৰ নিয়ন্ত্ৰণ আমি আশা কৰিব পাৰো নে ?

পহুমাৰা নদীৰ সোঁফালে কঠলমূৰি ঘাটৰ পৰা কৰ্দ্দৈগুৰী বামাখাতা ৰাস্তালৈকে যি ডোখৰ মঠাউৰি আছে সেইখিনিও যথেষ্ট ভুখ নহয়। যোৱা বছৰ বানপানীৰ সময়ত সেই অঞ্চলৰ মঠাউৰিৰ অৱস্থা চাবলৈ মই গৈছিলো। দেখিলো হাজাৰ হাজাৰ মানুহে মঠাউৰিৰ ওপৰত মাটি দি আছে, মঠাউৰিৰ ওপৰত অলপ অলপ পানী উঠিছে আৰু মানুহ বিলাকে পানী বন্ধ কৰিছে। মানুহ বিলাক আতঙ্কিত লগতে উত্তেজিত। আমাৰ জীপখন ওচৰ চপাত কিছুমান মানুহে চিঞৰি ক'লে E&D ৰ গাড়ী আহিছে পানীত পেলাই দিব লাগে। তেতিয়া মই গাড়ীৰ পৰা নামি গলো আৰু মানুহবোৰে মোৰ ওচৰলৈ আহি তেওঁলোকৰ ভয় ও আতঙ্কৰ কথা কবলৈ ধৰিলে। মই লক্ষ্য কৰিছো যে মঠাউৰিটো ইমান দিনে ওখ নকৰাত মানুহৰ ধৈৰ্য্যৰ সীমাৰেখাৰ শেষ বিন্দু পাইছে গৈ।

Shri Lakshyadhar Choudhury—মই এইখিনিতে এটা কথা কব বিচাৰিছো—তেখেতক ৰাইজে যে বেৰি ধৰিছিল—তেখেতক বেৰি ধৰাটো দেখুৱাবলৈ ৰাইজক আগতে জনাই দিছিল নেকি ?

Shri Dharanidhar Choudhury—মই ৰাইজক বেৰি ধৰিবলৈ জনোৱাতো নাছিলোৱেই আৰু কোনো দিনে বেৰি ধৰিবলৈ নক'মও। দৰাচলতে ৰাইজ মঠাউৰিৰ পৰা হব পৰা সম্ভাব্য দুৰ্গতিত আতঙ্কিত হৈছিল।

Shri Dulal Chandra Barua—তেওঁতে এফালে Party ৰ সভ্য আন ফালে Party ৰ Secretary, গতিকে তেখেতৰ মুখতেই এনেকুৱা কথা ওলালে আমাৰও তেনে ধৰণৰ কথা ওলাবই। তেখেতৰ এই কথাটোৱে কাৰোবাক Encourage কৰিছে নেকি ?

Shri Dharanidhar Choudhury—মই কাকো Encourage কৰা নাই। মই সকলো প্ৰকাৰ হিংসাত্মক কামতেই বিশ্বাস নকৰো। মই মাথো সেই অঞ্চলৰ মানুহ বিলাকৰ প্ৰকৃত অৱস্থা আৰু অনুভূতিৰ কথাহে

সদনত দাঙি ধৰিব বিচাৰিছো।

নদীবোৰৰ পাৰত মঠাউৰি বান্ধোতে যি বিলাক মাটি অধিগ্ৰহণ কৰা হৈছে অসমৰ প্ৰায় ঠাইতে সেইবোৰ মাটিৰ ক্ষতিপূৰণ চৰকাৰে ৰাইজক দিছে। পহুমাৰা মঠাউৰি বান্ধিবলৈ লোৱা হৈছে ১৯৫৪।৫৫ চনতে কিন্তু আজলৈকে পহুমাৰা নদীৰ পাৰৰ মাটিৰ ( ১ম কেজৰ ) ক্ষতিপূৰণ ৰাইজক দিয়া হোৱা নাই। বিচাৰ কৰি জানিব পাৰিছো যে ক্ষতিপূৰণৰ সেই ফাইলটো যেনো অদৃশ্য হৈছে। মই চৰকাৰক টানি অনুৰোধ জনাও যেন এই বহুদিনৰ পৰা পৰি থকা ক্ষতিপূৰণ সমূহ অতি সোনকালে ৰাইজক দিয়া ব্যৱস্থা কৰে।

Shri Atul Chandra Goswami—অসমৰ অন্যান্য ঠাইৰ বানপানীৰ কাৰণে যিমান টকা চৰকাৰে দিছে তাৰ ভিতৰত তেখেতৰ সমষ্টিতেই আটাইতকৈ বেচি দিছে।

Shri Dharanidhar Choudhury—মাননীয় সদস্যজনে এই খবৰ ক'ত পালে, দুখেৰে সৈতে জনাও যে এই খবৰটো সঁচা নহয় দিৰিং নামৰ এটা পাগলাদিয়াৰ সুঁতি ফালি আহি কালদিয়া নদীত পৰি বজালী অঞ্চলত বানপানীৰ সৃষ্টি কৰিছে আনহাতে পাগলাদিয়া, বুঢ়াদিয়া, টিহু কালদিয়া আৰু পহুমাৰা নদী লগ হৈ বৰপেটা মহকুমাৰ সোঁ মাজত বিৰাট বানপানী সৃষ্টি কৰে। কিন্তু আজিলৈকে এই বানপানী ৰোধ কৰিবৰ বাবে একো ব্যৱস্থা লোৱা হোৱা নাই। যোৱা বছৰ ৰাঘবৰ মঠাউৰি দঙৰা অঞ্চলত ভাঙি যায়। এইবাৰ সেই অঞ্চলত এটা Retirement বান্ধ দিব ধৰিছে। এই বান্ধটো সাজিবলৈ ঠিকাদাৰ সকলক প্ৰতি ঘন মিটাৰ মাটিত ২·১৫ পইচা হিচাবে ৰেট দিয়া হৈছে। মঠাউৰিটো উন্নত ধৰণে বান্ধিবলৈ লোৱা হৈছে গতিকে ঠিকাদাৰ সকলে Superintending Engineer ক জনালে বতৰৰ এই শেষ অৱস্থাত এই ৰেটৰে কাম কৰা টান গতিকে ২·১৫ পইচাৰ ঠাইত ২·৩০ পইচা দিব লাগে। ঠিকাদাৰ সকলৰ এই অনুৰোধ Engineer জনে গ্ৰাহ্য নকৰিলে। ভাল কথা। কিন্তু এতিয়া জানিব পাৰিছো যে যি সকল ঠিকাদাৰে অকলে Engineer ক নিবেদন জনাইছে সেই বিলাক ঠিকাদাৰক ২·৪০/২·৫০ পইচা লৈকে ৰেট বঢ়াই দিছে। যদি সময়ত ২·৩০

পইচা দিয়া হলে কামটোও সম্পূর্ণ হ'লহেতেন, কিন্তু তাকে নকৰাৰ ফলত অধিক হাৰত ৰেট্‌ দিয়া হ'ল অৰ্থাৎ খৰছ বেচি কৰা হ'ল আনফালে মঠাউৰিৰ কাম যে সম্পূৰ্ণ হব তাৰ ও আশা ক্ষীণ হ'ল।

( সময়ৰ সঙ্কেত )

যিহেতুক যি বিলাক মঠাউৰি আধৰুৱা আছে সেই বিলাক মঠাউৰি সম্পূৰ্ণ কৈ নিৰ্মাণ কৰিব লাগে কিন্তু তাৰ উপৰি Irrigation ৰ ওপৰত চৰকাৰে বেচি গুৰুত্ব দিয়া উচিত হব। যদি নানা ধৰণৰ Flow Irrigation, আৰু Lift Irrigation ৰ জৰিয়তে খেতি পথাৰত পানী যোগান ধৰিব পৰা যায় তেন্তে খেতিৰ উন্নতি যথেষ্ট আশা কৰিব পৰা যায়। বানপানী সম্পূৰ্ণ কৈ নিয়ন্ত্ৰণ কৰা টান আৰু ব্যয় বাহুল্য। যদি যথেষ্ট পৰিমাণৰ Irrigation ৰ জৰিয়তে খৰাংকালিৰ খেতি ভালকৈ কৰিব পৰা যায় তেতিয়া হলে বানপানীয়ে যি ক্ষতি কৰে সেই ক্ষতি পূৰণ কৰা সম্ভৱ হব। সেই দেখি আধৰুৱা মঠাউৰি সম্পূৰ্ণ কৰা আৰু অধিক গুৰুত্ব সহকাৰে Irrigation ৰ ওপৰত জোৰ দিবৰ কাৰণে চৰকাৰক নিবেদন কৰিলোঁ।

* Shri Kabir Chandra Roy Pradhani—অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ, মোৰ সমষ্টিটো একেবাৰে পশ্চিম কোণত আছে, এইটো সকলোৱে জানে। কিন্তু তাৰ উন্নতিৰ কাৰণে হলে কাৰো চকু নপৰে।

মোৰ সমষ্টিত তিনিখন নৈ আছে।

Shri Hiralal Patwary—অধ্যক্ষ মহোদয়, মাননীয় সদস্যজন কংগ্ৰেছত যোগ দিয়াৰ পাছত তেখেতৰ আসনটো ক'ত ৰাখিছে আৰু তেখেত এতিয়া ক'ত বহিছে?

Shri Kabir Chandra Roy Pradhani—মাননীয় সদস্যই মিছাতে মোৰ সময় নষ্ট কৰিছে।

এই তিনিখন নদীৰ বানপানীৰ কথা চৰকাৰে নজনা নহয়। তেখেত সকলে জানে কাৰণেই মোৰ সমষ্টিত Test Relief আদিৰ যোগান

* Speech not corrected

ধৰিছিল আৰু কেইটামান কাম কৰি দিছে। কিন্তু এতিয়ালৈকে মই দেখিছোঁ যে ১৯৬২ চনত ৬ মাইল জোৰা এটা বান্ধ বান্ধিবলৈ আৰম্ভ কৰিলে। সেই বান্ধটোৰ উত্তৰ পাৰে ব্ৰহ্মপুত্ৰলৈকে ১০০ মাইল হব। কিন্তু চৰকাৰে মাত্ৰ ৬ মাইলহে বাৰিষা হোৱা দেখিলে।

যি নহওক এই ৬ মাইলৰ ভিতৰত চুথন নৈ লগ লাগি আছে। এই অঞ্চলত প্ৰতি বছৰেই ভাঙৰ বানপানী হয় আৰু বৰ বেয়াকৈ পানী উঠে। তাৰ ফলত খেতিয়কৰ গোটেই খেতি নষ্ট হয়। প্ৰতি বছৰে এইদৰে হলে খেতিয়ক সকল কেনেকৈ বাচিব। যোৱা বছৰ বেছি ভাঙৰকৈ বানপানী হোৱাত এতিয়া ৰাইজৰ খাবলৈ ধানেই নাইকীয়া হৈছে। গতিকে সেই কেইজন দুখীয়া খেতিয়কক বচাবৰ কাৰণে যিটো ব্যৱস্থা আছে সেইটো খৰতকীয়াকৈ কৰিব লাগে।

আৰু এটা কথা যে বান নিয়ন্ত্ৰণ ক্ষেত্ৰত আমাৰ চৰকাৰ তথা চৰকাৰী কৰ্মচাৰী সকলে ৰাইজৰ প্ৰতি অৱহেলা কৰি আহিছে। আমাৰ অফিচাৰ বিলাকে কামেই কৰে নে কি কৰে সেই বিলাকৰ কোনো তদন্ত নহয়। চেখেত সকলে Technical Expert ৰ নামত সকলো বিলাক অযথা খৰছ কৰি আছে। কিন্তু কৰ্মচাৰী সকলে তাৰ কোনো দায়িত্বকে বিবেচনা কৰি কৰা নাই। ফলত আমাৰ চৰকাৰো দায়িত্ব-হীন আৰু বিবেচনাহীন হৈ পৰিছে।

আজি জাতীয় সমস্যা দূৰ কৰিবৰ কাৰণে লাখ লাখ টকা খৰছ কৰিছে। কিন্তু এটাও কাম ভালকৈ নকৰে চৰকাৰী কৰ্মচাৰী বিলাকে। কাম নকৰে কিন্তু টকা লৈ যায় আৰু কিছুমানে অলপ কাম কৰে কিন্তু বহুত টকা লৈ যায়। এই বিলাক কিছুমান অফিচাৰৰ মাজত খামখিয়ালী সৃষ্টি হোৱাটো ভাল নহয়, তাৰ ফলত আজি ৰাইজৰ মৰণৰ গতি হৈছে। ১৯৬৮ চনত Dr. K. L. Rao ৱে এটা Diversion দিছিল মঠাউৰিৰ সম্পৰ্কত। চৰকাৰে সেইমতে মাটি ললে; কিন্তু তাৰ ক্ষতিপূৰণ এতিয়া-লৈকে দিয়া নাই। তাৰ পাছত Diversion ৰ কিছুমান কাম শেষ নহ'ল। কাৰণ জুন মাহত কাম আৰম্ভ কৰিছে। ফলত টকা-পইচা খিনি অযথা খৰছ হ'ল।

সেই কাৰণে বাইজক টকা দিয়াৰ আগতে E & D বিভাগলৈ বহুতো বাইজ টকাৰ বাবে আহি থাকিবলগীয়া হৈছে। গতিকে এই বিলাক Supervision কৰিবৰ কাৰণে Sub-Division ত এটা Board থকা ভাল। নহলে যথেমথে তেওঁলোকে টকা খৰছ কৰি থকিব।

(সময়ৰ সঙ্কেত)

Mr. Speaker—Now it is 3·30 P. M. The discussion is closed. The Minister will reply.

Shri Syed Ahmed Ali— [( Minister of State, P. W. D. ( F. C. & I )]

Mr. Speaker, Sir, at the outset I offer my thanks to the Hon. Members for raising this discussion through a Cut Motion because it offers me an opportunity to explain and appraise the House.

মাননীয় অধ্যক্ষ মহোদয়, মই পোন প্ৰথমে আমাৰ মাননীয় সদস্য সকলক ধন্যবাদ জনাইছো যে এই কৰ্ত্তন প্ৰস্তাৱৰ যোগেদি E & D বিভাগৰ খুটি-নাটি সম্পৰ্কে এটা আলোচনা কৰাৰ সুযোগ মোক দিছে। মাননীয় সদস্য সকলে দিয়া Allegation, Suggestion ইত্যাদিৰ উত্তৰ দিয়াৰ আগতে অসমত হোৱা বানপানীৰ এটি চমু ইতিহাস দিবলৈ বিচাৰিছো। ১৯৫০ চনৰ আগতেও অসমত বানপানী হৈছিল। কিন্তু সিমান সঘনে হোৱা না্ছিল আৰু ক্ষতিৰ পৰিমাণও কম আছিল। ১৯৫০ চনৰ পাচৰে পৰাহে বানপানীৰ প্ৰকোপ বৃদ্ধি হৈছে। ইয়াৰ কাৰণ কি? আমাৰ ৰাজ্যৰ ব্ৰহ্মপুত্ৰ নদী পৃথিবীৰ ভিতৰতে বৃহত্তৰ আৰু শক্তিশালী আৰু অসমৰ বানপানীৰ প্ৰধান কাৰণ হল এই ব্ৰহ্মপুত্ৰ নদী। এই নদীৰ দীৰ্ঘ প্ৰায় ২৮৮০ কিলোমিটাৰ। তাৰে ১৬০০ কিলোমিটাৰ তিবেতত পৰিছে, ৮৮০ কিলোমিটাৰ ভাৰতত, বাকী অংশ পূৰ্ববঙ্গত পৰিছে। ইয়াৰ ভিতৰৰে ১৬০ কিলোমিটাৰ নেফাত পৰিছে আৰু ৭২০ কিলোমিটাৰ অসমত পৰিছে। প্ৰায় দীৰ্ঘতম অংশ অসমতেই পৰিছে এই নদী মানস সৰোবৰৰ পৰা উৎপত্তি হৈ শদিয়া, পাছিঘাটৰ মাজেদি

আহি অসমৰ বুকুৰে বৈ গৈছে। এতিয়া কথা হ'ল ১৯৫০ চনৰ পৰা বানপানী কিয় বেচি হব ধৰিছে? মহোদয়, আমি জানো যে ১৯৫০ চনৰ ভূমিকম্পৰ ফলত ব্ৰহ্মপুত্ৰৰ তলি ওপৰলৈ উঠি আহিলে--ফলত ডিব্ৰুগড়ত প্ৰায় ১০ ফুট ওপৰলৈ উঠিল আৰু অন্যান্য ঠাইতো ২।৩ ফুটলৈ উঠিল। ইয়াৰোপৰি অন্যান্য উপনদী বিলাকো তাৰ পাৰত থকা কুমলীয়া পাহাৰ বিলাকৰ পৰা শিল, বালি আদি আহি Land Slide হৈ নদী গৰ্ভত পৰি নদী ৰাম কৰি পেলাইছে। ফলত সৰু সৰু নদী-বিলাক Silt পৰাত বাৰিষা যেতিয়া পাহাৰৰ পৰা পানী নামি আহে তেতিয়া সেই পানী বাম নদীয়ে বহন কৰিবলৈ অসমৰ্থ হোৱাত নদীৰ দুয়োপাৰ ভাঙি আমাৰ ৰাজ্যত বানপানীৰ সৃষ্টি হয়। এই বানপানী কেনেকৈ নিয়ন্ত্ৰণ কৰিব পাৰি সেই বিষয়ে অভিজ্ঞ সকলে দুটা মতামত দিছে। এনে ভয়ঙ্কৰ বানপানীৰ কবলৰ পৰা হাত সাৰিবলৈ কেনে ধৰণৰ ব্যৱস্থা হাতত লব লাগে সেই বিষয়ে Expert সকলৰ মতামত লোৱা হৈছে আৰু তেখেত সকলে এই বিষয়ত দুটা Alternative Opinion দিছে। প্ৰথমটো হ'ল ব্ৰহ্মপুত্ৰ নদীৰ উৎপত্তি স্থলৰ পৰা য'ত পৰিছে তালৈকে এই গোটেই Area টো Drazing কৰিব লাগে। কিন্তু এইটো অসম্ভব কথা।

Shri Debeswar Sarmah—কোন Expert য়ে Opinion দিছে? আমি মালা পিন্ধাই আগবঢ়াই আনিব লাগে!

Shri Syed Ahmed Ali—Expert সকলে বানপানীৰ সময়ত Survey কৰি পাইছে যে ব্ৰহ্মপুত্ৰ নদী Danger level ৰ ওপৰত গড়ে প্ৰায় ২/৩ ফুট পানী উঠে। তেখেত সকলৰ পৰামৰ্শ হ'ল যে এই ২/৩ ফুট অতিৰিক্ত পানী কোনো ঠাইত Dam নাইবা Reservoir কৰি আবদ্ধ ৰাখিব পাৰিলে ব্ৰহ্মপুত্ৰ নদীৰ বানপানীৰ প্ৰকোপ বহু পৰিমাণে কমিব। তেখেত সকলৰ পৰামৰ্শ হ'ল যে ব্ৰহ্মপুত্ৰৰ উপৰিভাগত থকা কিছু নদীত যেনে সোৱণশিৰি, দিহং আদি নদীত Dam নিৰ্মাণ কৰি সেইবোৰ নদীৰ অতিৰিক্ত পানী আৱদ্ধ কৰি ৰাখিব লাগে আৰু যি কিছুমান নৈ বিভিন্ন পৰ্ব্বত-পাহাৰৰ পৰা ওলাই ব্ৰহ্মপুত্ৰত পৰিছে সেই নদীবোৰৰ ওপৰতো Detention basin তৈয়াৰ কৰি সেইবোৰ নদী

নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। সেইবোৰ নদী হ'ল যেনে পাগলা-দিয়া, মানাহ ইত্যাদি। উপৰোক্ত ব্যৱস্থাবোৰ হাতত লব লগা হ'লে বহুত টকা আৰু দীঘলীয়া সময়ৰ প্ৰয়োজন। অনুমান হিচাব কৰি জনা গৈছে যে এইবোৰ কাম কৰিবলৈ হ'লে কমেও ৪০০ কৌটি টকাৰ প্ৰয়োজন।

কিন্তু বৰ্ত্তমান Immediate আৰু Short Term Measures লবৰ বাবে যিবোৰ মঠাউৰি আছে সেইবোৰ সোনকালে Raising আৰু Stengthening কৰিব লাগে আৰু লগতে Missing gaps বোৰ পূৰ্ণ কৰিব লাগে ও পানী ওলাই যোৱাৰ বাবে Drainage ৰ ব্যৱস্থা কৰিব লাগে। এইবোৰ Immediate Short term measures লবৰ বাবে অনুমান ৫০ কোটি টকাৰ প্ৰয়োজন। উপৰোক্ত ব্যৱস্থাবোৰ যদি আমি থিক মতে লব পাবো তেন্তে অসমত বানপানীৰ বহু পৰিমাণে নিয়ন্ত্ৰণ কৰিব পৰা যাব। এই সম্বন্ধে Survey হৈ আছে আৰু Data Collection কৰা হৈছে।

Shri Syed Ahmed Ali—এনে ভয়ঙ্কৰ বানপানীৰ পৰা হাত সাৰিবলৈ Expert সকলৰ মতামত লোৱা হৈছে আৰু Expert সকলে এই বিষয়ত দুটা Alternate Opinion দিছে। ব্ৰহ্মপুত্ৰ নদীৰ উৎপত্তি স্থলৰ পৰা য'ত পৰিছে তালৈকে এই গোটেই Area টোত Drazing ৰ ব্যৱস্থা কৰিব লাগে। কিন্তু এইটো অসম্ভব কথা।

Shri Debeswar Sarma—কোন Expert য়ে Opinion দিছে? আমি মালা পিন্ধাই আগবঢ়াই আনিব লাগে।

Shri Hiralal Patwary—বাতৰি কাকতত দেখা পাইছো অসম চৰকাৰে কলিকতাৰ এখন Firm ক ৩ কৌটি টকা খৰছ কৰি ইতিমধ্যে Machine তৈয়াৰ কৰিব দিছে। এইটো সঁচা নে?

Shri Syed Ahmed Ali—এইটো হয়। ব্ৰহ্মপুত্ৰ নদীৰ মাজে মাজে যি বিলাক চৰ আছে আৰু তাৰ সোঁত পৰিবৰ্ত্তন কৰিবৰ কাৰণে আৰু গড়া কাটি পোন কৰি দিয়াৰ কাৰণে Drazer ৰ প্ৰয়োজন। ১৯৫০ চনৰ পিচৰ পৰা প্ৰতি বছৰে বানপানী হব লাগিছে। আমাৰ ইয়াত ১৯৫০ চনত, ১৯৫৪ চনত, ১৯৬২ চনত, ১৯৬৪ চনত, ১৯৬৬ চনত,

১৯৬৮ চনত, ১৯৬৯ চনত আৰু ১৯৭০ চনত প্ৰতি বছৰে বানপানী হৈ আছে। প্ৰতি বছৰৰ আমি এটা Rough হিচাব কৰি দেখিছো যে আমাৰ খেতিৰ মাটি, গৰু-ম'হ ইত্যাদিত গড়ে ৭ কোটিৰ পৰা ৮ কোটি টকালৈ ক্ষতি হব লাগিছে।

এই ক্ষতিৰ পৰিমাণ দিনে দিনে বাঢ়ি যাব যদিহে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিব কাৰণে উপৰোক্ত ব্যৱস্থাবোৰ সোনকালে হাতত লব নোৱাৰো। এইবোৰ কাম কৰিবলৈ অসম চৰকাৰৰ ইমান টকাৰ ব্যৱস্থা কৰা অসম্ভব। প্ৰয়োজনীয় টকাৰ কাৰণে ভাৰত চৰকাৰৰ ওচৰত নিবেদন কৰা হৈ আছে। আশাকৰো ভাৰত চৰকাৰে এইবোৰ কথা বিবেচনা কৰিব আৰু ইয়াক এটা জাতীয় সমস্যা হিচাবে বিবেচনা কৰি নিজে এই কামটো হাতত লব নাইবা অসম চৰকাৰক প্ৰয়োজনীয় টকাখিনি মঞ্জুৰি দিব। এই সমস্যাৰ গুৰুত্ব উপলব্ধি কৰিয়েই প্ৰধান মন্ত্ৰীয়ে অৱশেষত অসমৰ বান নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰাৰ কাৰণে Parliament ত এই সম্পৰ্কে এটি ঘোষণা কৰে।

The Prime Minister in a statement in December 5, 1969 in the Lok Sabha on certain problems relating to the economic development of Assam stated that the Central Government accorded high priority to the evaluation and implementation of a comprehensive plan on flood control through the agency of Brahmaputra Flood Control Commission and decided that such a Commission should be set up and provided with adequate resources for discharge of its responsibility. The State Government will be enabled to make an adequate provision for this purpose in the State plan.

উক্ত Announcement টো ১৯৬৯ চনৰ December মাহত দিয়া হয় আৰু সেই অনুসৰি এটা Brahmaputra বান নিয়ন্ত্ৰণ Board গঠন কৰা হৈছে।

সেই Board ৰ Chairman হ'ল কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী ডাঃ কে,

এল, ৰাও। এটা Commission য়ো গঠন কৰা হৈছে— আৰু সেই Commission ৰ Chairman হ'ল মিঃ কুমৰা। তাৰ ওপৰিও এটা Board of Consultants য়ো গঠন কৰা হৈছে। Design আৰু Planning ৰ কাৰণে Mr. Gupta ৰ তত্বাবধানত ৰখা হৈছে। প্ৰশ্ন উঠিব পাৰে যে এই সকল লোকক বাহিৰৰ পৰা কিয় অনা হৈছে? এই কামৰ দায়িত্ব দিয়াৰ কাৰণে অৰ্হতা সম্পন্ন মানুহ অসমত আছে নে নাই? আমি ভাবিছিলো ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আয়োগ গঠন হ'লে ভাৰত চৰকাৰে গোটেই দায়িত্ব গ্ৰহণ কৰিব আৰু যাবতীয় খৰচৰ ব্যৱস্থা কৰিব। কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শমতে উপৰোক্ত কৰ্ম্মচাৰী কিছুমানক নিযুক্তি দিয়া হৈছে। এই বিষয়ে আমাৰ চৰকাৰে, বিশেষকৈ মুখ্যমন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰি আছে। আমি আশাকৰো কেন্দ্ৰীয় চৰকাৰে অতি সোনকালে ইয়াৰ সমিচিন ব্যৱস্থা কৰিব।

Shri Giasuddin Ahmed—Sir, the hon. Minister has used the words "abedan nibedan" quite a number of times. I would like to submit that these words "abedan nibedan" from the Government of Assam to the Government of India, I am sorry to say, are derogatory to the prestige of Assam. I think these words should not be used.

Shri Debeswar Sarmah—এতিয়া কিমান টকা পালে আৰু Chairman গৰাকী Retired person নেকি? তেখেত rest লবৰ কাৰণে আহিছে আৰু কিছুদিন কাম কৰিবৰ কাৰণে আহিছে নেকি? কিছুমান Retired মানুহ আছে, দিল্লীত একাধিক ঘৰ থাকে আৰু ভাড়া লৈ থাকে।

Shri Syed Ahmed Ali—Announcement অনুসৰি Board গঠন কৰা হ'ল তাৰ Chairman হ'ল ডঃ কে, এল, ৰাও। আৰু কমিচনৰ Chairman হ'ল মিঃ কুমৰা। Mr. Kumra কেন্দ্ৰীয় চৰকাৰৰ Retd. Chief Engineer, এই কামৰ বাবে তেখেতৰ পূৰ্ণ অৰ্হতা আছে। এতিয়ালৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা ৩ কোটি টকা Loan হিচাবে পাইছো।

নিয়মিত ভাবে—Comprehensive Schemes কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দিলে প্ৰয়োজনীয় টকাৰ ব্যৱস্থা কৰিব বুলি আশা দিছে। দৰাচলতে ব্ৰহ্মপুত্ৰ নদীৰ বান নিয়ন্ত্ৰণ কৰাৰ বাবে যি টকাৰ প্ৰয়োজন সেই টকা ৰাজ্য চৰকাৰৰ ব্যৱস্থা কৰা অসম্ভৱ। গতিকে হয় কেন্দ্ৰীয় চৰকাৰে নিজে সম্পূৰ্ণ দায়িত্ব লব লাগিব নাইবা প্ৰয়োজনীয় টকা ৰাজ্য চৰকাৰক মঞ্জুৰি দিব লাগিব; ইয়াৰ ব্যতিৰেকে কোনো উপায় নাই। তেখেতৰ যথেষ্ট অৰ্হতা আছে। Commission গঠন কৰাৰ পিছত Union Minister এ Recognition কৰি তেখেতক দিবলৈ নিৰ্দ্দেশ দিয়ে।

Shri Atul Chandra Goswami—এই মানুহ জনক Commission ৰ Chairman কৰিলে Power পাব বুলি কৈছিল নেকি ?

Shri Mahendra Mohan Choudhury (Chief Minister)—এই সম্পৰ্কত মই কওঁ যে কেন্দ্ৰীয় চৰকাৰে Cabinet ত এটা সিদ্ধান্ত ললে যে Brahmaputra Flood Control Board হব। Flood Control Board এ অসম চৰকাৰৰ লগত আলোচনা কৰি এটা Commission গঠন কৰিব। গতিকে Flood Control Board ভাৰত চৰকাৰে গঠন কৰি দিয়াৰ পিচত Chairman Dr. K. L. Rao এ অসম চৰকাৰৰ লগত এই Commission ৰ কথা আলোচনা কৰিলে Commission ৰ Chairman কোন হব এই বিষয় লৈ। বহুতো কথা এই বিষয়ত আলোচনা হৈছিল আৰু ভাৰতবৰ্ষৰ বহুতো সুদক্ষ Engineer ক এই কামটোৰ দায়িত্ব গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হৈছিল। কিন্তু কেইজনমানক অনুৰোধ কৰাৰ পিছত আমি তেওঁলোকে দাবী কৰা দৰ্মহাৰ কথালৈ চাবলগীয়া হ'ল। সেই কাৰণেই বৰ্ত্তমান আমাৰ যি জন Chairman সেই সময়ত Central Water and Power Commission ৰ পৰা Retired কৰাত তেওঁকে এই কামৰ দায়িত্ব লবলৈ মতা হ'ল আৰু তেখেতে ইয়াৰ দায়িত্ব গ্ৰহণ কৰিলে। ইয়াত তিনিগৰাকী সদস্য আছে। চাৰি গৰাকী সদস্যৰ প্ৰস্তাৱ আছে। এগৰাকী সদস্য এতিয়াও লোৱা নাই—সেইজন হৈছে finance ৰ ফালৰ। এইজন নোলোৱাৰ কাৰণ হৈছে আমাৰ অৰ্থনৈতিক পৰিস্থিতিৰ কাৰণে। এজন Financial-Advisor ৰ দ্বাৰা কাম চলাবলৈ আমাৰ Finance Minister আছেই।

Industry সম্পৰ্কীয় কামৰ কাৰণে Industry Minister ; তাৰোপৰি Agriculture Minister, বানপানী সম্পৰ্কত থকা Minister ও তাত আছে। Officer ৰ ভিতৰত Finance Secretary, Planning Secretary ইত্যাদিও আছে। এই লৈয়েই আমাৰ Flood Control Commission গঠন হৈছে। এই Commission গঠন হোৱাৰ পিছত প্ৰধান মন্ত্ৰীৰ ঘোষণাত Adequate Financial Assistance দিব বুলি কৈছে। এইটো আলোচনা হৈছিল। ৪ৰ্থ পাচবছৰীয়া পৰিকল্পনাৰ ভিতৰত ইয়াৰ কাৰণে যিখিনি টকা লম সেই পৰিমাণৰ টকা এতিয়ালৈকে মৌখিক বুজাবুজি হৈ থকাৰ পিছত আমি কৈছিলো যে অসম চৰকাৰক ব্ৰহ্মপুত্ৰ কমিশ্যনৰ কাৰণে ৪ৰ্থ ৫ বছৰীয়া পৰিকল্পনাৰ ভিতৰত ১৪ কৌটি ৬০ লক্ষ টকা লাগিব। সেই টকা আমি দাবী কৰিছো। কিন্তু এইটো আমাৰ ভুল বুলি ভাবি পিচত এই ভুল সংশোধন কৰিব বিচাৰিছো। ভুল হ'ল এই কাৰণেই যে ব্ৰহ্মপুত্ৰ Control আমি যি ভাৱে কৰিব বিচাৰিছো এই পৰিমানৰ ধনেৰে তাক সম্পূৰ্ণ কৰিব নোৱাৰি। ইয়াৰ কাৰণে ১৫ কৌটি টকাৰ দাবী কৰিছিলো। এইটোও ভুল হোৱা বুলি অনুভৱ কৰি তাক সংশোধন কৰিবলৈ চেষ্টা কৰিছো। যোৱা বছৰ প্ৰথম টকা দিওতে দেৰা-দেৰি কৰিছে। দেৰা-দেৰি এই কাৰণেই কৰিছে যে আমি Emergency Basis ত কিছুমান Project ৰ কাম কৰিবলগীয়া হ'ল। ইয়াক Execution কৰাৰ ক্ষেত্ৰত Project Commission ৰ Technical মানুহৰ অনুমোদন লাগে। এই অনুমোদন পঠোৱা দেৰি হ'ল। কাৰণ তেখেত সকলে ক'লে যে যেতিয়ালৈকে Project Commission ৰ ফালৰ পৰা অনুমোদন নকৰিলে এইটো Clarify কৰা টান হব। আমি কৈছিলো যে আপোনালোকৰ অনুমোদন লৈ কাম বিলাক কৰিব লগা হ'লে আমাৰ দেশখন ভাঙি যাব। কাৰণ Dhuburi Protection, Kakilamukh Protection, Dibrugarh Protection এই বিলাক ডাঙৰ ডাঙৰ খৰছৰ আঁচনি আছে। এই বিলাক ততাতৈয়াকৈ নকৰা হ'লে আমাৰ ৰাজ্যখন বানপানীৰ ফলত বেয়াৰ ফালে নিশ্চয় গ'লহেঁতেন। সেই কাৰণেই তেখেত সকলক এই বিলাক পৰিস্থিতিৰ গুৰুত্ব বুজাবলৈ চেষ্টা কৰিলো। আমাৰ কথা হ'ল যে—এই বিলাক পৰীক্ষা কৰি চাই

যদি আপোনালোকে টকাৰ অপব্যয় বা অপচয় হোৱা বুলি ভাৱে তেতিয়া হ'লে আমাক শাস্তি দিব পাৰে। এই বিলাক নোচোৱাকৈ বা নজনাকৈ Irregular হৈছে বুলি টকা বন্ধ কৰাটো নিশ্চয় অনুচিত হব। তেতিয়া তেখেত সকলৰ পৰা—C. P. W. D. ৰ অফিচাৰকে আদি কৰি তিনিজন অফিচাৰ আহি এই কাম বিলাক পৰীক্ষা কৰি চাই সন্তুষ্টি প্ৰকাশ কৰি প্ৰতিবেদনৰ Report দাখিল কৰি মত প্ৰকাশ কৰে যে— এই বিলাক কাম Emergency Basis ত নকৰা হ'লে সঁচাকৈয়ে বানপানীৰ পৰিস্থিতি ৰাজ্যখনত বেয়াৰ ফালে গ'লহেঁতেন। এইদৰে— Report ত আলোচনা কৰাৰ পিছত প্ৰধানমন্ত্ৰীৰ সহযোগত তিনি কৌটি টকা আমাৰ এই বছৰৰ কাৰণে আমি পাইছো। ইয়াৰ উপৰিও আৰু দেৰ কৌটি টকা পাইছো। যোৱা বছৰ বানপানীৰ ফলত যি বোৰ মঠাউৰি বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ল সেইবোৰ জেগাত মঠাউৰি মেৰামতি কৰাৰ পৰিপ্ৰেক্ষিতত আমি এই দেৰ কৌটি টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা পাইছো। ১৯৭০-৭১ চনৰ বিত্তীয় বছৰত চাৰে চাৰি কৌটি টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা পাইছো। এইখিনি টকা নোপোৱা হ'লে কামবিলাক কৰাত আমাৰ অসুবিধা হ'লহেঁতেন। এই কামবিলাক কৰাত আমাৰ তেনেকুৱা কোনো List নাই। মাত্ৰ যোৱা বছৰ কাম কৰা হৈছে আৰু বৰ্ত্তমানেও কাম চলাই থকা হৈছে।

কেন্দ্ৰীয় চৰকাৰৰ Finance Minister, Planning Minister আৰু Prime Minister ৰ লগত এই সম্বন্ধে আলোচনা কৰা হৈছে। তেখেত সকলে কৈছে যে—ব্ৰহ্মপুত্ৰ নদী এখন ডাঙৰ নদী। অসম চৰকাৰেই অকল ইয়াক নিয়ন্ত্ৰণ কৰিব নোৱাৰিব। আমাৰ শ্ৰীশৰ্ম্মা ডাঙৰীয়াইও আলোচনা প্ৰসঙ্গত কৈছে যে এই Brahmaputra নদী নিয়ন্ত্ৰণৰ কাৰণে ইতিমধ্যেই বহুত কৌটি টকা খৰছ কৰা হৈছে। মই কব খুজিছো যে—১৯৫৪ চনৰ পৰাই এই ব্ৰহ্মপুত্ৰ আয়োগৰ কাম আৰম্ভ কৰা হৈছে। যোৱা বছৰ কৈছিলো যে আমাৰ বাননিয়ন্ত্ৰণৰ কাৰণে Dibrugarh সংৰক্ষণৰ বাহিৰেও গোটেই অসমতে প্ৰায় ২৭,৫০ কিলোমিটাৰ মান মঠাউৰি বান্ধিছো। এই মঠাউৰি বিলাক সংৰক্ষণ কৰা, অধিক শক্তিশালী কৰা, বহল কৰা আৰু আমাৰ মাননীয় সদস্য দুই এজনে কোৱাৰ দৰে এফালে

মঠাউৰি আছে যদিও আনফালে নাই বা এফালে মঠাউৰিয়ে ভাল কৰিছে যদিও আনফালে বেয়াকৈ ক্ষতিও কৰিছে—এই বৈষম্য আৰু Gap বিলাক দূৰ কৰিবলৈ আমাৰ বহু কৌটি টকাৰ দৰ্কাৰ হৈছে। সেই কাৰণেই তেখেত সকলে যিবোৰ পৰামৰ্শ দিছে নিসন্দেহে ভাল পৰামৰ্শই দিছে আৰু তাক ৰক্ষণা-বেক্ষণ কৰিবলৈ যথাসাধ্যে চেষ্টা কৰাও হব।

আমি প্ৰথমতে Bund তৈয়াৰ কৰিব লগিব তিনিটা স্তৰত বিভক্ত কৰি। প্ৰথম ভাগত যিবিলাক আশুব্যৱস্থা লবলগীয়া তাক লব। দ্বিতীয়তে মধ্যকালিন হিচাবে আৰু তৃতীয়তে দীৰ্ঘকালিন মতে ব্যৱস্থা কৰা। দুটা কাৰণত এই ব্যৱস্থা কৰা হৈছে; মঠাউৰি বিলাক মেৰামতি কৰিবৰ কাৰণে আৰু দ্বিতীয়তে তাক অধিক শক্তিশালী আৰু বহল কৰিবৰ কাৰণে। যিবিলাক একান্তই নকৰিলে নহয় সেই বিলাক কৰা। ইয়াৰ কাৰণে চাৰে দহকোটি টকাৰ আঁচনি প্ৰস্তুত কৰিছো। এই আঁচনি সোনকালেই কেন্দ্ৰীয় চৰকাৰলৈ পঠাম। চাৰে দহকৌটি টকাৰ আঁচনি ল'লে একো নহয় মাত্ৰ এইটো মেৰামতিৰ কাৰণেহে।

এতিয়া প্ৰকৃততে কথা হৈছে যি বিলাক অঞ্চলত মঠাউৰি নাই সেই বিলাক অঞ্চলৰ ৰাইজে একো উপকাৰ পোৱা নাই। য'ত মঠাউৰি বান্ধি দিয়া হৈছে সেই বিলাক অঞ্চলৰ ৰাইজে তাৰ সুফল পাইছে আৰু য'ত মঠাউৰি ৰক্ষা কৰিব পৰা নাই সেই বিলাক অঞ্চলৰ ৰাইজে অশেষ দুৰ্গতি ভোগ কৰিবলগীয়া হৈছে। ১৯৬৬ চনত যেতিয়া অসমত বানপানী হৈছিল আৰু মঠাউৰি বিলাক ভাঙি গৈছিল তেতিয়া আমি Dr. K. L. Raw ক মাতি আনি আমি এই বিষয় সমূহ তেখেতৰ লগত আলোচনা কৰিছিলো। প্ৰথম অৱস্থাত যেতিয়া মঠাউৰি বিলাক বান্ধিব লগীয়া হৈছিল তেতিয়া সেই সম্পৰ্কৰ কোনো Data Collect কৰা হোৱা নাছিল। ইয়াৰ কাৰণে বহুতো তথ্য লাগে। নদীৰ গতি কিমান, পানী কিমান, চিল্ড কিমান এই বিলাক কোনো ৰকমৰ তথ্য লোৱা হোৱা নাছিল। ১৯৫৪ চনত ৺জৱাহাৰ লাল নেহেৰু চীন ভ্ৰমণ কৰি অহাৰ পিচত আমাৰ নদী বিলাকৰ নিয়ন্ত্ৰণৰ কাৰণে পৰামৰ্শ দিবলৈ চীনৰ পৰা এটা পৰামৰ্শকাৰী দল আহিছিল। তেখেত সকলে ক'লে যে নদীৰ দুয়ো ফালে বান্ধ

দিলে অস্থায়ী ভাৱে কিছু পৰিমাণে নদী নিয়ন্ত্ৰণ কৰিব পৰা হব। আৰু সেই মতেই মঠাউৰি বিলাক বন্ধা হ'ল। কিন্তু নদী বিলাকৰ আৱশ্যকীয় তথ্য সংগ্ৰহ কৰা নহ'ল। আমাৰ আক্ৰাম হুচেইন চাহাবে কৈছে যে ইঞ্জিনিয়াৰ বিলাক Contractor বিলাকৰ মতে চলে। এইটো সঁচা। এই মঠাউৰি বিলাক বন্ধাৰ সময়ত ৰাইজৰ পৰা দৰ্খাস্ত অহা নাছিল। কেৱল Contractor বিলাকে ৰাইজৰ পৰা দৰ্খাস্ত আনিছিল। আৰু সেই মতে কাম কৰিছিল। আগৰ আৰু এতিয়াৰ মঠাউৰি নিৰ্ম্মাণ সম্পূৰ্ণ বেলেগ। এতিয়াৰ Specification মতে যি বিলাক মঠাউৰি বন্ধা হৈছে সেই বিলাক ভঙা নাই গতিকে আমি যদি বৰ্ত্তমান Specification মতে গোটেই বিলাক মঠাউৰি বান্ধিব নোৱাৰো তেনেহ'লে মঠাউৰি ভঙাটো ৰোধ কৰিব নোৱাৰো। সেই উদ্দেশ্যৰে আমি আকৌ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নতুনকৈ আঁচনি তৈয়াৰ কৰিব লাগিব আৰু সেই আঁচনি মতে কাম কৰিবলৈ ৫০ কৌটি টকা লাগিব। এই ৩ হাজাৰ মাইল মঠাউৰিৰ মেৰামতিৰ কাৰণে আমাক ৫০ কোটি টকা লাগিব। মই আশাকৰো ৩১ মে'ৰ ভিতৰত এইটো হব।

তাৰ পাচত হিলৈখুণ্ডাত যিটো ১৮ K. M. Gap আছে সেইটোৰ কাৰণে নগাৱঁৰ ৰাইজে কেইবা বছৰ ধৰি কষ্ট পাই আহিছে। এনেকুৱা Gap বিলাক পূৰণ কৰিবলৈ হ'লে আমাক আৰু ৫০ কৌটি টকা লাগিব। গতিকে এই মঠাউৰি মেৰামত আৰু Gap পূৰণৰ কাৰণে আমাক আৰু ১০০ কৌটি টকা লাগে।

তাৰ পাচত বহুতো সদস্যই কৈছে যে আমাৰ ব্ৰহ্মপুত্ৰ নদী খন গোৰতে বান্ধিব লাগে। আৰু তাৰ কাৰণে চীন আৰু পাকিস্তানৰ লগত আলোচনা কৰিব লাগে। কিন্তু এইটো সম্ভৱপৰ নহয়। আমাৰ বৰ্ত্তমান যি পৰিস্থিতি সেই পৰিস্থিতিত ব্ৰহ্মপুত্ৰ নদীক গোৰতে বন্ধ কৰিব পৰা সম্ভৱপৰ নহয়। আৰু কোৱা হৈছে যে কিছু পানী চীনৰ ফালে বোৱাই লৈ যাব লাগে। এসময়ত এই কথা উঠিছিল যে ৰাচিয়া আৰু চীনে চাইবেৰীয়াৰ মৰুভূমিলৈ কিছু পানী গতি সলনি কৰি লৈ যাব। কিন্তু সেই সময়ত আপত্তি কৰা হৈছিল। কিন্তু এতিয়া দেখা গৈছে যে সেইদৰে পানী নিয়া হ'লে ভালেই হ'লহেঁতেন। কাৰণ ব্ৰহ্মপুত্ৰৰ

বাহিৰেও আমাৰ যি বিলাক উপনদী আছে সেই বিলাকেই যথেষ্ট হ'ল-হেঁতেন। বিশেষজ্ঞ সকলে কয় যে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ২২ খন আৰু দক্ষিণ পাৰে ৯ খন উপনদী আছে। সেই বিলাক যদি নিয়ন্ত্ৰণ কৰিব পৰা যায় তেনেহ'লে অসমৰ বানপানী শতকৰা ৫০ ভাগ কমি যাব। এইটো কৰিবলৈ হ'লে নগালেণ্ড বা ভূটান চৰকাৰৰ পৰা আপত্তি আহিব পাৰে। মানাহ নদীৰ নিয়ন্ত্ৰণ কৰাৰ সম্পৰ্কত ভূটান চৰকাৰৰ লগত ১৯৪৭ চনৰ পৰাই আলোচনা কৰা হৈছে। আৰু তাৰ যিটো ডেম চাইদ সেইটোৰ Survey কৰিবলৈ ভূটান চৰকাৰে অনুমতি দিছে। আমাৰ মই উল্লেখ কৰা ৩১ খন উপনদী বন্ধাটো সম্ভব নহয়। গতিকে আমি বৰ্ত্তমান ৪ খন নদীক ভেটা দিয়াৰ চেষ্টা কৰিছো। সেই কেইখন হৈছে পাগলাদিয়া, সোৱণশীৰি, আৰু দিহিং। এই তিনিখন নৈ নিয়ন্ত্ৰণ কৰিবলৈ তথ্যপাতি সংগ্ৰহৰ কাৰণে চেষ্টা কৰা হৈছে। পাগলাদিয়া নদী নিয়ন্ত্ৰণৰ কাৰণে তথ্য সংগ্ৰহ কৰা হৈছে আৰু ইয়াৰ কাৰণে ৩৫ কোটি টকাৰ প্ৰয়োজন হব। এই নিয়ন্ত্ৰণৰ কাৰণে যিটো ভেটা কৰা হব সেইটো ৬ মাইল বহল হব। এইটো সহজ কথা নহয়।

Shri Hiralal Patwary—মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি কৈছে ইঞ্জিনিয়াৰ সকলৰ পৰামৰ্শৰ কথাই কৈছে। কিন্তু দং খান্দি পানী নিব পাৰিলে অৰ্থ কম ব্যয় হব। গতিকে দঙৰ ব্যৱস্থা ৰখা হৈছেনে নাই ?

Shri Mahendra Mohan Choudhury—দং খন্দাৰ কাৰণে Survey কৰি থকা হৈছে।

আগতে ব্ৰহ্মপুত্ৰ নদীৰ গতি সলাই গঙ্গাৰ লগত লগ কৰাৰ কথা হৈছিল। কিন্তু সেইটো সম্ভৱপৰ নহয়। কাৰণ গঙ্গা ভেলি ব্ৰহ্মপুত্ৰ ভেলিতকৈ ওখ। আপোনালোকে জানে যে চাপ্ৰৰ পৰা ওখলৈ গতি সলাব নোৱাৰি। সেই কাৰণে আমি বৰ্ত্তমানে পাগলাদিয়া নদী নিয়ন্ত্ৰণৰ ব্যৱস্থা হাতত লৈছো— সম্ভব এই বছৰতে তাৰ কাম আৰম্ভ কৰিম। এইটো কথাত আমি গুৰুত্ব দিব লগীয়া হৈছে। পৃথিবীৰ ভিতৰত নদী বিলাকত যি বিলাক ডাম দিয়া হৈছে সেই বিলাক ১ মাইলৰ বেচি দীঘল নহয়। এই ডামটো ৬ মাইল বহল হব ...... ।

এতিয়া পাগলাদিয়াত য'ত ভেটা দিব লাগে সেই Dam Side টো ৬ মাইল হব। এই ৬ মাইল বহল Dam Side টো ৰক্ষা কৰা মুখৰ কথা নহয়। কাৰণ যদি কোনো ক্ষেত্ৰত এই Dam টো ভাগি যায় বা চিঙি যায় গোটেই পানীখিনি সোমায় গ'লে মানুহৰ প্ৰলয় হব। তেতিয়া মানুহৰ ঘৰ-বাৰী, গৰু-মহ সমষ্ট বস্তু ধ্বংস হৈ যাব। এই কামটো ইমান গুৰুত্বপূৰ্ণ আৰু দায়িত্বপূৰ্ণ কাম—এইটো কৰিবৰ কাৰণে বহুত চিন্তা কৰিবলগা হৈছে।

তাৰ বাহিৰে সোৱনশিৰীৰ কাৰণে বোধকৰো আমাক ১৫০ কৌটি টকা লাগিব আৰু দিহিঙৰ কাৰণে ২০০ কৌটি টকা লাগিব। এই তিনিওখন নৈ বান্ধিব লাগিলে প্ৰায় ৫০০ কৌটি টকা লাগিব। এই যে, ১০০ কৌটি টকাৰ কথা মই কৈছো, এইটো হ'ল আমাৰ Short Term Measure আৰু যি ৪০০ কৌটি টকাৰ কথা কোৱা হৈছে, এইটো Medium Term Project ৰ কাৰণে ধৰা হৈছে। তাৰ বাহিৰে আমাৰ বৰ্ত্তমান জীয়া ঢলৰ Survey চলি আছে। এই জীয়া ঢল কামেং অঞ্চলত। এইটোৰ কাৰণে আমাৰ Dr. K. L. Rao ও আগ্ৰহান্বিত। তাত নৈ নিয়ন্ত্ৰণৰ উপৰিও Power উৎপন্ন হব।

অসম, নেফা আদি গোটেই পূৰ্বাঞ্চলতে ১০ বছৰৰ কাৰণে যি খিনি বিজুলী শক্তিৰ প্ৰয়োজন হব, সেই আটাইখিনি Electricity উৎপন্ন হব। ইয়াৰ কাৰণে এতিয়া নেফাৰ লগত কথা-বতৰা চলি আছে। য'ত এই Project টো প্ৰতিষ্ঠা হব তালৈ এতিয়া ৰাস্তা-ঘাট নিৰ্মাণ কৰা হৈ আছে আৰু ব্যৱস্থাও কৰা হৈছে।

গতিকে এই প্ৰথম খণ্ডটো দুবছৰত কৰা হব আৰু দ্বিতীয় পৰ্য্যায়টো লাহে লাহে কৰিব পৰা হব। সেই কাৰণে আজি আমি ব্ৰহ্মপুত্ৰৰ মূল সুঁতিটো বন্ধ কৰিব নোৱাৰে বুলি বিশেষজ্ঞ সকলে মত প্ৰকাশ কৰিছে। এইটো বৰ দীৰ্ঘম্যাদি ব্যৱস্থা হব। এইটো কেতিয়া কোন পুৰুষত হব কোনেও ক'ব নোৱাৰে। মই আমাৰ শৰ্মা ডাঙৰীয়াৰ কথা উল্লেখ কৰিছো যে, ১৯৫৪ চনৰ পৰা এই ১৭ বছৰে প্ৰায় ৩০ কৌটি টকা খৰচ কৰিছো এই বান নিয়ন্ত্ৰণত। এই ৩০ কৌটি টকাৰ ভিতৰত কাছাৰ জিলাও আছে। ইতিমধ্যে Dr. K. L. Rao এ আমেৰিকাৰ পৰা

এদল বিশেষজ্ঞ আনিছে। আগেয়ে আমাৰ ফখৰুদ্দিন চাহাব Power & Irrigation ৰ মন্ত্ৰী হৈ থাকোতেও আমেৰিকাৰ পৰা এদল বিশেষজ্ঞ আনিছিল। এই বিশেষজ্ঞ দল আমাৰ ইয়ালৈ খৰালি মাহত আহিছিল আৰু ব্ৰহ্মপুত্ৰ চাই নিয়ন্ত্ৰণৰ কিছু ব্যৱস্থা কৰিব পৰা হব বুলি কৈছিল। কিন্তু পাচত বাৰিষা আহি ব্ৰহ্মপুত্ৰক সাগৰৰ ৰূপত দেখিলে—ইয়াক নিয়ন্ত্ৰণ কৰিব পৰা নহব বুলি মন্তব্য কৰিলে। আৰু ক'লে যে, এই ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টাই নকৰিব। এতিয়া যিটো বিশেষজ্ঞ কমিটি আহিছিল—তেওঁলোকে কৈছিল যে, বছৰি ৩।৪ কোটি টকা খৰচ কৰি ব্ৰহ্মপুত্ৰৰ উপনৈ বিলাক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা নকৰিব। এইটো কৰিবলৈ হ'লে ল'ৰা ধেমালীৰ নিচিনাহে হব। এইটো নিয়ন্ত্ৰণ কৰিবলৈ ভাৰত চৰকাৰৰো ক্ষমতা নাই আনকি পৃথিবীৰ কোনো শক্তিয়েই নিয়ন্ত্ৰণ কৰিব নোৱাৰে। কোনো কোনোৱে মিচিচিপিৰ লগত ব্ৰহ্মপুত্ৰক তুলনা কৰিছে। এতিয়ালৈকে মিচিচিপিত প্ৰায় ৪ হাজাৰ কোটি টকা খৰচ কৰিছে। তাৰোপৰি বছৰি বছৰি খৰচ কৰি আছেই। আমাৰ সদস্য সকলে আমাক আগতে Tender দিয়াৰ কাৰণে সমালোচনা কৰিছে। এই Tender বান নিয়ন্ত্ৰণত সুবিধাৰ কাৰণেই কৰা হৈছে।

Shri Hiralal Patwary—আজি E. & D. বিভাগত যি টকা দিয়া হয়—সেই টকা ঠিকমতে খৰচ হয় নে ?

Shri Mahendra Mohan Choudhury–আমাৰ Demand টো E.&D. ৰ নহয় –F. C. & I ৰ হে

তাৰ পাচত আমি চীনত বা অন্যান্য দেশত দেখিছো যে, মঠাউৰি বন্ধাৰ লগে লগে বা আগতে সকলো বস্তু জমা ৰাখে। কাৰণ বাৰিষা সময়ত সকলো বস্তু ঠিকমতে নাপাবও পাৰে। সেই কাৰণে আমাৰ ইয়াতো আগতেই Tender দি গানীৰেগ আদি বস্তু মজুত কৰি ৰখা হয়। কাৰণ বাৰিষাৰ সময়ত এই বস্তুবিলাক পোৱাত টান হৈ পৰে। সেই কাৰণে আমি এইটোত আগতে সাজু হৈ থাকিব লাগে। Dr. K. L. Rao এ কৈছিল যে, আমি ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত মিচিচিপিৰ ১% ভাগো যদি খৰচ কৰিব পাৰিলোহেঁতেন তেতিয়াহ'লেও আমাৰ বহুত খিনি কাম হ'লহেঁতেন যি বিলাক Tender বাৰিষাৰ বহুত আগতেই কৰা

হ'ল সেই বিলাক আমাৰ নিৰ্দ্দেশমতেই কৰিছে। কাৰণ, বাৰিষাৰ সময়ত দৌৰা-দৌৰিকৈ বস্তুৰ বন্দবস্ত কৰা বৰ টান। এই খালি বেগ আদি মঠাউবিৰ কামত নলগালেও নষ্ট হৈ নাযায়। তাৰ পৰা বাকী কামো কৰিব পৰা হব। এই বিলক কথা এতিয়া কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা হৈ আছে। গিয়াচুদ্দিন চাহাবে কোৱাৰ দৰে আবেদন নিবেদন কৰা নাই। আমি কৈছো যে, এইটো এটা National Problem—যি খন দেশত বিভিন্ন জাতিৰ, ধৰ্মৰ মানুহ বসবাস কৰিছে সেইখন ঠাইত এই ক্ষেত্ৰত সকলো খৰচ কেন্দ্ৰীয় চৰকাৰেই বহন কৰিব লাগিব। আজি এই কামত যি সকল কাৰিকৰী লোক বা Engineer লাগিব এই সম্পূৰ্ণ খৰচ খিনি কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগে বুলি আমি কেন্দ্ৰীয় চৰকাৰক টানি অনুৰোধ কৰিছো—নহ'লে যি পৰিমাণৰ টকা আমি বিচাৰিছো—সেই পৰিমাণৰ টকা দিবলৈ অনুৰোধ কৰিছো। এইটো আলোচনা কৰিবৰ কাৰণে Irrigation & Power মন্ত্ৰনালয়ে আৰু বিত্ত মন্ত্ৰনালয়ে আৰু প্ৰধান মন্ত্ৰীয়ে আমাক অহা জুন মাহত মাতিছে। আমি আঁচনি তৈয়াৰ কৰি Consultant ৰ অনুমোদন লৈ আমাৰ দাবী বিলাক উত্থাপন কৰিবৰ কাৰণে আমি যাব খুজিছো। আশা কৰিছো এই বিষয়ত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা বিশেষ ভাবে সহায় পাম। আমাৰ বৰা ডাঙৰীয়াই কোৱাৰ দৰে এই কামটো Piece Meal ৰ দৰে কৰিলে নহব।

এই Piece Meal ৰ দৰে কাম কৰিলে আমাৰ ৰাইজৰ দুখ-দুৰ্গতি আঁতৰ নহব। বৰং দুখ-দুৰ্গতি বাঢ়িহে যাব। এই কামটো যাতে সম্পূৰ্ণ ভাবে হাতত লব পৰা হয় তাৰ কাৰণে আমি চেষ্টা কৰিছো।

* Shri Dulal Chandra Barua—অধ্যক্ষ মহোদয়, জলসিঞ্চনৰ বিভাগলৈ যোৱাৰ আগতে মই মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো। ব্ৰহ্মপুত্ৰ কমিশ্যন সম্পৰ্কে তেখেতে ক'লে আৰু যিটো হিচাৰ দিলে সেই হিচাব মতে মই জনাত প্ৰায় ১ হাজাৰ কোটি টকাৰ প্ৰয়োজন হব। তাৰ উপৰিও বৰ্ত্তমান অস্থায়ীভাৱে কাম কৰিবলৈ প্ৰায় ১০০ কোটি টকাৰ

* Speech not corrected

প্ৰয়োজন হৈ পৰিছে আৰু Mid-Term কাম কৰিবলৈ প্ৰায় ৪০০/৫০০ কোটি টকা দৰকাৰ হব। এইটো আকাশত চাং পতা কথাৰ নিচিনা হৈছে। ব্ৰহ্মপুত্ৰ কমিশ্যন পতা হ'ল, ইয়াৰ উদ্দেশ্য হ'ল ২টা—এটা হ'ল ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰা আৰু আনটো হ'ল ইয়াৰ উপনৈ সমূহ নিয়ন্ত্ৰণ কৰা।

কিন্তু এতিয়া আমি বুজি পাইছো, এইটো এটা সাংঘাটিক কথা; এতিয়া ব্ৰহ্মপুত্ৰ কমিশ্যন পাতি খৰচ অনুপাতে যদি কেন্দ্ৰীয় চৰকাৰে আৰ্থিক সাহায্য আৰু Technical Assistance নিদিয়ে তেতিয়াহ'লে বগাহাঁতী পোহাৰ নিচিনা হব আৰু ৰাইজক প্ৰতাৰণা কৰা হব। সেই কাৰণে চৰকাৰে কি কাম হাতত লব আৰু কিমান টকা খৰচ লাগিব ইত্যাদিবোৰ কথা কেন্দ্ৰীয় চৰকাৰক জনাই কেন্দ্ৰীয় চৰকাৰৰ পৰা যদি সাহায্যৰ প্ৰতিশ্ৰুতি নাপায় তেনেহলে ব্ৰহ্মপুত্ৰ কমিশ্যনৰ দ্বাৰা আমাৰ একো কাম নহব। গতিকে এইটো উঠাই দিলেই ভাল হব।

Shri Mahendra Mohan Choudhury—এই কমিশ্যনটো বগাহাঁতী পোহা বুলি কোৱা হৈছে। যদিও এই কমিশ্যনটো যোৱা বছৰ January ৰ ২৭ তাৰিখে গঠন কৰা হৈছে আৰু October মাহলৈকে ৰানপানী চলি আছিল। মইয়ো আগতে এই Investigation ৰ প্ৰয়োজনীয়তাৰ গুৰুত্ব উপলব্ধি কৰা নাছিলো। এতিয়া বুজিছো যে Scientific Study নহলে এই নদী নিয়ন্ত্ৰণ কৰিব নোৱাৰি। এতিয়া বহুত ঠাইত Investigationৰ কাম অগ্ৰসৰ হৈছে। ইতিমধ্যে পাগলাদিয়া নদীত Geological Data Collection ৰ বাহিৰে বাকী সকলো খিনি Investigation ৰ কাম প্ৰায় শেষ হৈ গৈছে আৰু আমাৰ হাতত পৰিছে। আমাৰ সোৱণশিৰী নদীটো প্ৰায় প্ৰাথমিক হিচাবে এই বিষয়ত আগবঢ়া হৈছে কিন্তু দিহাং নদীখন ডাঙৰ হোৱাই বিশেষ আগবাঢ়িব পৰা নাই।

এই প্ৰশ্নটো উত্থাপিত হৈছিল ১৯৬০ চনত Nainital ৰ এখন Power and Irrigation Deptt. ৰ এখন Conference ত। তাত এই প্ৰস্তাৱ পাচ হয় এইদৰে যে ব্ৰহ্মপুত্ৰ কমিশ্যন হব লাগে আৰু ইয়াৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰে বহন কৰিব কাৰণ আমাৰ ৰাজ্যৰ কাৰণে এই নদী কেইখন Tackle কৰাটো অসম্ভৱ। কিন্তু পশ্চিমবঙ্গ চৰকাৰে

তিষ্টা নদীখনো ইয়াৰ লগত অন্তৰ্ভুৰ্ক্ত কৰাৰ কথা ক'লে কিন্তু কেন্দ্ৰীয় চৰকাৰে এই নিচিনা নদীৰ ওপৰত কমিশ্যন বহুৱাটো নাকচ কৰিলে কাৰণ এই নিচিনা নদী যেনে বৰাক ইত্যাদি প্ৰত্যেক ৰাজ্যতে আৰু এনেকুৱা নদীৰ দায়িত্ব ৰাজ্য চৰকাৰে লব লাগিব। কিন্তু ব্ৰহ্মপুত্ৰৰ নিচিনা Mighty নদীৰ নিয়ন্ত্ৰণৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰে লব লাগে বুলি সিদ্ধান্ত হৈছিল আৰু এই কাৰণেই ব্ৰহ্মপুত্ৰ কমিশ্যনৰ প্ৰস্তাৱটো আহিল। তেতিয়া বিত্তীয় সাহায্যৰ কাৰণে আলোচনা কৰা হ'ল কিন্তু তেওঁলোকে কোনো প্ৰতিশ্ৰুতি নিদিলে কেৱল Prime Minister য়ে ক'লে যে Adequate Fund দিয়া হব। ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ কমিশ্যন কেন্দ্ৰীয় চৰকাৰে মানি লৈছে কাৰণেই ইয়াত যি অধিক সাহায্যৰ প্ৰয়োজন হব সেইটো কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগিব। আৰু কেন্দ্ৰীয় চৰকাৰে যিমান সোনকালে দায়িত্ব পালন কৰে সিমানেই দেশৰ মঙ্গল। যদি কেন্দ্ৰীয় চৰকাৰে আমাক যথেষ্ট আৰ্থিক সাহায্য নিদিয়ে তেনেহলে এই ব্ৰহ্মপুত্ৰ কমিশ্যন Liquidate কৰাৰ বাহিৰে আন উপায় নাই।

আমি এই কথা কেন্দ্ৰীয় চৰকাৰক কৈছো আৰু তেওঁলোকে কি কৰে তাৰ কাৰণে বাট চাই আছো। আজি কেবাজনো সদস্যই Green Revolution ৰ কথা কৈছে কিন্তু আমাৰ যথেষ্ঠ পৰিমাণৰ পানী নহলে আমি একো কৰিব নোৱাৰো। প্ৰথম আৰু ২য় পৰিকল্পনাত পানী যোগানৰ কথা ভবা নহ'ল। তেতিয়া জলসিঞ্চনৰ কথাহে ভবা হৈছিল। কিন্তু ৩য় পৰিকল্পনাত এনে ধৰণৰ Project কেইটামান লোৱা হৈছিল যেনে যমুনা Irrigation Project। কিন্তু তেতিয়াও Planning ত ভুল থাকি গ'ল। তেতিয়া কেৱল বাৰিষা শস্যৰ কাৰণে Plan লোৱা হৈছিল আৰু সেই কাৰণে আমাৰ যিমান বিলাক জলসিঞ্চন আছে তাত খৰালি পানী নাথাকে, সেই কাৰণে ক্ষুদ্ৰ Medium আৰু Major Irrigation কৰিবলৈ ব্যৱস্থা কৰা হৈছে।

সেই কাৰণে এতিয়া আমি চেষ্টা কৰিছো যাতে ক্ষুদ্ৰ জলসিঞ্চন, মধ্য জলসিঞ্চন আৰু ডাঙৰ জলসিঞ্চনৰ কাৰণে চেষ্টা কৰিছো। এতিয়া আকৌ Deep Tubewell ৰো ব্যৱস্থা কৰিছোঁ। Deep Tubewell হ'লে খোৱা পানী

আৰু জলসিঞ্চন দুয়োটা অসুবিধাই একেলগে ঠিক হব। খোৱা পানীৰ ব্যৱস্থা Deep Tubewell ৰ পৰা সমাধান হব। আকৌ ৩ ৪ বছৰৰ কমে একোটাইঁত Project সম্পূৰ্ণ কৰিব পৰা নাযায়। যমুনা মাধ্যমিক Project টোতো ৪ বছৰ লাগিছে। আকৌ শুক্ৰা Project টোও আৰু দুবছৰ পিচতহে সম্পূৰ্ণ হব বুলি আশা কৰা যায়। সেই কাৰণে Deep Tubewell ৰ ব্যাপক ব্যৱস্থা কৰিবলৈ চেষ্টা কৰিছোঁ। এই ক্ষেত্ৰত কৃষি বিভাগৰ মন্ত্ৰীৰ লগত আলোচনা কৰা হৈছে আৰু আমাক বেছি পৰিমাণে Aid দিব বুলি প্ৰকাশ কৰিছে। Deep Tubewell দুমাহৰ ভিতৰতে ৰহুৱাব পৰা যাব। ইয়াৰ দ্বাৰা জলসিঞ্চনৰ ব্যৱস্থাও ভাল হব। এই বিধান সভাত বহুতো সমালোচনাই শুনি আহিছো আৰু সেইমতে কামত কৃতকাৰ্য্য হবলৈ, বিভাগটো উন্নত কৰিবলৈ আৰু Wastage কমাবলৈ চেষ্টা কৰা হৈছে। আকৌ মাননীয় সদস্য সকলে আগবঢ়োৱা পৰামৰ্শ সমূহো চাম। ইয়াকেই কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker—Now, I put the Cut Motion under Grant Nos 56 and 57.

(The Cut Motions were negatived by voice votes).

Now, I put the main grants Nos. 56 and 57.

(The motions was adopted and Demand Nos 56 and 57 passed).

---

Foot notes :

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী, মুখ্যমন্ত্ৰীয়ে উত্থাপন কৰিব—

মঞ্জুৰী নং ৫৬—অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে ১৯৭২ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "৪৪-জলসিঞ্চন আৰু নৌপৰিবহন, মথাউৰি আৰু নলা নিৰ্ম্মাণ কাৰ্য্য ১০০ জলসিঞ্চন, নৌপৰিবহন, মথাউৰি আৰু নলাৰ কামত মূলধন ব্যয়" শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত ব্যয় বহন কৰিবলৈ প্ৰয়োজনীয় ৪,৯৬,৮০,০০০ টকাৰ কাৰণে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৩,৭২,৬০,০০০ টকা মঞ্জুৰ-

কৰা হওঁক।

মঞ্জুৰী নং ৫৭—অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে ১৯৭২ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "৪৪ জলসিঞ্চন আৰু নৌপৰিবহন মথাউৰি ও খননকাৰ্য্য—খ-ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আঁচনি আৰু ১০০ জলসিঞ্চন নৌ-পৰিবহন মথাউৰি আৰু খালৰ কাৰ্য্য সমূহৰ কাৰণে মূলধন ব্যয়-খ-ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আঁচনি (অ-ব্যৱসায়িক) ৰ অৰ্থে ব্যয়" শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত ব্যয়বহন কৰিবলৈ প্ৰয়োজনীয় ৬,৬৪,৮৭,৬০০ টকাৰ কাৰণে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৪,৯৮,৬৫,৭০০ টকা মঞ্জুৰ কৰা হওক।

**Calling Attention To A Matter of Urgent Public Importance—Obstruction to a group of journalists by the Nagaland Armed Police at the borders :**

Shri Soneswar Bora—মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য্য পৰিচালনা বিধিৰ ৫৪ ধাৰা অনুযায়ী যোৱা ২১ এপ্ৰিল তাৰিখৰ জনমভূমি কাকতত প্ৰকাশিত বাতৰি "সীমান্ত ভ্ৰমণ কৰোতে সাংবাদিকক বাধা দিয়াৰ চেষ্টা শীৰ্ষক বাতৰিটো অসম চৰকাৰৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। তাত আছে "অসম চৰকাৰৰ আমন্ত্ৰণ ক্ৰমে নতুন দিল্লীৰ পৰা অসম ভ্ৰমণলৈ অহা প্ৰবীন সাংবাদিকৰ দল এটাই যোৱা ১৭ এপ্ৰিল তাৰিখে শিৱসাগৰ জিলা আৰু নাগালেণ্ডৰ সীমান্তত থকা নগাই দখল কৰা শিৱসাগৰ জিলাৰ অঞ্চল সমূহ পৰিদৰ্শন কৰোঁতে এক বিশেষ ঠাইত নগালেণ্ডৰ সশস্ত্ৰ পুলিচে তেওঁলোকক বাধা দিয়ে। অৱশ্যে পিচত তেওঁলোকক যাবলৈ দিয়ে।" আকৌ আছে যে "আমগুৰি মোককচা ; আ লিৰ ৮ মাইলত থকা নগালেণ্ডৰ সশস্ত্ৰ পুলিচে দলটোক বাধা দিয়ে যদিও কিছু সময়ৰ পিচত তেওঁলোকক যাবলৈ দিয়ে।" আকৌ "মেৰাপানী অঞ্চলত এটা অসম পুলিচ বেটেলিয়ানৰ চকী থকা স্বত্বেও নগালেণ্ডৰ সশস্ত্ৰ পুলিচে সীমাৰ পৰা প্ৰায় ৫ কিলোমিটাৰ আগবাঢ়ি আহি শিৱসাগৰ জিলাৰ ভিতৰত তেওঁলোকৰ চকী স্থাপন কৰে।" আকৌ "নগা সশস্ত্ৰ পুলিচে এই প্ৰাকৃতিক সীমা পাৰ হৈ ১৪ কিলোমিটাৰ অসমৰ ভিতৰলৈ সোমাই আহি চকী স্থাপন কৰিছেহি। অসমৰ চকী দিচৈৰ কাষত নগালেণ্ড কেম্পৰ প্ৰায় ১২

কিলোমিটাৰ পিচতহে আছে ” আমাৰ পুলিচ চকী থকা স্বত্বেও তেওঁলোকৰ সশস্ত্র পুলিচ বাহিনীয়ে চকী পাতিছেহি অথচ অসম চৰকাৰৰ নির্দ্দেশ নহলে বেদখলকাৰী নগা পুলিচ বাহিনীক প্রতিৰোধ কৰিবও নোৱাৰে গতিকে দিল্লীৰপৰা মাতি অনা সাংবাদিক দল এটাক ভ্রমণ কার্য্যত বাধা দিয়াতো গুৰুত্বপূর্ণ কথা। গতিকে এই বাতৰি সন্দর্ভত অসম চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিছোঁ আৰু ইয়াৰ যথাযথ উত্তৰ বিচাৰিছোঁ।

Shri Mahendra Mohan Choudhury (Chief Minister)—অধ্যক্ষ মহোদয়, এই বাতৰিত যি বিলাক কথা ওলাইছে তাৰ এক অংশৰ বাহিৰে বাকী বিলাক কথা আমাৰ সদনত আলোচনা কৰা হৈছেই। গতিকে সেই কথা বিলাক পুনৰ দোহাৰি সদনৰ সময় নষ্ট কৰিব নোখোজো। কিন্তু আপুনি যদি নির্দ্দেশ দিয়ে তেন্তে কব পাৰোঁ।

সাংবাদিক সকলৰ কথা হৈছে—যোৱা এপ্রিল মাহৰ ২৫ তাৰিখে নগালেণ্ড আৰু অসম সীমান্তৰ ঘটনাৱলী সামগ্রিক ভাৱে ভাৰতবর্ষৰ আন আন দেশে জানিবলৈ বুলি ভাৰতৰ অন্য ঠাইৰ পৰা এটা সাংবাদিক দলক এই সীমান্ত অঞ্চল ভ্রমন কৰিবলৈ বুলি মাতি অনা হয়। ইয়াৰ উদ্দেশ্য হ'ল আমাৰ দলৰ পৰা এই সীমান্ত সম্পর্কত কবলগীয়া কথাবোৰ ভাৰতৰ আন আন ঠাইৰ লোকৰো দৃষ্টিগোচৰ কৰা। বিশেষকৈ দিল্লীত, যি ঠাইত এই বিষয়ে আলাপ-আলোচনা হৈ থাকে তেনে ঠাইতো আমাৰ সীমান্তৰ ঘটনাৱলীৰ আলাপ চলিব আৰু গুৰুত্ব আৰোপ কৰিব। দিল্লীৰ যি বিলাক ডাঙৰ ডাঙৰ বাতৰি কাকত আছে আৰু Political Commentary আছে, তাত এই সমস্যা সমূহৰ বিশদ আলোচনা হব।

সীমান্ত অঞ্চল ভ্রমন কৰিবলৈ যোৱা সাংবাদিক দলৰ লগত 3rd Assam Battalian ৰ Commander আছিল, শিৱসাগৰ জিলাৰ D. F. O. আদি বিষয়াও তেখেত সকলৰ লগত আছিল; আৰু তেখেত সকলে আমগুৰি মোককচাং ৰাস্তাৰ অষ্টম মাইল পাওঁতে নগালেণ্ডৰ Security য়ে বাধা দিয়ে। তাৰ পিচত আমাৰ 3rd Assam Battalion ৰ Commander জনে নগালেণ্ডৰ Commander ৰ

লগত আলোচনা কৰাৰ ১৫ মিনিট পিচত সাংবাদিক দলটোক যাবলৈ দিয়া হয় এই কথাটোৰ পৰা আমাৰ ভাল হ'ল যে আমাৰ ৰাজ্যতে যে আমি Prisoner ৰ নিচিনা থাকিবলগীয়া হৈছোঁ। সেইটো অসমৰ বাহিৰৰ সাংবাদিক আৰু অন্যান্য ৰাজনৈতিক লোকৰ দৃষ্টিগোচৰ হৈছে। ফলত নগালেণ্ড আৰু অসম সীমান্তলৈ নগালেণ্ড চৰকাৰে কোৱা গল্পৰ বাহিৰেও যে আন এটা গল্প আছে সেই কথাটো অসমৰ বাহিৰৰ বিলাকে জানিলে। সেই কথাটো সাব্যস্ত কৰিবলৈও আমি সমৰ্থ হৈছো এই ঘটনাৰ কাৰণেই।

## Presentation of the Report of the Select Committee on the Assam (Temporarily Settled Areas) Tenancy Bill, 1970

Shri Biswadev Sarma, (Minister, Revenue)—Sir, I beg to present the Report of the Select Committee on the Assam (Temporarily Settled Areas) Tenancy Bill, 1970

Shri Sailen Medhi—অধ্যক্ষ মহোদয়, আজি Privilege Committee ৰ Report কেতিয়া দাখিল কৰিব পাৰে সেই তাৰিখৰ কথা কোৱাৰ কথা আছিল।

Shri Ataur Rahman (Minister, Parliamentary Affairs)—প্ৰস্তুত হৈছে বুলি জানিব পাৰিছোঁ। Assembly Secretary য়ে জনোৱা মতে। গতিকে দাখিল কৰিম।

## Re: Strike by students of the Assam Engineering Institute Gauhati.

* Shri Phani Bora—৩০১ ৰ কথাও আছে অধ্যক্ষ মহোদয়, কথাটো হৈছে অসম ইঞ্জিনীয়াৰিং ইন্‌ষ্টিটিউটৰ ছাত্ৰ বিলাকে পৰীক্ষা দিয়া নাই। ধৰ্মঘট কৰিছে। এনে পৰিবেশত চৰকাৰে কি ব্যৱস্থা কৰিছে নকৰিছে আমি সোনকালে জানিব খোজোঁ। তাত ২৮ এপ্ৰিল তাৰিখে ২৮৭ জন ছাত্ৰৰ

কিছুমানক Non-Collegiate কৰিলে আৰু কিছুমানক Dis-Collegiate কৰিলে কিন্তু সেই লিষ্টৰ পিচত দেখা যায় যে ১ মে' তাৰিখে Non-Collegiate সকলৰ মাজৰ পৰা ১০ জন ছাত্ৰ Regular কৰি দিলে আকৌ ৩ মে' তাৰিখে ৬ জন Dis-Collegiate কো Regular কৰি পৰীক্ষা দিবলৈ অনুমতি দিলে ।

এই ধৰণৰ বেমেজালিৰ সৃষ্টি হৈছে । এটা বেয়া আবহাওৱাৰ সৃষ্টি হৈছে ইয়াৰ ফলত ধৰ্মঘট কৰিছে । গতিকে এনে এটা পৰিস্থিতিত চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা লৈছে বা লোৱা নাই সেই কথাটো জানিব বিচাৰিছো । আৰু পৰিস্থিতিৰ গুৰুত্বলৈ চাইহে ৩০১ ধাৰা মতে এইটো কথা উত্থাপন কৰিবলৈ বাধ্য হৈছোঁ । তেওঁবিলাকৰ পুনৰ পৰীক্ষা লোৱাৰ দিহা কৰিব লাগে । পাচ কৰক ফেইল কৰক অন্ততঃ পৰীক্ষা লব লাগে ; আৰু এই খামখেয়ালী আৰু উত্তপ্ত আবহাওৱাৰ শান্তিপূৰ্ণ সমাধান কৰিবলৈ সদনত কথাটো উত্থাপন কৰিলোঁ ।

* Shri Mahendra Mohan Choudhury, ( Chief Minister )—The Diploma Examinations in Civil, Electrical and Mechanical Engineering and in Chemical Operation were scheduled to commence in different centres of Assam from 11th May, in 1971. According to the regulations of the State Council for Technical Education, Assam, candidates possessing less than 60 percent of attendance are discollegiate and not eligible to appear in the examinations. 15 students of the Assam Engineering Institute, Gauhati were declared discollegiate by the Principal of the Institute. On 11th May, 1971, a group of discollegiate students and others tried to disrupt the examinations by obstructing the examinees from

* Speech not corrected

entering into the examination hall. 2 discollegiate students also lay down at the entrance of the exami nation hall. The Principal of the Institute called in Police when he and the members of the stuff failed to dissuade the obstructing students. The Police entered into the campus at about 8.45 a. m. on the 11th May, 1971 and left the campus some time later. They were not allowed to enter into the main building where the examination hall was situated by the students. Precautionery measures were taken by the District Authority in the city. It is not a fact that armed police men entered into the campus of the Engineering Institute off and on and that a threatening situation has developed. The students of the Gauhati centre have boycotted the Diploma Examinations. The examinations are continuing peacefully in other centres of the State. The Examination Committee of the State Council for the Technical Education Assam will sit on 18th May, 1971 to discuss the situation arising out of boycotting of Diploma Examinations at Gauhati.

But I want to ask Mr. Bora whether discollegiate students should be allowed to appear in the examination against the Rule.

Shri Phani Bora—Some discollegiate students were allowed to appear in the Examination by underhand means. If actually discollegiate students are not allowed, why these six students were allowed at the last moment

just before three days. I quite agree that the discollegiate students could not have completed their course or completed practical training which were required in the technical institutes and that they should not be allowed to appear in the examination, but when some students were allowed, why not other discollegiate students were not allowed.

Shri Mahendra Mohan Choudhury—Yesterday two students of the Assam Engineering Institute met me and handed over to me an appeal addressed to the students all over the State to join them in compelling the Institute to accede to their demands. At that time they also reported to me that some discollegiate students were allowed to sit in the examination. Then I asked them if those students produced medical certificates and they replied in affirmative. They told me that they could have also procured medical certificates. I then asked them why they did not procure medical certificates if they were really sick and unable to attend their classes and I asked them how many discollegiate students have been allowed to appear in the examination and they said 'one' and that he submitted a medical certificate to the Principal. They said that they could have also procured medical certificates and submit the same to the Principal. Then I said that if you were really sick and if you could procure medical certificate for not being able to attend classes you

would have also been allowed. As I could understand from the students that there was only one case of departure from the rules........

Shri Dulal Chandra Barua—I think this is a case of discrimination. This ought to have been done earlier. After declaring them discollegiate on production of meidcal certificate none should have been allowed. Considering the gravity of the situation I would request the Chief Minister to intervene and take a final decision without further delay.

Shri Mahendra Mohan Choudhury—My difficulty has been whether we should allow the students to remain absent........

Shri Dulal Chandra Barua—I do not like to press the the Government that the discollegiate students should be allowed to appear. The rules must be strictly followed, but what I want is that there should not be any discrimination.

Shri Mahendra Mohan Choudhury—If a student does not attend the classes and cannot have the minimum of 60% attendance he is surely without just cause. If he could produce medical certificate justifying his absence then his absence may be considered. Therefore, when a particular student submits medical certificate and the medical opinion is that he could not attend classes regularly because of his illness than he has a just cause to remain absent. On that account the

Principal might have allowed some boys. Whatever that may be I quite appreciate the feelings expressed by the Hon'ble Members. Tomorrow the Examination Board is meeting, and let us see what decision is taken. If necessary I shall talk to them

Shri Dulal Chandra Barua—No unjust demands are to be conceded.

The Assembly then Adjourned till 10 A.M. on Wednesday, the 19th May, 1971.

U. Tahbildar,
Secretary
Legislative Assembly, Assam.

Shillong,
The 18th May, 1971